আগস্ট ২০০১ Rs. 10/-

চান্দমামা

India is unique.

With its many cultures, its many faiths. With the many languages and dialects its many people speak. People of different castes, communities, creed. People with countless differences but a single pride.

Their pride in being an Indian.

We nurture this pride. For we believe that India is one great nation. A nation with a magnificent heritage that we all share.

CHANDAMAMA

In many languages, a common tradition

এই সংখ্যাত আছে বৰ্ষ : ২৮ আগষ্ট ২০০১ সংখ্যা - ৮

ভাৰত কথা

২৯

গণপতি বাপ্পা মোৰয়া

২৪

পণ্ডিতৰ পৰিচয়

১৯



সৰবজান

৩৮

এই মাহৰ বিশেষ আকৰ্ষণ

★ দবাৰ পৰীক্ষা... ০৬ ★ বুদ্ধিৰ বৃদ্ধি ...০৮ ★ যক্ষ পৰ্বত ... ০৯
★ তিনিটি হাঁচি ... ১৬ ★ উইল ...১৭ ★ পণ্ডিতৰ পৰিচয় ... ১৯
★ গণপতি বাপ্পা মোৰয়া ... ২৪ ★ সুখ ... ২৮
★ ভাৰত কথা ... ২৯ ★ প্ৰখ্যাত ওডিচি নৃত্য ... ৩৪
★ ৰসিক ব্যক্তি ... ৩৬ ★ সৰবজান ... ৩৮ ★ সংবাদ প্ৰবাহ ... ৪৪
★ হলৌচোলা পিন্ধা ছোৱালীজনী ... ৪৬
★ ভাৰতৰ বিষয়ে জানি লোৱা প্ৰশ্নাৱলী ... ৫০
★ মহাভাৰত ... ৫১ ★ অজেয় গৰুড় ... ৫৮
★ স্বৰগ? নৰক? ... ৬২ ★ তিনিটা শব্দৰ মন্ত্ৰ ...৬৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা

সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক
চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org
দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬
মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

We had, on behalf of our readers who expressed anxiety, written to the Prime Minister, Shri Vajpayee, wishing him speedy recovery from his recent surgery. His response printed on this page is full of appreciation of and encouragement to the task undertaken by *Chandamama* to provide insights into India's heritage. As we express our gratitude to him, and share the message with our readers, we rededicate ourselves to the objectives of the founders to promote national integration through this multi-lingual magazine. **-Editor**

प्रधान मंत्री
Prime Minister

New Delhi
June 23, 2001

Dear Shri Reddi,

Thank you for your kind letter dated June 16, 2001 conveying the good wishes of the readers of *Chandamama* for my speedy recovery after the recent knee surgery. I appreciate their warm and affectionate sentiments and reciprocate the same.

I am delighted to know that *Chandamama*, which has mesmerized millions of students with stories drawn from India's rich cultural heritage has successfully re-launched itself in twelve language editions. What has especially gladdened me is that you have also started to publish a Sanskrit edition of the magazine to popularize this ancient but ever-living language, which is the basic source of our culture and philosophical heritage.

I admire your courage and commitment since this must be a difficult task for you. However, knowing that you have the benefit of the collaboration of Sanskrit Bharati in New Delhi, which has been doing commendable work in taking Sanskrit to the masses, I am sure your effort will bear fruits.

The task of providing greater patronage and promotion to Sanskrit has to be shared by the Government as well as non-governmental agencies, especially, the mass media. *Chandamama's* bold effort, therefore, deserves our highest appreciation.

With best wishes,

Yours sincerely,

(A.B. Vajpayee)

সংস্থাপক

বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

আৰু এঢাপ উন্নতি

ভাৰতে স্বাধীনতা লাভ কৰাৰ ঠিক পিছতে, চান্দমামাৰ প্ৰতিষ্ঠাপক সকলে এক নতুন উপায়েৰে জাতীয় সংহতি অনাৰ কথা চিন্তা কৰিছিল ।

তাৰ ভিতৰত এটা হ'ল, অতীতত ভাৰতৰ ঋষি মুনি আৰু ৰজা মহাৰাজসকলে মানুহৰ মূল্যবোধৰ যি এক মহান পৰম্পৰা গঢ়ি তুলিছিল সেইবোৰৰ বিষয়ে শিশুসকলক অবগত কৰা । এই কথা মনত ৰাখিয়ে, চান্দমামাৰ প্ৰতিষ্ঠাপকসকলে সেই বিষয়ে শিশুসকলৰ মনত সাঁচ বহুৱাব পৰাকৈ গল্প, কাহিনী, চিত্ৰ আদি প্ৰকাশ কৰি আহিছে, যাতে ইয়াৰ সহায়ত তেওঁলোকে এক আদৰ্শ নাগৰিক হিচাবে গঢ়ি উঠিব পাৰে ।

পঢ়ুৱৈসকলক এক লগ কৰাৰ অন্য এটা উপায় হ'ল, তেওঁলোকে বুজি পোৱা ভাষাত সেই কাহিনীবোৰ তেওঁলোকৰ আগত বৰ্ণনা কৰা । সেয়েহে এই আলোচনীখনে বিভিন্ন ভাষাৰ সংস্কৰণ প্ৰকাশ কৰি আহিছে ।

এইটো সকলোৰে জনা কথা যে এই বিশাল ধৰণৰ কামটো কৰোতে বিভিন্ন বাধ্যবাধকতা অহাতো স্বাভাৱিক- বিশেষকৈ সময়ৰ । যাৰ ফলত বিভিন্ন ভাষাত প্ৰকাশ হোৱা নিবন্ধবোৰ অনুবাদ কৰিহে প্ৰকাশ কৰা হয় । কেতিয়াবা এটা ভাষাত প্ৰকাশ হোৱা নিবন্ধ এটা অন্য ভাষাত প্ৰকাশ হোৱা দেখা নাযায় ।

পৰীক্ষামূলক হিচাবে এই আগষ্ট সংখ্যাৰ পৰা আলোচনীখনৰ সকলো ভাষাৰ সংস্কৰণৰে অৰ্দ্ধেক পৃষ্ঠাতে যাতে একে ধৰণৰ নিবন্ধ প্ৰকাশ কৰিব পৰা যায় সেইটো চেষ্টা কৰা হৈছে । যিবোৰ পঢ়ুৱৈয়ে নিজৰ মাতৃ ভাষাৰ লগতে অন্য ভাষা শিকাৰ অভ্যাস কৰিব খোজে তেওঁলোকে ইয়াৰ দ্বাৰা বিশেষ ভাবে উপকৃত হব ।

এতিয়াৰ পৰা আমাৰ পঢ়ুৱৈসকলে প্ৰতিটো সংখ্যাতে আৰু অধিক উন্নত লেখনি দেখিবলৈ পাব । আমি তেওঁলোকৰ মতামতৰ বাবে বাট চাই থাকিলো ।

সম্পাদক : বিশ্বম

দৰাৰ পৰীক্ষা

মালৱ দেশৰ ৰজা মতিমন্তৰ এগৰাকী ৰূপৱতী আৰু বুদ্ধিমতী কন্যা আছিল । তেওঁৰ নাম আছিল চন্দ্ৰিকা । ৰজাই চন্দ্ৰিকাক অতি মৰমেৰে ডাঙৰ দীঘল কৰিছিল । সেই দেশৰ পণ্ডিতসকলক ৰজাই খুব সন্মান কৰিছিল । নিজৰ কন্যা চন্দ্ৰিকাকো ৰজাই বিদ্যান পণ্ডিতৰ তলত শিক্ষা গ্ৰহণ কৰিবলৈ দিছিল ।

লাহে লাহে চন্দ্ৰিকা বিবাহ যোগ্য হ'ল । নিজ কন্যাৰ বিয়াৰ বিষয়ে ৰজাই মন্ত্ৰীসকলৰ লগত আলোচনা কৰিলে । আলোচনা মতে বিভিন্ন ৰাজ্যলৈ দূত পঠাই সেইৰাজ্যৰ ৰাজকুমাৰ সকলৰ ফটো একোখন লৈ অহা হ'ল ।

ৰাজকুমাৰ সকলৰ ফটোবোৰ দেখি চন্দ্ৰিকাই পিতাকক কলে, "পিতাদেউ, এই ফটোবোৰ দেখি তেওঁলোকৰ বুদ্ধিমত্তাৰ পৰিচয় কেনেকৈ পাম ? মোতকৈ কম বুদ্ধি থকা যুৱকৰ লগত মই কেতিয়াও বিয়াত নবহো । যদি আপুনি অনুমতি দিয়ে মই এই ৰাজকুমাৰসকলৰ পৰীক্ষা লব বিচাৰো । এই পৰীক্ষাত যিয়ে উত্তীৰ্ণ হব তেওঁৰ লগতহে মই বিয়াত বহিম ।"

ৰজাই মন্ত্ৰীসকলৰ লগত পৰামৰ্শ কৰি চন্দ্ৰিকাৰ প্ৰস্তাৱটো মানি ললে ।

ইয়াৰ পিছত চন্দ্ৰিকাই এটা শ্লোক লিখি ৰজাৰ হাতত দিলে । শ্লোকটো আছিল -

"প্ৰাত: দ্যূত প্ৰসঙ্গেন
মধ্যাহ্ন স্ত্ৰী প্ৰসঙ্গতে
ৰাত্ৰৌ চোৰ প্ৰসঙ্গেন
কালো গচ্ছতি ধীমতাম্ ।"

ৰজাই শ্লোকটো এচটা শিলত সোণালী আখৰেৰে খোদিত কৰি ৰাজসভাত ৰাখিলে আৰু চন্দ্ৰিকা ৰাজকুমাৰীৰ স্বয়ম্বৰৰ কথা সকলো দেশতে জনাই দিলে ।

এই বাতৰি শুনি এজন এজনকৈ বিভিন্নদেশৰ পৰা ৰাজকুমাৰ আহিবলৈ ধৰিলে । তেওঁলোক আতাইকেইজনে শ্লোকটো পঢ়ি তাৰ অৰ্থ এইদৰে কলে :

ৰাতিপুৱা জুৱা সম্বন্ধীয় কথাবতৰাৰ

ৰবীন্দ্ৰ কুমাৰ ভূৱালকা

দ্বাৰা, দুপৰীয়া স্ত্ৰী সম্পৰ্কীয় আলোচনাৰ দ্বাৰা আৰু ৰাতি চোৰৰ বিষয়ে কথাবতৰা কৈ বুদ্ধিমান লোকে নিজৰ সময় কটায় ।”

চন্দ্ৰিকাই তেওঁলোকৰ অৰ্থটো শুদ্ধ নহয় বুলি সকলো ৰাজকুমাৰকে পঠাই দিলে । ইয়াৰ বাহিৰেনো শ্লোকৰ অৰ্থ কি হব পাৰে কোনেও একো বুজিব নোৱাৰিলে । ৰজা আৰু ৰাণীয়ে নিজৰ কন্যাৰ ব্যৱহাৰ অসঙ্গত যেন দেখি খুব চিন্তাত পৰিল ।

জয়সিংহ নামৰ এজন যুৱকে এই সকলোবোৰ ঘটনাৰ কথা শুনিছিল । তেওঁ বৰ বুদ্ধিমান আছিল আৰু চন্দ্ৰিকাক বিবাহ কৰাব বিচাৰিছিল । তেওঁ মালৱ দেশৰ সেনাপতিৰ পুত্ৰ আছিল । জয়সিংহই ৰজাক জনালে যে ৰজাই যদি অনুমতি দিয়ে তেওঁ শ্লোকটোৰ অৰ্থ কৈ দিব পাৰে । তেতিয়া ৰজাই তেওঁক অনুমতি দিলে ।

জয়সিংহই ৰজা আৰু সভাসদসকলক সম্বোধন কৰি কলে : “এই শ্লোকটোত বুদ্ধিমান লোকে কেনেদৰে সময় কটায় তাৰে কথা কোৱা হৈছে । সেয়েহে এই শ্লোকত থকা অৰ্থ বুদ্ধিমানৰ বাবে ব্যৱহাৰ যোগ্য হোৱা উচিত । জুৱা সম্বন্ধিত প্ৰসঙ্গৰ অৰ্থই মহাভাৰতকে বুজাইছে । এই জুৱা নহলে মহাভাৰতেই নহল হেতেন । সেইদৰে ৰামায়ণৰ কাহিনী স্ত্ৰী চৰিত্ৰৰ ওপৰত আধাৰিত ।

কৈকেয়ীৰ বৰ আৰু সীতাৰ অপহৰণ-- এই দুই ঘটনা নাথাকিলে ৰামায়ণেই নহলে হেতেন । সেয়েহে স্ত্ৰী সম্বন্ধীয় প্ৰসঙ্গই ৰামায়ণৰ প্ৰসঙ্গৰ কথাই বুজাইছে । চোৰৰ প্ৰসঙ্গই ইয়াত কৃষ্ণৰ কথাকেই বুজাইছে । চোৰ বিদ্যাৰ বাবে প্ৰসিদ্ধ ভগবানৰ অৱতাৰ মানেই কৃষ্ণ অৱতাৰ । এইদৰে অৰ্থ উলিয়ালে গোটেই শ্লোকটোৰে সুন্দৰ অৰ্থ ওলাব ।”

জয়সিংহৰ উত্তৰত সন্তুষ্ট হৈ চন্দ্ৰিকাই তেওঁৰ ডিঙিত বৰমাল্য অৰ্পণ কৰিলে আৰু মহা ধুমধামেৰে দুয়োৰে বিবাহ কাৰ্য্য সম্পন্ন হ’ল ।

বুদ্ধিৰ বৃদ্ধি

এদিন ৰাতি নখেতি গাৱলৈ শীল আৰু গোপী নামৰ দুজন পথিক আহিছিল । তেওঁলোকে গাঁৱৰ অতিথিশালাত ৰাতিৰ আহাৰ কৰাৰ পিছত অতিথিশালাৰ পিৰালিতে শুই থকাৰ দিহা কৰিলে। গোপী শোৱাৰ বাবে সাজু হৈছিল, এনেতে তেওঁ দেখিলে শীলে মোনাৰ পৰা কিবা বস্তু উলিয়াই মুখতলৈ চুহিবলৈ ধৰিছে ।

গোপীয়ে ভাবিলে যে শীলে মোনাৰ পৰা উলিয়াই তামোল খাইছে । শীলে কলে, "আজি ৰাতিপুৱা আমাৰ ঘৰত এখন তালপত্ৰৰ গ্ৰন্থ পাইছো । তাত লিখা আছে আমি যদি বগৰীৰ গুটি থূ নেপেলোৱাকৈ চুহি থাকো তেতিয়াহলে আমাৰ বুদ্ধি তীক্ষ্ণ হব । সেয়েহে মই বগৰীৰ গুটি খুব চুহিছো আৰু তাৰ পিছতহে থূ পেলাইছো ।

"অ', এই হে কথা ! মইতো এই ৰহস্যৰ কথা জনাই নাছিলো । তুমিতো জানাই মই তীৰ্থ যাত্ৰালৈ ওলাইছো । ভ্ৰমণৰ সময়ত যদি মোৰ বুদ্ধি বাঢ়ি যায় তেতিয়া ঠগবাজৰ পৰা ৰক্ষা পোৱা মোৰ বাবে আৰু সহজ হব । মোকো গুটি খাবলৈ দিয়া ।" গোপীয়ে কলে ।

"এনেয়ে দিব নোৱাৰি । চাৰি টকা দিয়া আৰু চাৰিটা গুটি লোৱা ।" শীলে কলে ।

গোপীয়ে অলপ সময় ভাবিলে । ইয়াৰ পিছত চাৰি টকা দি শীলৰ পৰা চাৰিটা গুটি ললে । তাৰে এটা গুটি মুখত লৈ গোপীয়ে চুহিবলৈ ধৰিলে । এনেতে হঠাতে গোপীয়ে ভাবিলে যে শীলে তেওঁক ঠগাইছে ।

তেওঁ শীলৰ ওপৰত অসন্তুষ্ট হৈ কলে, "এয়াতো দেখ দেখ ঠগবাজি । চাৰিটকাত চাৰিটা বগৰী পোৱা যায় । তোমাৰ এই প্ৰৱঞ্চনাৰ কথা অতিথিশালাৰ মালিকক কৈ দিম । তোমাৰ বিৰুদ্ধে অভিযোগ কৰি তোমাক ইয়াৰ পৰা উলিয়াই দিম ।

বাঃ ! বাঃ !! চোৱাচোন ! দহ মিনিটৰ ভিতৰতে তোমাৰ বুদ্ধি কিমান বাঢ়ি গল । কিমান তীক্ষ্ণ হ'ল এই বুদ্ধি ।" এইবুলি কৈ শীলে হাঁহিবলৈ ধৰিলে ।

শীলৰ এই কথা শুনি গোপীয়ে মনে মনে ভাবিবলৈ ধৰিলে সঁচাকৈয়েতো তেওঁৰ বুদ্ধি বাঢ়িছে। আগতকৈ এতিয়া তেওঁ অধিক বুদ্ধিমান হৈছে । তেওঁ আৰু একো কথা নোকোৱাকৈ মনে মনে থাকিল ।

বিদ্যাচৰণ, আৰ



যক্ষ পৰ্বত

6

(পাহাৰী প্ৰদেশত প্ৰৱেশ কৰি খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰই ডকাইতহঁত আৰু স্বৰ্ণাচাৰীক দেখিবলৈ পালে । তেওঁলোকৰ পিছে পিছে এওঁলোক দুয়োও পাহাৰৰ ওপৰলৈ গ'ল । সেই সময়তে এজন ডকাইত তেওঁলোকৰ ওচৰলৈ দৌৰি দৌৰি আহি কলে যে জঙ্ঘলৈ চিকাৰলৈ যোৱা তেওঁলোকৰ চৰ্দাৰ সমৰবাহুক নৰমাংস ভক্ষণকাৰীহঁতে ধৰি লৈ গৈছে ।) ইয়াৰ পিছত --

সেই ডকাইতটোৰ কথা শুনি জীৱদন্ত্ৰ আৰু খৰ্গবৰ্মা আচৰিত হ'ল । আজি বহু বছৰ ধৰি তেওঁলোকে হাবিৰ মাজতে ঘূৰা ফুৰা কৰি আছে, কিন্তু আজিলৈকে তেওঁলোকে নৰমাংস খোৱা কোনো প্ৰাণীৰ বিষয়ে একো শুনাও নাই আৰু কতো দেখাও নাই ।

জীৱদন্ত্ৰই ডকাইতটোক কলে, ‘‘সিহঁতে তোমালোকৰ চৰ্দাৰক কেঁচাই খাই নে পুৰি খাই সেইটো পিছতো দেখিম । প্ৰথমতে কোৱাচোন ঘটনানো কি ?’’

‘‘মহাশয়, চিকাৰলৈ গৈ হাবিৰ মাজত আমি এটা হৰিণ চিকাৰ কৰিছিলো । সেইটো কান্ধত তুলি আমি ঘৰলৈ আহি আছিলো । বাটত আমি এটা বাঘৰ গোজৰণি আৰু ভয় বিহ্বল এজন মানুহৰ চিঞৰ শুনিবলৈ পালো । আমি দুয়ো সেইফালে আগবাঢ়ি গলো । অলপ দূৰ যোৱাৰ পিছতে দেখিবলৈ পালো এজন আদিবাসী লোক বাঘৰ ঠেঙৰ ওচৰত পৰি মাৰি আছে । বাঘৰ বুকুটো তাৰ বল্লমপাত সোমোৱা আছে । তাৰ ওচৰতে বাঘৰ পোৱালীটো ইফালে সিফালে ঘূৰি ফুৰি আছে ।’’ ডকাইতটোৱে কলে ।

‘‘ইয়াৰ পিছত কি হ'ল ?’’ জীৱদন্ত্ৰই সুধিলে।

আমাৰ চৰ্দাৰে বাঘৰ পোৱালিটো ধৰি নি পুহিব বিচাৰিছিল । আমি অলপ অলপ চেষ্টা কৰি

পোৱালিটো ধৰিলো । এনেতে দহ পোন্ধৰজন লোক হাবিৰ মাজৰ পৰা আহি আমাক ধমক দিলে । সিহঁতে ভালুকৰ ছাল পিন্ধি আছিল । সিহঁতে আমাৰ ওপৰত জপিয়াই পৰি আমাক ধৰিলে । সিহঁতৰ চৰ্দাৰজনে ভালুকৰ মূৰটো নিজৰ মূৰৰ ওপৰত লগাই লৈছিল যাতে কোনেও চিনি নাপায় । সিহঁতে আমাৰ চৰ্দাৰ আৰু এজন আমাৰ লগৰীয়াক ধৰি লৈ তেওঁলোকৰ হাতদুখন ৰচীৰে বান্ধি লৈ লগে লগে যাবলৈ হুকুম দিলে।

মোকো বাঘৰ পোৱালিটো লৈ সিহঁতৰ পিছে পিছে যাবলৈ কলে । অলপ দূৰগৈ মই সাহস কৰি বাঘৰ পোৱালিটো ভালুকৰ মূৰেৰে নিজৰ মূৰটো ঢাকি ৰখা চৰ্দাৰৰ গালৈ দলি মাৰি দিলো । যেতিয়া মই বাঘৰ পোৱালিটো চৰ্দাৰৰ গালৈ মাৰি পঠালো, তেতিয়া বাঘটোৱে চৰ্দাৰৰ ডিঙিত খামুচি ধৰিলে । চৰ্দাৰে যেতিয়া বাঘটোৰ পৰা ৰক্ষা পাবলৈ চেষ্টা কৰি আছিল, সেই সময়তে মই পলাই গুচি আহিলো ।

এনেতে এজন ডকাইতে ওখ শিল এটাৰ ওপৰত উঠি হাবিৰ ফালে চাই চাই খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰক কলে, "মহাশয়, এই পাহাৰখনৰ তলৰ হাবিত বহুতো আদিবাসী লোকে বাজনা বজাই ভালুবোৰক নচুৱাই যাব ধৰিছে । সিহঁতৰ আগে আগে আমাৰ চৰ্দাৰ আৰু এজন লগৰীয়াৰ হাত দুখন বন্ধা অৱস্থাতে গৈ আছে ।"

"অ' এয়েহে কথা ?" এইবুলি কৈ স্বৰ্ণচাৰীয়ে পাহাৰৰ তললৈ চালে, তাৰ পাছত খৰ্গ আৰু জীৱদন্ত্ৰক হাত যোৰ কৰি কলে, "প্ৰভু, যিকোনো প্ৰকাৰে সমৰবাহুক ৰক্ষা কৰক ।"

"স্বৰ্ণচাৰী, চৰ্দাৰক আমি নিশ্চয় ৰক্ষা কৰিম। তুমি যিহেতু ইমান কাকুতি মিনতি কৰিছা, তেওঁক আমি ৰক্ষা কৰিবলৈ অৱশ্যেই চেষ্টা কৰিম ।" জীৱদন্ত্ৰই স্বৰ্ণাচাৰীক কলে ।

ইয়াৰ পিছত খৰ্গবৰ্মা আৰু জীৱদন্ত্ৰই পাহাৰৰ পৰা নামি আহি হাবিৰ মাজত প্ৰৱেশ কৰিলে । বেচি দূৰ আগবাঢ়িব লগ নহলেই, এনেতে দূৰৰ পৰা ভাহি অহা বাজনাৰ শব্দ হঠাতে বন্ধ হৈ গ'ল । লগে লগে গোটেই অৰণ্য শান্তহে গ'ল।

অলপ সময়ৰ পিছতে তেওঁলোকে গছবোৰৰ মাজৰ পৰা কুকুৰনেচীয়া বাঘৰ চিঞৰ শুনিবলৈ পালে । এই চিঞৰ শুনি জীৱদন্ত্ৰই কলে, "কিবা আচৰিত যেন লাগিছে । দিনৰ ভাগত মানুহে য'ত অহা যোৱা কৰে, তাত কুকুৰনেচীয়া বাঘৰ চিঞৰ আহিল ক'ৰ পৰা ?" এই বুলি কৈ গছৰ ডালত উঠি তেওঁলোকে চাৰিওফালে চাবলৈ ধৰিলে ।

খৰ্গ আৰু জীৱদন্তৰই সন্মুখৰ ফালে দেখিবলৈ পালে এখন্ড বীজতলী মাটিত বিভিন্ন ধৰণৰ শস্যৰ পুলি গজি উঠিছে। বাকী ঠাইবোৰ ফলৰ গছেৰে ভৰা। ঠাইখন দেখিবলৈকে ধুনিয়া লগা হৈছে। বীজতলীত চাৰিজন মানুহে পানী দি আছে। ভালুকৰ ছাল পিন্ধা মানুহজনে গছৰ ছাঁত বহি আছে। তাৰ কাষতে কুকুৰনেচীয়া বাঘ এটাই জিভা উলিয়াই বহি আছে।

খৰ্গ আৰু জীৱদন্তৰই চিন্তা কৰিবলৈ ধৰিলে, এইখন কি ঠাই! এনেসময়তে ভালুকৰ ছাল পিন্ধা মানুহ এজনে শস্যৰ পুলিত পানী দি থকা মানুহকেইজনৰ ওচৰলৈ গৈ চিঞৰি কবলৈ ধৰিলে, "ঐ গোলামহঁত, তাৰাতাৰি কাম শেষ কৰ!" এইবুলি সিহঁতক সাৱধান কৰি দি সি গছৰ তলত গৈ টোপনিয়াবলৈ ধৰিলে। অন্য এটা কুকুৰনেচীয়াৰ মূৰত হাত থৈ টোপনীৰ জালতে ইফালে সিফালে দুলিবলৈ ধৰিলে।

"বাঃ, কেনে ৰখীয়া ওলাইছে," এইবুলি কৈ খৰ্গবৰ্মাই তৰোৱাল উলিয়াবই খুজিছিল, এনেতে শস্যৰ পুলিত পানী দি থকাসকলৰ এজনে পানী দিব এৰি গছৰ তলত টোপনিয়াই থকা ৰখীয়াজনৰ ফালে আগবাঢ়ি আহিবলৈ ধৰিলে।

খৰ্গ আৰু জীৱদন্তৰই বুজিব পৰা নাই সি এতিয়া কি কৰিব। তেওঁলোকে দেখিবলৈ পালে পানীৰ কলহটোৰ পৰা সি এটা শিল উলিয়াই টোপনিয়াই থকা ৰখীয়াটোৰ মূৰত জোৰে মাৰি দিলে। ৰখীয়াটো চিঞৰ এটা মাৰি মাটিত পৰি গ'ল। ইয়াৰ পিচত সি তাৰ পৰা দৌৰি পলাই গ'ল।

"জীৱ, আমি এতিয়া কি কৰো?" পলাই

যোৱা চকৰটোৰ পিছে পিছে কুকুৰনেচীয়াটো খেদি গৈছে। তাক ধৰিব পাৰে নে নোৱাৰে কি ঠিক? বলা, আৰু অলপ দূৰ হাবিৰ মাজলৈ যাওঁ। সমৰবাহুক কৰবাত বন্দী কৰি থোৱা আমি দেখিবও পাৰো।" খৰ্গবৰ্মাই কলে।

যিফালৰ পৰা কুকুৰনেচীয়া বাঘৰ চিঞৰ ভাহি আহিছিল, তেওঁলোক দুয়ো সেইফালে আগবাঢ়ি গ'ল। তেওঁলোক অলপ দূৰ যোৱাৰ পিছত অকস্মাত ঢোল আৰু পেঁপাৰ মাত শুনিবলৈ পালে। যিটো দিশৰ পৰা বাজনাৰ শব্দ আহিছিল খৰ্গ আৰু জীৱদন্তৰই সেইফালে ঘূৰি চালে। দূৰত গছৰ মাজৰ পৰা ধোঁৱা ওলোৱা তেওঁলোকে দেখিবলৈ পালে।

"কৰবাত সমৰবাহুক পুৰিলৈ তাৰ দেহটো খোৱাৰ দিহা কৰা নাইতো?" জীৱদন্তৰই সন্দেহ প্ৰকাশ কৰি সুধিলে।

"হবও পাৰে ! বলা, এতিয়াই আমি তালৈ যাওঁ ।" খৰ্গবৰ্মাই কলে ।

ইয়াৰ পিছত তেওঁলোকে সেইফালে বেগাই গৌৰি গ'ল । অলপ সময়ৰ পিছতে তেওঁলোক সেই ঠাইত গৈ উপস্থিত হ'ল । দুয়ো এডাল ওখ গছত উঠি লৈ তাত নো কি হৈছে চাবলৈ ধৰিলে।

য'ৰ পৰা ধোঁৱা ওলাইছিল তাৰ ওচৰতে এটা গাঁত আছিল । হাবিত চিকাৰ কৰি সিহঁতে যি জন্তু মাৰি আনিছিল সেইবোৰ সিহঁতে জুইত পুৰি আছিল । কিছুমান লোকে ডাফলি বজাই আছিল আৰু কিছুমানে ভালুকক নচুৱাই আনন্দ উপভোগ কৰি আছিল ।

"জীৱ, আমি যি ডাঙৰ গাঁতটো দেখিবলৈ পাইছো, অনুমান হয় সেইটোৱে সিহঁতৰ থকা ঠাই । গাঁতত সোমাই যাবলৈ জখলাও আছে । সিহঁতে চৰ্দাৰ সমৰবাহুক মাৰি খোৱাতো দেখিবলৈ পোৱা নাই ।" খৰ্গবৰ্মাই হাঁহি মাৰি জীৱদন্তক সুধিলে ।

দুয়ো যেতিয়া নিজৰ ভিতৰতে কথা হৈ আছিল, তেতিয়া ভালুকৰ ছাল পিন্ধা এজন মানুহে সমৰবাহু আৰু তেওঁৰ লগৰীয়াজনক ধৰি নি ভালুকৰ ছাল পিন্ধা লোকজনৰ সম্মুখত থিয় কৰাই দি কলে, "গুৰু ভালুক, মই ইহঁতদুজনক জঙ্গলৰ মাজত পাইছো । দেখাত ইহঁতক সাহসী যেন পাইছো । ইহঁতক ধৰিবলৈ বহুত কষ্ট কৰিব লগা হৈছিল ।"

গুৰু ভালুকে সভা মণ্ডপৰ দৰে এখন ঠাইত শিলেৰে ঘূৰণীয়াকৈ বনোৱা এখন আসনত বহি আছিল । গুৰুৱে নিজৰ মুখমণ্ডল ভালুকৰ মূৰ এটাৰে ঢাকি ৰাখিছিল, যাতে কোনোৱে তেওঁৰ মুখ দেখা নেপায় । আসনৰ দুয়োফালে দুটা কুকুৰ নেচীয়া বাঘে জিভা উলিয়াই বহি আছিল ।

ভালুকৰ ছাল পিন্ধা মানুহজনৰ কথা শুনাৰ পিছত গুৰু ভালুকে সমৰবাহুৰ ফালে তীক্ষ্ণ দৃষ্টিৰে চাই সুধিলে, "হেৰা, তোমালোকৰ পোচাক দেখি অনুমান হৈছে তোমালোক নগৰবাসী । এই হাবিৰ মাজলৈ কি কামত আহিছা ?"

তেতিয়া সমৰবাহুৱে কলে, "সিন্ধু মৰুভূমিৰ পৰা আহিছো । মোৰ লগত হাজাৰ হাজাৰ অনুচৰ আছে । মোৰ অনুচৰবোৰৰ তোমালোকৰ এই গৰ্তগৃহবোৰ ধ্বংস কৰাৰ সম্পূৰ্ণ শক্তি আৰু সাহস আছে ।" গম্ভীৰ কণ্ঠে নিৰ্ভীক ভাবে সমৰবাহুৱে কলে ।

তোমাৰ পুৰুষোচিত কণ্ঠৰ কথা শুনি ভালেই লাগিছে । কিন্তু তুমি ভালদৰে জানিলোৱা এয়া গৰ্তগৃহ নহয় গৰ্তদুৰ্গহে । তোমাৰ অনুচৰসকল

এই ঠাই আহি পোৱাৰ আগতে আমাৰ ভালুক সৈন্য আৰু কুকুৰনেচীয়া বাঘবোৰে তোমাৰ অনুচৰবোৰক খাই পেলাব । মোৰ আগত ওফাইডাং মৰা কথা নকবা । পাগলৰ প্ৰলাপ নবকিবা । এতিয়াই মই তোমাক আৰু তোমাৰ অনুচৰক বন্দী কৰি মোৰ গোলাম কৰি ৰাখিম । তোমালোকৰ দ্বাৰা খেতিৰ কাম কৰাম ।” গুৰু ভালুকে কলে ।

তেওঁৰ কথা কোৱা শেষ হোৱাই নাছিল, এনেতে দুজন ভালুক অনুচৰে দৌৰি দৌৰি আহি গুৰুৰ সন্মুখ পাই সমৰবাহুক দেখি বৈ গ'ল । তেতিয়া গুৰু ভালুকে সুধিলে, “কি কথা, কোৱা? কিয় বৈ গলা ? এই বন্দীহঁতে আমাৰ একো ক্ষতি কৰিব নোৱাৰে । যি কোৱাৰ আছে নিৰ্ভয়ে কোৱা । এওঁলোকক এতিয়াই কুকুৰনেচীয়াবোৰৰ ওচৰলৈ পঠাম ।

“গুৰু ভালুক, আপোনাক এটা ডাঙৰ কথা কবলৈ আছে ।” এইবুলি কৈ তেওঁৰ ওচৰলৈ আহি কাণে কাণে কিবা কলে ।

ইয়াৰ পিছতে সমৰবাহুৱে চৰ্দাৰ ভালুকটোৰ ফালে চাই গৰ্জন কৰা দেখি গুৰু ভালুকে সমৰবাহুক কলে, “যি দেখিছো তোমাৰ বুদ্ধি ভ্ৰষ্ট হৈছে । ঠিক আছে, এওঁলোকক এতিয়াই কুকুৰনেচীয়াৰ গৰাললৈ লৈ যোৱা আৰু তাতেই এওঁলোকক এৰি আহিবা । এওঁলোকৰ হাতত বন্ধা ৰচীবোৰ খুলি দিয়া ।”

গুৰু ভালুকৰ আদেশ মতে সৈনিক ভালুকে সিহঁতদুয়োকে তাৰপৰা লৈ গ'ল । সিহঁতক তাৰ পৰা লৈ যোৱাৰ পিছতে গুৰুৱে অনুচৰবোৰক কলে, “এই নতুন মানুহ দুজনে আমাৰ গৰ্তদুৰ্গৰ বিষয়ে খবৰ পাইছে বোধহয় । মই সিহঁতক জীয়াই জীয়াই বিচাৰিছো ।”

“আপোনাৰ যি আদেশ গুৰু ভালুক,” বুলি কৈ দহ পোন্ধৰজন অনুচৰ ভালুক মণ্ডপৰ পৰা গৰ্তদুৰ্গৰ ফালে আগবাঢ়ি গ'ল ।

গছৰ পৰা নামি আহি জীৱদন্ত্ৰই খৰ্গবৰ্মাক কলে, “খৰ্গ, আমি যি চাবলগা আছিল চাই ললো। এতিয়া খুব ভোক লাগিছে । ইয়াৰে কোনোবা পুখুৰী এটাত গাধুই উঠি ফল খাই লম। ৰাতিলৈকে গৰ্তদুৰ্গত প্ৰৱেশ কৰাৰ বাবে উপায় উলিয়াম ।”

খৰ্গবৰ্মাইও কোনো কথা নোকোৱাকৈ গছৰ পৰা নামি আহিল । তাৰপাছত দুয়ো এটা পুখুৰীৰ পাৰত গৈ উপস্থিত হ'ল । সেই পুখুৰীটোৰ চাৰিওফালে জাৰণি আৰু ডাঙৰ ডাঙৰ গছ আছিল । সেই পুখুৰীলৈ বন্য জন্তুবোৰে পানী

এই চিঞৰ শুনি জীৱদন্ত্র আৰু খৰ্গ ক্ষণিকৰ বাবে স্তব্ধ হৈ গ'ল । ইয়াৰ পিছত যিফালৰ পৰা চিঞৰটো আহিছিল সেইফালেই দুয়ো আগবাঢ়ি গ'ল । তাত ভালুকৰ ছাল পিন্ধা এজন মানুহে তেজেৰে লুতুৰি-পুতুৰি হৈ চট্‌ফটাই আছিল ।

জীৱদন্ত্রই তাক সুধিলে, "তোমাক দেখিয়েই আমি চিনিব পাৰিছো তুমি কোন । আমি জানি বুজি তোমাক মৰা নাই । সঁচাকৈ কোৱাচোন তুমি জাৰণিৰ মাজত কি কৰি আছিলা ?"

কিন্তু উত্তৰ দিবপৰা অৱস্থা তাৰ নাছিল । সি ইফালে সিফালে বাগৰি বাগৰি "গুৰু ভালুক, গুৰু ভালুক বুলি বিৰবিৰাবলৈ ধৰিলে ।

"জীৱ, ই বন কুকুৰা ধৰিবলৈ জাৰণিত লুকাই আছিল নে গুপ্তচৰৰ কাম কৰি আছিল ? খৰ্গবৰ্মাই সুধিলে ।

"ইয়াৰ উত্তৰ সিহে দিব পাৰিব, কিন্তু তাৰ আত্মাইতো গুৰু ভালুকৰ লগত গৈ মিলিছে ।" জীৱদন্ত্রই এইবুলি কৈ পিচফালে ঘূৰিলে ।

ইয়াৰ পিছত দুয়ো পুখুৰীত গাধোলে । ওচৰতে থকা ফলৰ গছৰ পৰা ফল পাৰি আনি খালে । সূৰ্য্যাস্ত হোৱালৈ তেওঁলোকে তাতে বিশ্রাম ললে । তেওঁলোকৰ সন্দেহ হ'ল যে গৰ্ত গৃহৰ বাসিন্দাসকলে নিশ্চয় জানিব পাৰিছে তেওঁলোক ইয়াৰে কৰবাত আছে । তেওঁলোকে নিজৰ ভিতৰতে কথা হৈ সিদ্ধান্ত কৰিলে যে, যি কোনো পৰিস্থিতিতে ডকাইতৰ চৰ্দাৰ সমৰবাহুক বচাবই লাগিব ।

গোটেই অৰণ্যজুৰি অন্ধকাৰ নামি আহিল। জীৱদন্ত্র আৰু খৰ্গবৰ্মা গৰ্তগৃহৰ ফালে লাহে

খাবলৈ অহা চিহ্ন তেওঁলোকে দেখিবলৈ পাইছিল।

"খৰ্গ, অতি সোনকালে গাধুই আমি ইয়াৰ পৰা যোৱাই উচিত হব । ইয়ালৈ বন্য জন্তু, আৰু ভালুকৰ গৰাকীবোৰে পানী খাবলৈ আহে যেন অনুমান হৈছে ।" জীৱদন্ত্রই কলে ।

জীৱদন্ত্রৰ কথা কোৱা শেষ নহলেই, এনেতে কিছুমান বন কুকুৰা জাৰণিৰ মাজৰ পৰা চিঞৰি ওলাই অহা তেওঁলোকে দেখিবলৈ পালে । কুকুৰাবোৰ দেখিয়ে খৰ্গবৰ্মাই কলে, "বহুদিন বন কুকুৰাৰ মাংস খোৱা নাই ।" এইবুলি কৈ কুকুৰাৰ উদ্দেশে ধনুশৰ জুৰিলে ।

কিন্তু এটা কুকুৰাৰ গাতো শৰ নালাগিল । কুকুৰাবোৰ চিঞৰি উৰি গ'ল । কিন্তু অলপ পিছতে এজন মানুহৰ চিঞৰ শুনা গ'ল । সি চিঞৰি কৈছে "গুৰু ভালুক, মই মৰিলো ।"

লাহে আগবাঢ়ি গ'ল । অলপ পিছতে তেওঁলোক গৈ সেই ঠাই পালে । গৰ্তলৈ যোৱা জখলাৰ ওচৰত কোনো এজনো প্ৰহৰী নাছিল ।

"খৰ্গ, পৰিস্থিতিৰ বিষয়ে জানিব পাৰিছানে? ইহঁতে ভাবিছে যে খুব চিন্তা-চৰ্চা কৰিয়ে ইহঁতে আমাক বন্দী কৰিবলৈ আহিছে। কিন্তু সিহঁতে জনা নাই যে আমিও জানি বুজিয়ে সিহঁতৰ হাতৰ মুঠিলৈ অহাৰ নাটক কৰিছো । সমৰবাহুৰ কি হৈছে আমি সেইটোৱে জানিব বিচাৰিছো ।" গাঁতৰ জখলাৰে নামি গৈ খৰ্গবৰ্মাই কলে । দুয়ো জখলাৰে কেইটামান খোপ নামি গ'ল । তেতিয়া হঠাতে দহ বাৰজনমান লোকে যাঠী দেখুৱাই ধমক দি কলে, "ৰবা, পলোৱাৰ চেষ্টা কৰিলে দুয়োকে এই যাঠীৰে শালি থৈ দিম ।"

জীৱদন্তই সিহঁতক দেখি হাঁহি মাৰি কলে, "আমাক মাৰি পেলোৱাৰ আগতে তোমালোকৰ গুৰু ভালুকক দৰ্শন কৰিবলৈতো দিয়া ।"

সিহঁতৰ ভিতৰৰে এজনে কলে, "ইমান জোৰে কিয় কৈছা?" গুৰু ভালুকে তেওঁৰ ইষ্টদেৱী বৃকেশ্বৰীৰ পূজাত মগ্ন হৈ আছে । তোমালোকক্তো প্ৰথমতে কুকুৰনেচীয়াৰ মাজত এৰি দিয়া হব । তাৰপৰা ঘূৰি আহিব পাৰিলেহে গুৰুক দৰ্শন কৰিব পাৰিবা ।"

"ঠিক আছে ! প্ৰথমতে কোৱাচোন কুকুৰনেচীয়াৰ গৰাল কোন ফালে আছে ?" খৰ্গ আৰু জীৱদন্তই সুধিলে । "উত্ৰাবল নহবা । আমি তোমালোকক তালৈকে লৈ যাম ।" এইবুলি কৈ তেওঁলোকে দুয়োকে লৈ গৈ এটা সুৰঙ্গত প্ৰৱেশ কৰিলে । দূৰৰ পৰাই তেওঁলোকে কুকুৰনেচীয়াৰ চিঞৰ আৰু ভীতি বিহ্বল মানুহৰ হাহাকাৰ শুনিবলৈ পালে । সেই শব্দই সুৰঙ্গ পথত প্ৰতিধ্বনিত হৈ আছিল ।

"এই হাহাকাৰ সমৰবাহু আৰু তেওঁৰ অনুচৰৰে হব । কোনো কুকুৰনেচীয়া বাঘে তেওঁলোকক মাৰি খোৱাৰ চেষ্টা কৰা নাইতো?" জীৱদন্তই সুধিলে । খৰ্গবৰ্মাই ইয়াৰ উত্তৰ দিব খোজোতে এজন যাঠী লোৱা ভালুকৰ ছাল পিন্ধা মানুহে ধমক দি কলে "মনে মনে থাকা ! কথা নকবা ! অলপ সময়ৰ পিছতে বুজিব পাৰিবা এই কুকুৰনেচীয়াবোৰে কি কৰে ।"

(ক্ৰমশঃ)

তিনটি হাঁচি

মূঢ়মতি এজন খৰিকটীয়াৰ লৰা আছিল । পিতাকৰ মৃত্যুৰ পাছত খৰি কটাৰ ভাৰ তাৰ ওপৰত পৰিল । সি তাৰ গাধটোক লগতলৈ হাবিৰ মাজলৈ গ'ল আৰু এডাল গছৰ ওপৰলৈ উঠি গৈ সি বহি থকা ডালটো কাটিব ধৰিলে ।

সেই বাটেৰে গৈ থকা এজন পথিকে সেই দৃশ্য দেখি তাক কলে- "তুমি সেই ঠানিটো নাকাটিবা তলত পৰিবা !" মূঢ়মতিয়ে তেওঁৰ কথা আওকান কৰি ঠানিটো কাটিলে আৰুনিজে তলত পৰি গ'ল। মূঢ়মতিয়ে ভাবিলে তেওঁ নিশ্চয় কোনোবা জ্যোতিষি, সেয়ে হব লগা ঘটনাৰ বিষয়ে কৈছিল। সেয়ে সি দৌৰি তেওঁৰ কাষলৈ গল আৰু সুধিলে- "হে জ্যোতিষি, মোৰ মৃত্যু কেতিয়া কব পাৰিবানে?"

মানুহজনে ভাবিলে লৰাজন নিশ্চয় মূৰ্খ, সেয়েহে তেওঁ এইবুলি কৈ গুচি গ'ল- "যেতিয়া তোমাৰ গাধটোৱে তিনি বাৰ হাঁচিয়াব, তেতিয়া তুমি মৰিবা ।"

মূঢ়মতি গাধটোৰ লগত ঘৰলৈ আহি আছিল, বাটৰ কাষত জাবৰৰ দ'ম এটাত জুই জ্বলি আছিল । সেই জাবৰৰ ধোৱা নাকত সোমোৱাত গাধটোৰ হাঁচি উঠিল । মূঢ়মতিৰ ভয় লাগিল আৰু সি তাৰ পাগুৰিটো খুলি গাধৰ নাকত বান্ধি দিলে । উশাহ লোৱাত কষ্ট পোৱা বাবে গাধটোৱে আকৌ এবাৰ হাঁচি মাৰিলে । মূঢ়মতিয়ে খুব ভয় পালে, এইবাৰ সি গাধটোৰ নাকত শিল কিছুমান সুমুৱাই দিলে, ইয়াৰ ফলত গাধাটোৱে আৰু জোৰেৰে হাঁচি মাৰিলে । ভয়তে মূঢ়মতি অচেতন হৈ গ'ল । বাটেৰে গৈ থকা আন মানুহবোৰে মূঢ়মতিৰ ওচৰলৈ গৈ মুখত পানী চতিয়াই দিলে । চেতনা অহাৰ পাছত চকু মেলি সি সুধিলে- "মই স্বৰগত নে নৰকত ?" মূঢ়মতিৰ কথা শুনি ওচৰৰ মানুহবোৰে হাঁহিব ধৰিলে ।

উইল

জেৰুজালেম নগৰত এজন নামী ব্যৱসায়ী আছিল । তেওঁৰ এজন মাত্ৰ পুত্ৰ আছিল । ব্যৱসায়ীজনে দূৰৰ দেশলৈ গৈ ব্যৱসায় কৰিছিল । সেয়েহে তেওঁৰ লৰাই ঘৰতে থাকি পঢ়া-শুনা কৰিছিল । বেপাৰৰ কামত ব্যৱসায়ী জন অন্য দেশলৈ গলে লগত এজন চাকৰ ৰখীযা হিচাপে নিছিল ।

এবাৰ তেওঁ অন্য এখন দেশত থাকোতে হঠাতে বেমাৰত পৰিল । তেওঁৰ অসুখ ভাল হোৱাৰ কোনো লক্ষণে দেখা দিয়া নাছিল । ব্যৱসায়ীজনে তেওঁৰ মৃত্যু ওচৰ আহি পোৱা বুলি জানি পুতেকৰ কথা চিন্তা কৰিব ধৰিলে। সিটো এতিয়া বেছি ডাউৰ হোৱাই নাই । ব্যৱসায়ীজনে যদি নিজৰ সকলো সম্পত্তি তেওঁৰ একমাত্ৰ পুতেকৰ নামত লিখি দিয়ে তেতিয়া হয়তো চাকৰজনে সকলো সম্পত্তি আত্মসাৎ কৰি লৰাজনক বঞ্চিত কৰিব পাৰে। এনেকুৱা ঘটনা যাতে ঘটিব নাপায় সেয়ে উইল খন কেনেকে লিখা হব, সেই বিষয়ে চিন্তা কৰিব ধৰিলে । সেই বিষয়ে চিন্তা কৰি ব্যৱসায়ীজনে শেষত এটা উপায় উলিয়ালে।

ব্যৱসায়ীজনে তেওঁৰ উইলখন লিখিবৰ বাবে লেখক এজন আনিবলৈ চাকৰজনক চহৰলৈ পঠালে । পাকৈত উইল লেখক এজন আহি ব্যৱসায়ীজনে বিচৰা মতে উইল এখন লিখি দিলে । সেই উইল খনত সকলো সম্পত্তি চাকৰ জনৰ নামত লিখিছিল, আৰু শেষত এইটোও লিখা আছিল যে ব্যৱসায়ীৰ পুতেকে সেই সম্পত্তিৰ পৰা যি কোনো এটা বিচাৰিব পাৰিব । এয়া আছিল সেই উইলখনৰ সাৰাংশ ।

অসুখৰ কাৰণে ব্যৱসায়ীজনৰ সোনকালে মৃত্যু হ'ল । তেওঁৰ চাকৰজনে উইলখনলৈ জেৰুজালেম নগৰলৈ উভতি আহিল । উইল অনুসৰি চাকৰজনে সকলো সম্পত্তি অধিকাৰ কৰি ললে ।

নিজৰ দেউতাকৰ মৃত্যুৰ খবৰ পোৱাৰ পাছত ব্যৱসায়ীৰ পুতেকে সকলো সম্পত্তি তাক দিবলৈ চাকৰজনক কলে ।

ইহুদি লোককথা

চাকৰজনে সকলো সম্পত্তি এৰি দিবলৈ মান্তি নহল আৰু উইলখন লৰাজনক দেখুৱাই কলে-"এইখন তোমাৰ দেউতাৰাৰ উইল পত্ৰ, এইখনৰ জৰিয়তে তোমাৰ দেউতাৰাৰ সকলো সম্পত্তিৰ অধিকাৰী মই, অৱশ্যে তুমি ইয়াৰ পৰা যি কোনো এটা বস্তু লব পাৰা।"

লৰাজনে বাপেকৰ উইলখন দেখি আচৰিত হ'ল। সি কি কৰিব কোনো উপায় বিচাৰি নাপালে। শেষত সি তাৰ দেউতাকৰ বন্ধু এজনৰ ওচৰলৈ গ'ল আৰু তেওঁৰ পৰা পৰামৰ্শ বিচাৰিলে।

সেই মানুহজন বৰ মেধাৱী আৰু বুধিয়ক আছিল। তেওঁ লৰাজনৰ সকলো কথা মনোযোগেৰ শুনিলে আৰু বুজালে,-"বোপাই, তুমি চিন্তা নকৰিবা। ইয়াৰ পৰা তোমাৰ কোনো ক্ষতি নহয়। তোমাৰ দেউতাৰাই এনেকুৱা উইল লিখি থৈ তোমাৰ প্ৰতি উপকাৰহে কৰিছে। তুমি কালি আদালতলৈ আহিবা। চাকৰজনকো উইলসহ কালি আদালতলৈ আহিব কবা। তাত তুমি মই কোৱাৰ দৰে কৰিবা, দেখিবা জয় তোমাৰেই।"

পিছদিনা বেপাৰীৰ লৰা আৰু উইলসহ চাকৰজন আদালত আহি পালে। বিচাৰকৰ সন্মুখত উইলখন পঢ়ি শুনোৱা হ'ল।

বিচাৰকজনে বেপাৰীৰ পুতেকক সুধিলে-"তুমি উইল খনৰ কথাখিনি শুনিলানে? তুমি তোমাৰ দেউতাৰ সম্পত্তিৰ পৰা কি বিচৰা?"

এই প্ৰশ্নৰ উত্তৰ দেউতাকৰ বন্ধুজনে লৰাজনক আগতেই কৈ থৈ দিছিল। সেয়ে লৰাজনে চাকৰজনৰ ফালে দেখুৱাই কলে-"মোক এই চাকৰজন লাগে।" বিচাৰকে চাকৰজন বেপাৰী পুত্ৰৰ অধিন কৰাই দিলে। এইদৰে চাকৰজনৰ নামত লিখি দিয়া সকলো সম্পত্তি লৰাজনৰ হাতলৈ আহিল।



বেতাল কথা

পণ্ডিতৰ পৰিচয়

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল । গছৰ ডালৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌন হৈ শ্মশানৰ ফালে গৈ থাকিল । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তোমাৰ মনৰ ধৈৰ্য্যক মই প্ৰশংসা কৰো । বাৰে বাৰে তোমাক মই কষ্ট দি আছো, তুমি কষ্ট সহ্য কৰি গৈ আছা, তোমাৰ মৌনতা ভঙ্গ কৰাতো সফল হৈছো, তথাপিতো তুমি পিছহুহকি যোৱাৰ নামেই লোৱা নাই। এই ঘোৰ অন্ধকাৰ ৰাতি আৰু এই ভয়ানক শ্মশান, তুমি কোনোটোকে ভয় কৰা নাই । মই জানিব পৰা নাই তোমাৰনো লক্ষ্য কি, কাকনো সহায় কৰাৰ উদ্দেশ্যে ইমান কষ্টেৰে জীৱন



কটাইছা ? কেতিয়াবা-কেতিয়াবা তোমাৰ এই দুখলগা অৱস্থা দেখি মোৰ বৰ দয়া হয় । মই বুজিব পৰা নাই এই সকলোৰে আঁৰত কিনো এনে কাৰণ আছে যাৰ বাবে তুমি ইমান ত্যাগ কৰিছা ? তুমি নিজৰ গুৰু বা পণ্ডিতৰ কাৰণে ইমান শ্ৰম কৰা নাইতো? তেতিয়াহলেতো মই কবই লাগিব তোমাৰ লক্ষ্য পূৰণ নহব । তুমি নিৰাশ হবই লাগিব । এই গুৰু আৰু তথাকথিত পণ্ডিতসকল স্থিৰ চিত্তৰ নহয় । তেওঁলোকৰ ব্যৱহাৰ দক্ষতা মুঠেই নাই । তেওঁলোকৰ ভিতৰত আছে মাথোঁ স্বাৰ্থ আৰু অহঙ্কাৰ ভাব । তেওঁলোকৰ ওচৰলৈ যোৱা কোনোবা লোকৰ যদি সমান দক্ষতা আৰু প্ৰতিভা থাকে তেতিয়াহলে তেওঁলোকে তেওঁক ঈৰ্ষা কৰিবলৈ ধৰে । তেওঁৰ প্ৰতি শত্ৰু ভাব ৰাখে । তেওঁক বেয়া পথ দেখুৱাৰ চেষ্টা কৰে । এওঁলোকৰ এই হীন প্ৰবৃত্তিয়ে তেওঁৰ উন্নতিত বাধা দিয়ে । উদাহৰণ স্বৰূপে মই তোমাক জগন্নাথ পণ্ডিতৰ কাহিনী কম । তুমি পথৰ ভাগৰ দূৰ কৰিবলৈ এই কহিনী মনোযোগ দি শুনা ।" ইয়াৰ পিছত বেতালে জগন্নাথ পণ্ডিতৰ কাহিনী আৰম্ভ কৰিলে । বহুদিন আগৰ কথা। গোস্তনী নদীৰ পাৰত হৰিৎবন নামৰ এখন গাওঁ আছিল । গাওঁখনৰ নাম যেনে হৰিৎ গাঁৱৰ যিফালেই চোৱা যায় সেইফালেই সেউজীয়া । ফল, ফুল তথা গছগছনিৰে গাওঁখন ভৰপূৰ আছিল । খেতি বাতিও খুব ভাল হৈছিল । গাওঁবাসীৰ বাবে গোস্তনী নদী আছিল দেৱতাৰ সমান । শস্য চপোৱাৰ পিছত হৰিৎবন গাঁৱৰ ধনী দুখীয়া সকলো মানুহেই গোস্তনী নদীৰ পাৰত উৎসৱ পালন কৰিছিল।

এই হৰিৎবন গাৱঁতে জগন্নাথ নামৰ এজন বিখ্যাত পণ্ডিতে বাস কৰিছিল । ওচৰ-পাজৰৰ গাঁৱত ইমান ডাঙৰ পণ্ডিত আৰু কোনো নাছিল। তেওঁ কেৱল এজন পণ্ডিতে নাছিল, এজন ভাল কবিও আছিল । কিন্তু তেওঁৰ পাণ্ডিত্য আৰু কবিতা কেৱল তাৰ জমিদাৰ আৰু অতি কম সংখ্যক শিক্ষিত মানুহৰ মাজতে সীমাবদ্ধ আছিল। অশিক্ষিত সকলে ইয়াৰ দ্বাৰা কোনো লাভবান হোৱা নাছিল । তেওঁলোকে পণ্ডিতৰ পাণ্ডিত্যপূৰ্ণ কথা বুজাও নাছিল আৰু কবিতা শুনিও আনন্দ পোৱা নাছিল । জগন্নাথৰ দৃষ্টিত তেওঁলোক আছিল নিৰৰ্থক প্ৰাণী । সেয়েহে তেওঁলোকৰ প্ৰতি কোনো আদৰ ভাব নাছিল।

শ্ৰীধৰ আছিল জগন্নাথৰ একমাত্ৰ পুত্ৰ । তেওঁৰ স্বভাৱ পিতাকৰ স্বভাৱৰ সম্পূৰ্ণ ওলোটা আছিল । দুয়োৰে প্ৰবৃত্তিও ভিন্ন ভিন্নআছিল । শ্ৰীধৰ আছিল প্ৰকৃতিৰ সৌন্দৰ্য্যৰ পূজাৰী । ৰাতিপুৱা আৰু সন্ধিয়া তেওঁ পথাৰৰ মাজত ঘূৰি ফুৰি আনন্দ লাভ কৰিছিল । তেওঁ মন মোহিত

কৰিব পৰাকৈ কবিতা শুনাইছিল । তেওঁৰ কবিতাৰ ভাবো আছিল অতি সহজ সৰল । শ্ৰীধৰৰ কবিতা শুনিবলৈ পথাৰত কাম কৰা মজদুৰসকলেও একগোট হৈ তেওঁক অপেক্ষা কৰিছিল । কেতিয়াবা যদি তেওঁলোকে শ্ৰীধৰৰ কবিতাৰ ভাব বুজি পোৱা নাছিল, তেতিয়া শ্ৰীধৰে তেওঁলোকক অতি সুন্দৰ ভাবে বুজাই দিছিল ।

শ্ৰীধৰৰ এই ব্যৱহাৰ পিতাক জগন্নাথে সমূলি ভাল পোৱা নাছিল । তেওঁ পুতেকক কৈছিল, "কবিতাত যেনেদৰে ৰসৰ দৰকাৰ, তেনেদৰে ইয়াৰ শ্ৰোতাসকলো ৰসিক হব লাগে । এই অশিক্ষিত লোকসকল কবিতা শুনাৰে উপযুক্ত নহয়, ইহতক কবিতা শুনোৱা মানে সাক্ষাত সৰস্বতীক অপমান কৰা । তোমাৰ এই পাণ্ডিত্য মোৰ পচন্দ হোৱা নাই । গতিকে তুমি বৰ্ত্তমান পদ্ধতিটো পৰিবৰ্তন কৰাই ভাল হব বুলি মই ভাবো । নহলে তুমি কতোৱে স্থান নাপাবা । এইদৰে তেওঁ পুতেকক বহুবাৰ বুজালে আনকি ধমকো দিলে ।

এইদৰে দিনবোৰ গৈ আছিল । হৰিৎবন গাঁৱৰ পৰা দহ মাইল দূৰৰ গাওঁ এখনৰ পৰা শ্ৰীধৰৰ বিবাহৰ বাবে এটা প্ৰস্তাৱ আহিছিল । কইনাজনীৰ নাম হ'ল শাৰদা । নাৰায়ণ ভট্ট নামৰ এজন পণ্ডিতৰ তেওঁ আছিল একমাত্ৰ ছোৱালী। শাৰদাই পিতাকৰ ওচৰতে শিক্ষা-দীক্ষা গ্ৰহণ কৰিছিল ।

জগন্নাথ পণ্ডিতে পুতেকক লৈ কইনা চাবলৈ এদিন নাৰায়ণ ভট্টহঁতৰ গাওঁ মাধৱীপুৰলৈ গ'ল। জগন্নাথে ছোৱালী জনীক চাৰি পাঁচটামান প্ৰশ্ন সুধিলে, শাৰদাইও তাৰ যথাযথ উত্তৰ দিলে । এইদৰে শাৰদাই শহুৰেকে লোৱা পৰীক্ষাত উত্তীৰ্ণ হ'ল । শ্ৰীধৰৰো শাৰদাক ভাল লাগিল ।



তেওঁ ভাবিলে শাৰদা সকলোফালৰ পৰাই তেওঁৰ বাবে উপযুক্ত পত্নী হব । ইয়াৰ উপৰিও শাৰদা খুব ধুনীয়া ছোৱালী । অৱশেষত বিয়াৰ বনোদবস্ত পকা হৈ গ'ল ।

এমাহৰ ভিতৰতে শ্ৰীধৰ আৰু শাৰদাৰ বিয়া সম্পন্ন হ'ল । নতুন কইনা চাবলৈ অহা সকলো মানুহেই তেওঁৰ বিনয়ী ব্যৱহাৰ আৰু সৌন্দৰ্য্যৰ প্ৰশংসা কৰিলে । শ্ৰীধৰৰ ভাগ্যকো সকলোৱে বাহ বাহ দিলে ।

এইদৰেই দিনবোৰ গৈ আছিল । এদিন সন্ধিয়া জগন্নাথ যেতিয়া ঘৰৰ পৰা বাহিৰলৈ আহিল তেওঁ গোহালি ঘৰত বোৱাৰীয়েকৰ মাত শুনিবলৈ পালে । তেতিয়া তেওঁ সেইফালে গৈ চালে ।

সেই সময়ত তেওঁলোকৰ ঘৰত কাম কৰা ল'ৰা ৰতনে গাইজনী খীৰাই আছিল । গাইজনীৰ পৰা অলপ দূৰত থিয় হৈ শাৰদাই অতি ৰসাল

সুৰত এটা শ্লোক মাতি আছিল। ৰতনে শ্লোক শুনি আনন্দ মনে গাখীৰ খীৰাই আছিল।

শ্লোক মতা শেষ হোৱাৰ পিছত শাৰদাই ইয়াৰ ভাবাৰ্থ বুজাবলৈ ধৰিলে।

"ৰতন, গোকুলতো বালক কৃষ্ণৰ মাক যশোদাই এইদৰে এদিন গাখীৰ খীৰাই আছিল। তেতিয়া শিশু কৃষ্ণ মাকৰ ওচৰলৈ আহিল। পিছফালৰ পৰা আহি মাকৰ পিঠিত ভেজা দি হাত দুখনেৰে গলত সাবতি ধৰি মাকক কলে, "মা, আজি মোক গাখীৰ নিদিয়া নেকি?" তেতিয়া মাকে আদৰ কৰি কলে, "বাচা কানাই, এতিয়া নহয়, আন্ধাৰ হৈ যোৱাৰ পিছত গাখীৰ খাবা।"

"এই আন্ধাৰ কিয় হয় মা ?" শিশু কৃষ্ণই মাকক প্ৰশ্ন কৰিলে। তেতিয়া যশোদাই কলে "আন্ধাৰ হোৱাৰ পিছত আমি একো দেখা নাপাওঁ।" ৰতন, তুমি জানানে তেতিয়া বালক কৃষ্ণই কি কৰিলে ? নিজৰ চকুদুটা মুদি লৈ কলে, "আন্ধাৰতো হৈ গ'ল। মই একো দেখা পোৱা নাই। এতিয়া গাখীৰ দিয়া না মা।" অতি নম্ৰ ভাবে বালক কৃষ্ণই মাকক কলে।

শাৰদাই এইদৰে বালক কৃষ্ণৰ লীলা বৰ্ণনা কৰিলে। সাৱলীল ভাষাৰে, সুন্দৰ ভাবে কোৱা শাৰদাৰ বৰ্ণনা শুনি জগন্নাথ পণ্ডিত অবাক হৈ গ'ল। বোৱৰীয়েকৰ এই বৰ্ণনা শৈলী তেওঁৰ খুব ভাল লাগিল। ইয়াৰ পিছত তেওঁ ৰতনৰ ফালে চালে ' অনুমান হ'ল, সি যেন নিজকে যশোদা বুলিহে ভাবি আছে। তাৰ মুখমণ্ডলত কান্তি বিৰাজমান হৈ আছিল।

জগন্নাথ পণ্ডিতে খুব মনোযোগেৰে আকৌ এবাৰ বোৱাৰীয়েক শাৰদা আৰু ৰতনৰ ফালে চাই বাহিৰলৈ ওলাই গ'ল।

তাৰ পিছদিনা শ্ৰীধৰ আৰু শাৰদাই দেখিবলৈ পালে যে, জগন্নাথ পণ্ডিতে নিজেই কৃষ্ণলীলা তৰঙ্গিনীৰ এটা শ্লোক ৰতনক শুনাই আছে আৰু তাৰ ভাবাৰ্থও অতি সহজ ভাষাত ৰতনক বুজাই দিছে। অকস্মাতে জগন্নাথৰ মনলৈ অহা এই পৰিবৰ্তন দেখি দুয়ো আচৰিত হ'ল। তেওলোকে ইয়াৰ কাৰনো বুজি পোৱা নাছিল। কিন্তু পুতেক আৰু বোৱাৰীয়েকক দেখা পাই জগন্নাথৰ মুখমণ্ডলত যি এক শান্ত, নিৰ্মল ভাব ফুটি উঠিল, তাকে দেখি তেওঁলোক অতি আনন্দিত হ'ল।

বেতালে কাহিনী শেষ কৰি ৰজাক কলে, "ৰাজন, জগন্নাথ পণ্ডিতে কৈছিল যে ৰসিক শ্ৰোতা হে কবিতা শুনাৰ যোগ্য। তেওঁ ইয়াকো কৈছিল আশিক্ষিত লোকক কবিতা শুনোৱা মানে সৰস্বতীক অপমান কৰা। এই কথা লৈয়ে বাপেক পুতেকৰ মাজত তৰ্ক-বিতৰ্কও হৈছিল। জগন্নাথ পণ্ডিতে পুতেকক বহু বুজনিও দিছিল, ধমকো দিছিল। এনে কামৰ পৰা বিৰত কৰিবলৈ বহুতো

চেষ্টা কৰিছিল। কিন্তু তেওঁ যেতিয়া বোৱাৰীয়েকে কৃষ্ণলীলা তৰঙ্গিনীৰ শ্লোক ৰতনক বুজাই থকা শুনিছিল, তেতিয়া তেওঁ কিয় মনে মনে থাকিল? তেওঁ কিয় বোৱৰীয়েক শাৰদাক এনে কৰাৰ পৰা বিৰত নকৰিলে ? তেওঁ কিয় বোৱাৰীয়েকৰ ওপৰত অসন্তুষ্ট নহ'ল । ইয়াৰ মানে তেওঁ পুতেকৰ পাণ্ডিত্যক ঈৰ্ষা কৰিছিল, কাৰণ তেওঁও এজন বিদগ্ধ পণ্ডিত হৈ মানুহৰ মাজত লোকপ্ৰিয়তা বাঢ়ি গৈছিল। অৱশেষত পণ্ডিতে নিজেই কৃষ্ণলীলা তৰঙ্গিনীৰ শ্লোক চাকৰ ৰতনক শুনাবলৈ ধৰিলে । পণ্ডিতৰ এই ব্যৱহাৰ বাৰু আচৰিত লগা নাই নে ? মোৰ এই সন্দেহৰ কথা জানিও যদি তুমি মৌন হৈ থাকা তেতিয়াহলে তোমৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।"

তেতিয়া বিক্ৰমে কলে, "অত্যন্ত প্ৰতিভাশালী পণ্ডিতসকলৰ সাধাৰণতে এটা অহং ভাব থাকে, এইটো কোনো আশ্চৰ্য্যৰ কথা নহয় । যেতিয়ালৈ পুতেকৰ বিয়া হোৱা নাছিল, যেতিয়ালৈকে বোৱাৰীয়েক অহা নাছিল তেতিয়ালৈকে জগন্নাথ পণ্ডিতৰ সম্পৰ্ক জমিদাৰ আৰু শিক্ষিতলোকৰ মাজতে সীমিত আছিল । পণ্ডিত্য আৰু কবিতা শুনোৱাৰ ক্ষেত্ৰত সাধাৰণ মানুহৰ লগত তেওঁৰ সম্বন্ধ নাছিলেই । তেওঁৰ মনত সদায় এটা ভুল ধাৰণা আছিল যে অশিক্ষিত লোকক কবিতা শুনোৱাতো অমূলক কাৰ্য্য, ইয়াৰ দ্বাৰা সাহিত্যক হে কলঙ্কিত কৰা হয় । তেওঁ পুতেকক ঈৰ্ষা কৰে বুলি ভবাতো ভুল হব । এই ঈৰ্ষা ব্যক্তিগত নহয়, সাহিত্যৰ মূল্যাঙ্কনক লৈহে । কিন্তু তেওঁ যেতিয়া নিজৰ বোৱাৰীয়েকৰ মুখেৰে কৃষ্ণলীলা তৰঙ্গিনীৰ শ্লোক শুনিলে আৰু যেতিয়া দেখিলে এই শ্লোক শুনি চাকৰ ৰতনৰ মনত কিমান আনন্দ হৈছে, তেতিয়া প্ৰথমবাৰৰ বাবে তেওঁ নিজৰ ভুলৰ কথা অনুভৱ কৰিলে । তেওঁ বুজিব পাৰিলে সাধাৰণ মানুহৰ পৰা আঁতৰত থাকি তেওঁ কিমান ডাঙৰ ভুল কৰিছে । ইয়াৰ পৰা তেওঁ এইটোও বুজিব পাৰিলে যে সাধাৰণ মানুহৰো কবিতা শুনা বা বুজাৰ শক্তি আছে। তেওঁলোকেও কবিতা শুনি আনন্দ লাভ কৰিব পাৰে । এই সত্যটো বুজাৰ পিছত তেওঁ নিজেই ৰতনক শ্লোক মাতি শুনালে আৰু ইয়াৰ ভাবাৰ্থও বুজাই দিলে । এই কাম কৰি তেওঁ মনত আনন্দও লাভ কৰিলে ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতাল শটোৰে সৈতে নোহোৱা হৈ গ'ল আৰু গছৰ ডালত গৈ পুনৰ ওলমি থাকিল ।

(ললিত-শৰ্মীলাৰ ৰচনাৰ আধাৰত)



ভাৰতৰ উৎসৱ পাৰ্বণ

গণপতি বাপ্পা মোৰয়া

সকলোবোৰ হিন্দু মানুহেই কোনো এটা কাম আৰম্ভ কৰাৰ আগতে ইয়াৰ কৃতকাৰ্য্যতাৰ বাবে গণেশক পূজা কৰে ।

এই হাতীৰ মূৰ থকা, পেটুৱা ভগবান, গণেশৰ উৎসৱ এই বছৰ আগষ্ট মাহত হব । এই উৎসৱটোক কোৱা হয় গণেশ চতুৰ্থী । এই উৎসৱ গোটেই ভাৰততে পালন কৰা হয় যদিও মহাৰাষ্ট্ৰত ইয়াৰ উলহ মালহ বেচি ।

মহাৰাষ্ট্ৰত গণেশ মহোৎসৱ আৰম্ভ হয় ভাদ মাহৰ শুক্লা চতুৰ্থীত, সেই সময়ত ইংৰাজী মাহ হয় আগষ্ট-চেপ্তেম্বৰ । এই উৎসৱ দহ দিন ধৰি চলে আৰু অনন্ত চতুৰ্দশীৰ দিনাখন এই উৎসৱ শেষ হয় ।

মানুহৰ ঘৰে ঘৰে সৰু গণেশৰ মূৰ্ত্তিক পূজা কৰে । কিন্তু ৰাজহুৱা পূজাবোৰত ডাঙৰ ডাঙৰ গণেশৰ মূৰ্ত্তি নি ৰাজহুৱা ভাবে পূজা কৰে । কিছুমান মূৰ্ত্তি আঠৰ পৰা দহ মিটাৰ পৰ্যন্ত ওখ হয় ।

হায়দৰাবাদৰ খৈৰতাবাদত প্ৰতিস্থা কৰা গণেশৰ মূৰ্ত্তিটো ৩০ ফুটতকৈও বেচি ওখ ।

অনন্ত চতুৰ্দশীৰ দিনাখন, যিদিনা গণেশৰ মূৰ্ত্তি বিসৰ্জন দিয়া হয়, সেইদিনা মূৰ্ত্তিবোৰ ট্ৰাকৰ পিছফালে ৰংচঙীয়া লাইটেৰে সজ্জিত কৰি সমদল কৰি লৈ অহা হয় । মূৰ্ত্তিবোৰ ফুল, বাদাম, কাজুবাদাম, মুদ্ৰা আদিৰে সুন্দৰকৈ সজোৱা হয় ।

"গণপতি বাপ্পা মোৰয়া" জয়ধ্বনিটো আকাশে বতাহে প্ৰতিধ্বনিত হয় । মানুহবোৰে ভগবান গণেশৰ উদ্দেশ্যে বিভিন্ন গীত গাই নৃত্য কৰে । নৃত্য গীতৰ লগে লগে বিভিন্ন বাদ্য বজোৱা হয় । অৱশেষত মূৰ্ত্তিবোৰ মুম্বাইৰ সাগৰত বিসৰ্জন দিয়া হয়।

গণেশচতুৰ্থীৰ সময়ত মোদক নামৰ এক বিশেষ ধৰণৰ মিঠাই তৈয়াৰ কৰা হয় । এইবিধ মিঠাই ভগবান গণেশৰ অতি প্ৰিয় বুলি মানুহে বিশ্বাস কৰে । এইটো চাউল, নাৰিকল ৰোকা আৰু খেজুৰৰ গুড় মিহলাই ভাপত সিদ্ধকৰি বনোৱা হয় । এই মিঠাই বিধ সাধাৰণতে গণেশ চতুৰ্থীৰ প্ৰথম দিনাখন তৈয়াৰ কৰা হয়। মোদকৰ বাহিৰে অন্যান্য মিঠাইবোৰ হ'ল কৰাঞ্জিচ, লাড্ডু, ছকলিচ, কডবলিচ আৰু আনৰসচ। এই সুস্বাদু

খাদ্যবোৰ এই উৎসৱৰ সৈতে বিশেষ ভাবে জৰিত ।

গণেশ চতুৰ্থী উৎসৱ গোটেই ভাৰততে বিভিন্ন ধৰণে পালন কৰা হয় । উত্তৰ প্ৰদেশত সেইদিনা বিবাহিতা মহিলাবোৰ লঘোনে থাকে আৰু চন্দ্ৰ দৰ্শন কৰাৰ পিছতহে আহাৰ গ্ৰহণ কৰে । দক্ষিণ ভাৰততো উলহ মালহেৰে গণেশ চতুৰ্থী উৎসৱ পালন কৰা হয় । কৰ্ণাটকত এই উৎসৱ গৌৰী গণেশ হাব্বা বা গৌৰী গণেশৰ যুটীয়া উৎসৱ হিচাবে পালন কৰা হয় । তামিলনাডুত এই উৎসৱ মানুহৰ ঘৰে ঘৰে পৰম্পৰাগত হিচাবে পালন কৰা হয় । মানুহে গণেশৰ সৰু সৰু মাটিৰ মূৰ্ত্তি আৰু লগতে কাগজৰ সৰু ছাটি কিনি নিয়ে। লাড্ডু আৰু কোজাকট্টাইৰ দৰে মিঠাই ভগবানক অৰ্পণ কৰা হয় । আজি কালি মহাৰাষ্ট্ৰৰ নিচিনাকৈ ভাৰতৰ বিভিন্ন ঠাইত ৰাজহুৱা ভাবে গণেশ পূজা পাতে ।

কেতিয়াৰ পৰা গণেশক ৰাজহুৱা ভাবে পূজা কৰা হয়

সেইটো আছিল ১৮৯৪ চন । ভাৰতবৰ্ষ সেই সময়ত বৃটিচৰ অধীনত আছিল । ভাৰতবাসীৰ মনত কোনো উৎসাহ উদ্দীপনা নাছিল আৰু তেওঁলোকৰ ভৱিষ্যত সম্পৰ্কেও একেবাৰে অজ্ঞ আছিল । গোটেই দেশখনেই বিক্ষোভপূৰ্ণ হৈ উঠিছিল । তেতিয়া মহাৰাষ্ট্ৰৰ কংগ্ৰেছ নেতা বাল গঙ্গাধৰ তিলকে মহাৰাষ্ট্ৰবাসীক একগোট কৰাৰ উদ্দেশ্যে এক প্ৰচেষ্টা হাতত লৈছিল । তেওঁ গণেশ চতুৰ্থী উৎসৱ সামূহিক ভাবে পালন কৰিবলৈ লৈছিল আৰু আন্যান্য মানুহকো তাত ভাগ লোৱাৰ বাবে উৎসাহিত কৰিছিল । তেওঁ উৎসৱ পাৰ্বন আদিক মানুহক একত্ৰিত কৰাৰ আহিলা হিচাবে লৈ তাৰ দ্বাৰা তেওঁলোকৰ মাজত দেশাত্মবোধ জগাই তোলাৰ কথা ভাবিছিল । এই উৎসৱবোৰৰ এটা ভাগ আছিল দেশপ্ৰেম মূলক গীত আৰু দলীয় নৃত্য। মানুহৰ মনত দেশাত্মবোধ আৰু জাতীয়তাবোধ জগাই তুলিবলৈ লোকনাটক অভিনয় কৰা হৈছিল ।



● হাতীক পৰম্পৰাগত ভাবে জ্ঞানী জন্তু বুলি জনা যায় । সেয়েহে হাতীৰ শূৰ বিশিষ্ট গণেশক জ্ঞানৰ প্ৰতীক বুলি বিবেচনা কৰা হয়।

● ওঁম চিহ্নটোৰ আকাৰত থকা হাতীৰ মূৰটোৱে হ'ল একমাত্ৰ জন্তুৰ মূৰ ।

● ইমান ডাঙৰ আৰু গধুৰ হাতীৰ মূৰ থকা দেৱতা এজনৰ অকণমান এন্দুৰ এটা বাহন হোৱাতো আচৰিত হবলগা কথা নহয় নে ? গণেশৰ ছবিখনত দেখা যায় হাতীৰ মূৰ থকা মানুহৰ আকৃতি এটা আৰু এটা অকণমান এন্দুৰ, এইটোৱে ইয়াকে বুজাইছে যে ভগবানৰ সৃষ্টিত সৰু ডাঙৰ সকলো সমান।

মূৰৰ কাহিনী!

গণেশ দেৱতাৰ কেনেকৈ হাতীৰ মূৰ হ'ল তুমি জানানে ? এই বিষয়ে বহুতো আকৰ্ষণীয় পৌৰাণিক কাহিনী আছে ।

এটা কাহিনী মতে, যেতিয়া পাৰ্বতীৰ গৰ্ভত গণেশৰ জন্ম হৈছিল, পাৰ্বতীয়ে সকলো দেৱ-দেৱীকে তেওঁৰ সন্তানটো চাই আশীৰ্বাদ দিবলৈ আমন্ত্ৰণ জনাইছিল । তেতিয়া সকলো দেৱ-দেৱী আহি পাৰ্বতীক শুভেচ্ছা জনাই গণেশক আশীৰ্বাদ দি গৈছিল । অহা নাছিল মাথোঁ শনি। শনিয়ে গণেশক চাবলৈ অস্বীকাৰ কৰিছিল ।

এই কথা শুনি পাৰ্বতীৰ খুব খং উঠিছিল । তেতিয়া শনিয়ে বুজাই কৈছিল যে তেওঁৰ ওপৰত শাপ আছে, তেওঁ যি বস্তুৰ ফালে চাব সেয়েই চিঙি মাটিত পৰিব । কিন্তু পাৰ্বতীয় শনিৰ কোনো কথা নুশুনিলে । পাৰ্বতীয়ে কেচুৱাটোক আশীৰ্বাদ দিবলৈ শনিক অনুৰোধ কৰিলে ।

গণেশৰ বিষয়ে তোমালোকে কিমান জানা ?

প্ৰশ্নাৱলীৰ উত্তৰ দিবলৈ চেষ্টা কৰা ।

১. গণেশ দেৱতাৰ ভায়েক কোন?

২. কোনে গণেশক মহাভাৰতৰ শ্ৰুতলিপি দিছিল, কোনে লিখকৰ কাম কৰিছিল ?

৩. গণেশ চতুৰ্থী কেতিয়া পালন কৰা হয় ?

৪. গণেশৰ ভাল লগা মিঠাই কি ?

৫. গণেশ চতুৰ্থীৰ এঘাৰ দিনাখনৰ দিনটোক কি বুলি কোৱা হয় ?

৬. হাতীৰ মূৰটোক কোন চিহ্নৰ আকৃতি বুলি ধৰা হয় ?

৭. ভাৰতৰ মানুহক এক নতুন উপায়েৰে গণেশ চতুৰ্থী পালন কৰিবলৈ কোনে উৎসাহিত কৰিছিল ?

৮. গণেশৰ শূৰডাল ভঙাৰ বাবে কোন দায়ী আছিল ?

অতি দোধোৰ মোধোৰ অৱস্থাত পৰি শনিয়ে আহি কেচুৱাটোৰ ফালে এবাৰ চাইছিল । হঠাতে সেই দুৰ্ঘটনাটো ঘটিছিল । গণেশৰ মূৰটো ভাঙি টুকুৰা-টুকুৰ হৈছিল ! পাৰ্বতী খুব বিচলিত হৈ পৰিছিল আৰু যেতিয়া হাতীৰ মূৰ এটা আনি গণেশৰ মূৰত লগাই দিয়া হৈছিল আৰু তেওঁক সুগুণৰ অধিকাৰী হব বুলি কোৱা হৈছিল তেতিয়াহে পাৰ্বতী শান্ত হৈছিল ।

অন্য এটা পৌৰাণিক কাহিনী মতে দেৱী পাৰ্বতীয়ে মাটিৰে এটা ল'ৰাৰ মূৰ্ত্তি তৈয়াৰ কৰি সেইটোক জীৱন দান দিছিল । পাৰ্বতীয়ে ল'ৰাটোক পৰামৰ্শ দি কৈছিল যে তেওঁ যেতিয়া গাধুবলৈ যাব তেতিয়া যেন ঘৰত কাকো সোমাবলৈ নিদিয়ে । অলপ পিছতে শিৱ আহি ঘৰত সোমাব খোজাত গণেশে তেওঁক প্ৰশ্ন কৰিবলৈ ধৰিলে । এই কথাত শিৱ ক্ষুব্ধ হৈ ল'ৰাজনৰ মূৰটো ভাঙি টুকুৰা টুকুৰ কৰি দিলে । পাৰ্বতীয়ে যেতিয়া এই কথা জানিব পাৰিলে তেতিয়া তেওঁ আতি শোকবিহ্বল হৈ পৰিছিল । ইয়াৰ পিছত হাতীৰ মূৰ এটা ল'ৰাটোৰ ডিঙিত লগাই দিয়াত হে তেওঁ শান্ত হৈছিল ।

ৰঙৰ খেল

ইয়াতে এখন গণেশৰ আটকধুনীয়া ছবি আছে । এইখন ৰং কৰাৰ আৱশ্যক । তেতিয়াহলে কিয় ৰখি আছা ? সেইখন ৰং কৰিবলৈ চেষ্টা কৰা ।

আগৰ পৃষ্ঠাৰ প্ৰশ্নাৱলীৰ উত্তৰ :

তোমাৰ উত্তৰৰ সৈতে মিলাই চোৱা !

১. কাৰ্ত্তিক দেৱতা, তেওঁৰ বাহন হ'ল ময়ুৰ ।
২. মহৰ্ষি ব্যাস ।
৩. ভাদ মাহৰ (ইংৰাজী.আগষ্ট-চেপ্তেম্বৰ) শুক্লা চতুৰ্থীৰ দিনাখন।
৪. মোদক, নাৰিকল আৰু খেজুৰৰ গুড়ৰে তৈয়াৰ কৰা এবিধ মিঠাই ।
৫. অনন্ত চতুৰ্দশী ।
৬. 'ওঁম' চিহ্ন ।
৭. স্বাধীনতা সংগ্ৰামী বাল গঙ্গাধৰ তিলক ।
৮. পৰশুৰাম মুনি ।

মোল্লাৰ গল্প

সুখ

মোল্লা নাছিৰুদ্দিনে এদিন চহৰলৈ বুলি খোজকাঢ়ি গৈ আছিল । বাটতে তেওঁ এজন মানুহে গছৰতলত বিমৰ্ষভাবে বহি থকা দেখিছিল । মানুহজনক দেখিবলৈ ইমান দুখ লগা হৈছিল যে নাছিৰুদ্দিনে গৈ তেওঁক কি হৈছে সুধিলে । মানুহজনে এটা ডাঙৰ হুমুনিয়াহ কাঢ়ি কলে, "এই জীৱনৰ প্ৰতি আৰু কোনো মোহ নাই । মোৰ যথেষ্ট টকাপইচা আছে আৰু জীৱনত কোনো দিনে দুখতো পৰা নাই, কিন্তু এইবোৰ একোৱে মোক আনন্দ দিব পৰা নাই । মই বিৰক্তি আৰু নিৰুৎসাহ বোধ কৰিছো । সেয়েহে মই এই ভ্ৰমণ কৰিছো কৰবাত কিবা আনন্দ পাও নেকি, কিন্তু এতিয়ালৈ উৎসাহজনক একো দেখা নাই ।" এইবুলি কৈ মানুহজনে দুখমনে কপালে মূৰে হাত দি বহি থাকিল ।

হঠাতে মোল্লাই মানুহজনৰ কাষত থকা বেগটো টান মাৰি আনি সেইটো লৈ দৌৰি গুচি গ'ল । তেওঁ ইমান ক্ষিপ্ৰতাৰে ৰাস্তাৰে দৌৰি গৈছিল যেন হৰিণা পহুৱেহে দৌৰিছে । তেওঁ যিহেতু সেই অঞ্চলৰ ৰাস্তা-ঘাটৰ কথা ভালদৰে জানিছিল সেয়েহে চিধা ৰাস্তা ধৰি মানুহজনৰ পৰা বহুত দূৰৰ অন্য এটা ৰাস্তাত গৈ উঠিছিল। যেতিয়া তেওঁ অনুমান কৰিলে তেওঁ বহু দূৰ আহি পাইছে তেতিয়া তেওঁ ৰাস্তাৰ কাষত বেগটা থৈ অলপ দূৰত তেওঁ সেই নিৰুৎসাহী মানুহজনৰ বাবে অপেক্ষা কৰি বহি থাকিল।

অলপ পিছতে মানুহজনক খুব উদিগ্ন আৰু বিপদগ্ৰস্ত যেন দেখা গৈছিল । বেগটো হেৰুৱাই তেওঁ আগতকৈও বেচি বিচলিত হৈছিল । তাৰ পিছত তেওঁ ৰাস্তাৰ কাষত বেগটো পৰি থকা দেখিবলৈ পালে । বেগটোৰ একোবস্তু হৰণ ভগন নোহোৱাকৈ থকা দেখি তেওঁ আনন্দতে চিঞৰি উঠিল ।

"মানুহক মুখ আৰু আনন্দ দিয়াৰ এইটোও অন্য এটা উপায়," মোল্লাই হাঁহি এটা মাৰি কলে ।

ভাৰত কথা

এক মহান সভ্যতাত এভূমুকি ।
যুগে যুগে সত্যৰ বাবে এক গৌৰৱময় অনুসন্ধান

১৭. শিলৰ কাহিনী

"কণমানিহঁত তোমালোক কেনে ভাগ্যবান!" সন্দীপ আৰু চামেলীৰ ফালে চাই মাক জয়শ্ৰীয়ে কলে, "তোমালোকৰ বয়সলৈ আকৌ উভতি গৈ তোমালোকৰ ককাৰ গল্প শুনিবলৈ কিমান যে মই ইচ্ছা কৰো !"

যদি বছৰবোৰ আকৌ উভতি গৈ তুমি আকৌ শিশু হোৱা, তুমি ভাগ্যৱতী হব পাৰা, কিন্তু তোমাৰ সমান সুখী হবলৈ তেতিয়া সন্দীপ আৰু চামেলী নাথাকিব ।" সন্দীপে কলে।

ৰাতিৰ আহাৰৰ কাৰণে ৰান্ধনী ঘৰৰ পৰা খোৱাৰ টেবিললৈ খোৱা বস্তু আৰু প্লেটবোৰ কঢ়িয়াই আনি সিহঁতদুয়ো মাকক অলপ সহায় কৰি দিছিল । অধ্যাপক দেৱনাথো আহি ইতিমধ্যে খোৱাৰ টেবিলত আহি বহিছিল ।

"বাচা জয়শ্ৰী, যদি তুমি আমাৰ লগত খাবলৈ বহা, তেতিয়া তেওঁলোকক যি গল্প কওঁ তোমাকো কবলৈ পালে সুখী হম । কিন্তু তুমিতো সেইটো নকৰা । আমাৰ খোৱা শেষ হোৱাৰ পিছতহে তুমি খাবলৈ বহিবা ।" অধ্যাপকে অতি মৰমেৰে কলে ।

জয়শ্ৰীয়ে লাজতে ৰঙাপৰি গৈছিল । "পিতা, ঠিক আছে । অন্যদিনা চামেলীয়ে আপোনাৰ পৰা যি কাহিনী শুনে তাই নিজৰ দৰেকৈ মোৰ আগত কয় । আজি যিহেতু ইহঁতে খোৱাৰ টেবিললৈ বস্তুবোৰ অনাত

বিশ্বাবসু



সহায় কৰি দিছে, আজি মইয়ো একেলগে বহি লৈ মই মোৰ কিছুমান সন্দেহ দূৰ কৰিব পাৰিম।" এইবুলি কৈ তেওঁ চকী এখন টানি আনি বহি ললে ।

ধন্যবাদ মা । ককাই যাতে সোনকালে কাহিনী আৰম্ভ কৰিব পাৰে তাৰ বাবে খৰধৰ কৰিবা । সন্দীপে কলে ।

"মই সোধা প্ৰশ্নবোৰৰ আঁৰত কোনো কাহিনী নাথাকিলে তুমি অসন্তুষ্টও হ'ব পাৰা। মই জানিব বিচাৰো, শ্ৰীজগন্নাথ আৰু কন্যাকুমাৰী আদি বিখ্যাত মন্দিৰবোৰৰ আঁৰত যি কাহিনী আছে তাৰ বাস্তৱিক সত্যতা আছে জানো ।" জয়শ্ৰীয়ে কলে ।

"বাচা, প্ৰায়বোৰ কাহিনীৰ আঁৰতে একোটা বাস্তৱিক সত্যতা আছে, কিন্তু সাধাৰণতে কল্পনা আৰু লোকসংস্কৃতিৰ মাজত সেইবোৰ হেৰাই গৈছে । লোককাহিনীৰ কথাবোৰ চালিজাৰি চাই তাৰ বাস্তৱিক ভিত্তি বিচাৰি উলিয়াবলৈ কোনো গৱেষণাও হোৱা নাই । এই ক্ষেত্ৰত কিবা গৱেষণা হ'লেও কাল্পনিক হে হ'ব । পৰম্পৰাগত প্ৰথাৰে এইটো কৰিব পৰা নাযাব । এই কাহিনীবোৰৰ অন্তৰালত থকা সত্যতা উদ্ধাৰৰ বাবে কিবা গৱেষণা হ'লে তাৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰিব গৱেষকৰ দক্ষতাৰ ওপৰত ।"

"ককা, তুমি তাৰে কিবা উদাহৰণ দিব পাৰিবানে ? সন্দীপে কলে ।

আমাৰ দেশৰ পুৰণি শিৱ মন্দিৰবোৰৰ ভিতৰত এটা হ'ল বাৰানসীৰ কাশী শ্ৰীবিশ্বনাথ মন্দিৰ তুমি জনাৰ বাবে কলো, বাৰানসীখন পৃথিবীৰ ভিতৰত পুৰণি জীৱন্ত চহৰ বুলি কোৱা হয় ! উপাখ্যান মতে শিৱই এবাৰ বাৰানসীৰ ৰজা দিৱদাসৰ ওপৰত অসন্তুষ্ট হৈ চহৰ এৰি গুচি গ'ল । শিৱৰ বিশ্বাস আছিল তেওঁ যি ঠাই এৰি যায় সেই ঠাইখনৰ খুব দুৰৱস্থা হয় । কিন্তু তাত তেনে ধৰণৰ একো নহ'ল । ৰজাৰ ধৰ্মপৰায়নতাৰ বাবে মানুহবোৰে আগৰ দৰেই সুখেৰে জীৱন যাপন কৰিবলৈ ধৰিলে । বহুবছৰ পিছত এটা সময়ত ৰজাই অনুভৱ কৰিলে যে, নিজে বা প্ৰজাসকলে কেৱল এটা সুখী জীৱন যাপন কৰাটোৱে যথেষ্ট নহয় । তেওঁলোকে পাহৰি যোৱা উচিত নহ'ব যে জীৱনৰ শেষ লক্ষ্য হ'ল ভগবানৰ সৈতে একাত্ম হৈ যোৱা ! ৰজাই এই কথাটো

উপলধ্বি কৰাত ভগবান শিৱ আকৌ ঘূৰি আহিছিল ।

এইবুলি কৈ অধ্যাপক দেৱনাথ অলপ ৰল।

"এই কাহিনীটোত কিবা সত্যতা লুকাই আছেনে ?" চামেলীয়ে সুধিলে ।

"হয় আছে । কিছু দিনৰ বাবে বুদ্ধ ধৰ্মই বাৰানসীত প্ৰাধান্য লাভ কৰিছিল । শিৱভক্তিৰ ওপৰত মানুহৰ আনুগত্য কিছু দুৰ্বল হৈছিল । তুমি জানাই ভগবান প্ৰাপ্তিয়েই জীৱনৰ শেষ লক্ষ্য বুলি বুদ্ধধৰ্মই কোৱা নাই। মানুহবোৰে যেতিয়া তেওঁলোকৰ পুৰণি বিশ্বাসটো পুনৰুদ্ধাৰ কৰিছিল কাহিনী মতে তাকে শিৱ ঘূৰি অহা বুলি কোৱা হৈছিল । এইটোৱে হ'ল সত্যতা ।

"অ' সেইটোহে । সেইকাৰণে এই উপাখ্যানটোক অকল গল্প বুলিয়ে কব নোৱাৰি, ইয়াৰ ভিতৰত বুৰঞ্জীৰো সমল আছে ।" সন্দীপে কলে ।

"নিশ্চয় আছে । কিন্তু প্ৰথমতে তুমি উপাখ্যানটো জানিব লাগিব । ইতিহাসৰ বাহিৰেও ইয়াত অন্যান্য সমলো আছে, যেনে অতীত যুগৰ মানুহৰ সামাজিক, মনোবৈজ্ঞানিক অৱস্থা আদি ।তুমি শ্ৰীজগন্নাথৰ কাহিনীটো মনত কৰিব পাৰিছাই কিজানি । ব্ৰাহ্মণ বিদ্যাপতিয়ে জনজাতীয় ছোৱালী বিয়া কৰোৱা আৰু তেওঁলোকৰ সতি-সন্ততিসকলক ভগবানৰ পুৰোহিত হিচাপে গ্ৰহণ কৰাতো তাৎপৰ্য্যপূৰ্ণ কথা নহয় নে ? এইটো ঠিক যে হাজাৰ হাজাৰ বছৰ আগতে জাতি জনজাতি সকলৰ ওপৰত দৃষ্টিভংগিটো তাৰ পিছৰ সময়তকৈ অলপ বেলেগ আছিল !"

ইয়াৰ মাজতে জয়শ্ৰীয়ে শহুৰেক দেৱনাথক খোৱা কাৰ্য্যটো সোনকালে সমাপ্ত কৰিবলৈ কলে । সেইমতে দেৱনাথে খাই উঠি পুনৰ আৰম্ভ কৰিলে :

"আকৌ ধৰা মাদুৰাইৰ বিখ্যাত মীনাক্ষীৰ উপাখ্যানটোকে । আদিতে মধুৰপুৰী নামে জনজাত নগৰৰ মৎস নয়নী সুন্দৰী ৰাজকুমাৰীয়ে পিতাকৰ সিংহাসনত আৰোহন কৰিছিল । তেওঁ অতি সুন্দৰভাবে শাসন কাৰ্য্য চলাইছিল, কিন্তু চুবুৰীয়া ৰাজ্যৰ ৰাজকুমাৰ সকলে বিচাৰিছিল মীনাক্ষীয়ে কোনোবা এজন ৰাজকুমাৰক বিয়া কৰাই সেই ৰাজ্যৰ শাসন ভাৰ তেওঁৰ পতিক অৰ্পণ



কৰাতো । মীনাক্ষীয়ে তেওঁলোকৰ কথা অমান্য কৰাত তেওঁলোকে লগলাগি মধুপুৰী আক্ৰমণ কৰিলে । মীনাক্ষীয়ে তেওঁলোকৰ সম্মুখীন হৈ তেওঁলোকক পৰাস্ত কৰিলে । এই উপাখ্যানটোৱে ইয়াকে দেখুৱাইছে, সেই সময়তো পুৰুষৰ জাত্যাভিমান কিমান আছিল আৰু তাতকৈও তাৎপৰ্য্যপূৰ্ণ কথা হ'ল শেষত অন্যায়ৰ বিৰুদ্ধে সাহসৰে জয় হ'ল ।"

"কিয় ৰৈ গলা ককা ? কৈ যোৱা না ।" সন্দীপে অনুৰোধ কৰিলে ।

"ইমান দাবী নকৰিবাচোন সন্দীপ, তেখেতৰ ভাগৰ লাগিবও পাৰে ।" মাকে সন্দীপক সাৱধান কৰি দি কলে ।

অধ্যাপক দেৱনাথৰ কথাৰ আঁত হেৰাই গৈছিল । তেওঁ মাক পুতেকৰ কথাত সিমান মনোযোগ দিয়া নাছিল । তেওঁ পুনৰ সজাগ হৈ নিৰ্জনতা ভঙ্গ কৰি এটা হাঁহি মাৰি কবলৈ ধৰিলে ।

আমাৰ ইয়াত কিমান যে আখ্যান আছে। কিছুমান কাহিনী খুব দুখপূৰ্ণ ! উদাহৰণ স্বৰূপে কোনাৰকৰ বিখ্যাত সূৰ্য্য মন্দিৰৰ কাহিনীকে লোৱা । কলিঙ্গৰ ৰজা নৰসিংহ দেৱে এই অতুলনীয় মন্দিৰটো নিৰ্মাণৰ বাবে তেওঁৰ ৰাজ্যৰ বাৰ হাজাৰ স্থপতি, অভিযন্তা আৰু কাৰিকৰ নিয়োগ কৰিছিল । তেওঁলোকে একেৰাহে বাৰ বছৰ মন্দিৰ নিৰ্মানৰ ঠাইতে থাকি কাম কৰিছিল । এইটো নিৰ্মানৰ বাবে তেওঁলোকে দুহেজাৰ টন ওজনৰ পাথৰ পৰ্যন্ত দুশফট ওপৰলৈ তুলিছিল । কেনেকৈ তুলিছিল তাক নাজানো ।

মন্দিৰ নিৰ্মাণৰ কাম প্ৰায় শেষ হৈ আহিছিল, অৱশেষত চূড়াটো এক বিশেষ ভাবে বহুৱাব লাগে । যিহেতু কামটো সম্পূৰ্ণ হওতে বাৰ বছৰ সময় লাগিছিল সেয়েহে চূড়াটো বহুৱাৰ মূল আঁচনিটো পাহৰি গৈছিল বা হেৰাই গৈছিল । ৰজা তেতিয়া ক্ষুব্ধ হৈ উঠিছিল । তেওঁ মূখ্য স্থপতি, বিষ্ণু মহাৰানাক নিৰ্মাণকাৰ্য্যৰ কাষতে থকা তেওঁৰ শিবিৰলৈ মাতি নি আদেশ দিলে, যদি তুমি পিছদিনা সূৰ্যোদয়ৰ আগতে এই কাম সম্পূৰ্ণ কৰিব নোৱাৰা তেতিয়া কঠোৰ শাস্তি ভোগ কৰিব লাগিব ।

বিষ্ণুৱে যেতিয়া চিন্তামগ্ন এচটা শিলৰ ওপৰত বহি আছিল, এটা কমবয়সীয়া ল'ৰা লাহে লাহে তেওঁৰ ফালে আগবাঢ়ি অহা দেখিবলৈ পালে । বিষ্ণুৱে যেতিয়া ল'ৰাজন চিনিব পাৰিলে তেওঁৰ চকুৰে আনন্দৰ চকুলো বৈ আহিল । সেইজন আছিল তেওঁৰ নিজৰ পুত্ৰ, ধৰ্মপদ । তাক তেওঁ কেচুৱা অৱস্থাতে দূৰৰ গাঁৱত এৰি আহিছিল । পিতাকৰ কৃতিত্বপূৰ্ণ

কামৰ কথা শুনিব পাৰি ধৰ্মপদে পিতাকক লগ কৰিবলৈ আহিছিল।

ধৰ্মপদে তেওঁৰ পিতাক আৰু লগৰ কৰিকৰ সকলে সম্মুখীন হোৱা সংকটৰ বিষয়ে অতি সোনকালে জানিব পাৰিছিল। তেওঁ তেওঁলোকৰ ঘৰত থকা মন্দিৰ কাৰুকাৰ্য্য সম্পৰ্কে তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ তাল পাতৰ পুথিবোৰ অধ্যয়ণ কৰিছিল। তেতিয়া তাৰ সমাধানৰ কথা তেওঁৰ মনলৈ আহিছিল। সেই বালকে তেওঁৰ পিতাক আৰু কাৰিকৰ সকলক এই বিষয়ে পৰামৰ্শ দিছিল। যেতিয়া তেওঁলোকে জানিব পাৰিলে ধৰ্মপদৰ কথাই ঠিক তেতিয়া তেওঁলোকে তৎক্ষণাত তাক কাৰ্য্যকৰি কৰিলে। কিন্তু কি আচৰিত, সূৰ্য্য অস্ত যোৱাৰ আগতে তেওঁলোকে মন্দিৰৰ চূড়াৰ কাম সম্পূৰ্ণ কৰিছিল।

শিবিৰত থকা বাৰ হেজাৰ মানুহেই আনন্দত নাচি উঠিছিল। ৰজাই এতিয়া তেওঁলোকৰ কামৰ সলাগ লব আৰু তেওঁলোকে পুৰস্কাৰ লৈ ঘৰলৈ যাব পাৰিব। তেওঁলোকে ধৰ্মপদৰ চাৰিওফালে থিয় হৈ নাচিবলৈ ধৰিছিল।

কিন্তু অন্য এজন মানুহে সৰু মাতেৰে কোৱা এষাৰ কথা শুনা গৈছিল : যিটো কাম আমি বাৰ হেজাৰ কাৰিকৰে কৰিব নোৱাৰিলো সেই কামটো এজন অকণমণি ল'ৰাই কৰিলে ! এই কথাটো ৰজাই জানিব পাৰিলে আমাক ক্ষমা কৰিবনে ? ভৱিষ্যতে আমি হাঁহিয়াতৰ পাত্ৰ হব লাগিব !"

দুৰ্ভাগ্যবসত: ধৰ্মপদে এই কথাটো শুনিবলৈ পাইছিল। তেওঁ এজন অতি সংবেদনশীল ল'ৰা আছিল।

তেওঁ হয়তো ভাবিছিল তেওঁ যদি ইয়াৰ পৰা নোহোৱা হৈ যায় তেতিয়া কিনো হব ? তেতিয়া পিছৰ বংশধৰ সকলে তেওঁৰ বিষয়ে একো জানিব নোৱাৰিব আৰু মন্দিৰ নিৰ্মাণৰ সম্পূৰ্ণ কৃতিত্ব এই বাৰ হাজৰ কাৰিকৰে অৰ্জন কৰিব পাৰিব।

সেইদিনা আছিল পূৰ্ণিমাৰ ৰাতি। সাগৰৰ জোৱাৰৰ পানীয়ে মন্দিৰৰ চাৰিওফালে বুৰাই পেলাইছিল। ধৰ্মপদে মন্দিৰৰ চূড়াত উঠি অসীমৰ ফালে ৰ লাগি চাই থকা শেষ বাৰৰ বাবে দেখা গৈছিল। তাৰপিছত কোনেও আৰু তেওঁক কেতিয়াও দেখা নাছিল। তেওঁ এক ৰহস্য হৈয়ে থাকিল।

"আঃ, কি অন্তৰ পৰশা কাহিনী!" জয়শ্ৰীয়ে কৈছিল।

(ক্ৰমশঃ)

প্ৰখ্যাত ওডিচি নৃত্য

মূৰ্ত্তিসদৃশ ভঙ্গিমাৰে লাস্যময়ী নৃত্যটোৰে সংক্ষেপে হ'ল ওডিচি নৃত্য।

পুৰাতত্ত্ববিদসকলৰ মতে ওডিচি হ'ল ভাৰতৰ অতি প্ৰাচীন ক্লাচিকেল নৃত্যশৈলী। উৰিষ্যাৰ ৰাণীগুহাৰ দৰে বহুতো গুহাত, যিবোৰ খৃঃপূ ২০০ চনৰে পুৰণি সেইবোৰত ওডিচি নৃত্যৰতা শিল্পীৰ সুন্দৰ ভঙ্গিমাৰ চিত্ৰ দেখা যায়। ওডিচি নৃত্যৰ এই শিলত কটা চিত্ৰবোৰ ভৰত মুনিৰ নাট্যশাস্ত্ৰতকৈও পুৰণি বুলি কোৱা হয়।

পুৰণি উত্তৰ ভাৰতৰ মন্দিৰবোৰৰ আনুষ্ঠানিক নৃত্যবোৰত ওডিচি নৃত্যৰ উৎপত্তিৰ আভাস পোৱা যায়। এই নৃত্যশৈলী ৭০০ খৃষ্টাব্দৰ বিভিন্ন মন্দিৰৰ নৃত্যশিল্পীসকলৰ মাজত অতি জনপ্ৰিয় আছিল। উৰিষ্যাৰ কোনাৰকৰ সূৰ্য্য মন্দিৰত এই নৃত্যৰ সুন্দৰ ভঙ্গিমাৰ মূৰ্ত্তি দেখা যায়।

১৬শ শতিকাৰ প্ৰথম ভাগত ডেকা ল'ৰাসকলে ছোৱালীৰ নিচিনাকৈ পোচাক পিন্ধি মন্দিৰৰ চোতালত ওডিচি নৃত্য পৰিৱেশন কৰিছিল। এইটোক গতিপুৱা বা অখাদপিলা পদ্ধতি বুলি কোৱা হৈছিল। প্ৰায়বোৰ মন্দিৰতে নৃত্য পৰিৱেশন কৰাৰ বাবে নৃত্যৰ বিভিন্ন ভঙ্গীৰ মূৰ্ত্তি আৰু বাদ্যযন্ত্ৰেৰে সজোৱা একোটা নাটমন্দিৰ আছিল।

ওডিচি নৃত্যৰ প্ৰায়বোৰ প্ৰদৰ্শন কৌশলেই ১২০০শ শতিকাৰ কবি জয়দেৱৰ গীত গোবিন্দৰ ভিত্তিত আধাৰিত । গীত গোবিন্দৰ সুললিত গীতবোৰত ৰাধা কৃষ্ণৰ অমৰ প্ৰেমৰ কথাই বৰ্ণনা কৰা হৈছে আৰু সেইবোৰকে নৃত্যৰ ৰূপ দিয়া হৈছে ।

ওডিচিৰ এটা বিষয় হ'ল থালি নৃত্য । এই নৃত্যত নৃত্যশিল্পীয়ে এখন থাল ভৰিত লৈ নিপুন ভাবে পৰিচালনা কৰে । অতি পাকৈত নৃত্য শিল্পী সকলে কেতিয়াবা দুই হাতৰ তলিতো দুখন থাল লয় ।

ওডিচি নৃত্যশিল্পীসকলে স্থানীয় তাঁতশালত বোৱা উজ্বল ৰংচঙীয়া চিল্কৰ শাৰী পিন্ধে । তেওঁলোকে সোণ ৰূপৰ কাম কৰা গতানুগতিক উৰিয়া গহনা পিন্ধে ।

অন্যান্য ভাৰতীয় ক্লাচিকেল নৃত্যৰ দৰে ওডিচিৰো দুটা প্ৰধান ভাগ আছে : নৃত্য, য'ত নৃত্য শিল্পীয়ে শৰীৰ অঙ্গ সঞ্চালনৰ দ্বাৰা নৃত্যৰ সুন্দৰ ভঙ্গিমা দিয়ে; আৰু অভিনয়, য'ত শিল্পীয়ে হাতৰ মুদ্ৰা আৰু মুখ ভঙ্গিমাৰে এটা কাহিনী চিত্ৰিত কৰে ।

কোনাৰকত হোৱা বাৰ্ষিক নৃত্য উৎসৱত বিখ্যাত সূৰ্য্য মন্দিৰটো পটভূমি হিচাবে লৈ যি নৃত্য প্ৰদৰ্শন হয়, সুন্দৰ মন্দিৰ নৃত্যৰ ইও এক চাবলগীয়া আকৰ্ষণীয় অনুষ্ঠান ।

ৰসিক ব্যক্তি

সকলো ল'ৰা ছোৱালীয়েই জানে যে টেনালি ৰামা আছিল কৃষ্ণদেৱ ৰায়ৰ ৰাজসভাৰ অতি বুদ্ধিমান আৰু ৰসিক ব্যক্তি । যিকোনো টান কথাই হওক বা কামেই হওক তেওঁ কৌশল কৰি অতি বুদ্ধিদীপ্ত যুক্তিৰে তাৰ এটা উপায় উলিয়াইছিল ।

এদিন কৃষ্ণদেৱ ৰায়ে টেনালিৰ ওপৰত কিবা কথাত খং কৰি কলে, "তুমি ইয়াৰ পৰা গুচি যোৱা । মই তোমাৰ আৰু মুখ চাব নোখোজো।"





যিসকল সভাসদে টেনালিক দেখিব নোৱাৰিছিল তেওঁলোকে মনে মনে খুব ভাল পাইছিল । তেওঁলোকে প্ৰায় নিশ্চিত হৈছিল যে এইবাৰ তেও নিজকে ৰক্ষা কৰিব নোৱাৰিব। তেওঁলোকৰ মনত কৌতূহল হৈছিল এইবাৰ টেনালিয়ে কি কৰিব ।

কিন্তু টেনালি ৰামাই এই সৰু-সুৰা কথা লৈ বেচি চিন্তিত হোৱা নাছিল । পিছদিনা তেওঁ আগৰ দৰেই ৰাজসভালৈ যাত্ৰা কৰিলে । যাওঁতে বাটতে তেওঁ এটা পাত্ৰ কিনি ললে ।



অন্যান্য সভাসদসকলে টেনালিয়ে ৰাজসভাত প্ৰৱেশ কৰালৈ বাট চাই আছিল। তেওঁলোকে ভাবিছিল টেনালিৰ ওপৰত ৰজাৰ খং এতিয়াও মাৰ যোৱা নাই। ৰজাই হয়তো টেনালিক নগৰৰ পৰা বাহিৰ কৰি দিবও পাৰে।
টেনালিয়ে বাটত কিনি অনা পাত্ৰটোৰ ভিতৰত মূৰটো সোমাই দি, একোৱে যেন ঘটা নাই, এনে ভাবত ৰাজসভাৰ তেওঁৰ আসনত বহিল গৈ।
যিসকসে তেওঁক দেখিছিল ৰজাইনো তেওঁক কি কৰে তালৈকে ৰুদ্ধশ্বাসে অপেক্ষা কৰি আছিল। “মই তোমাক ইয়ালৈ আহিবলৈ হাক দিয়া নাছিলোনে? ৰজাই গৰজি উঠিল। “তুমি ইয়ালৈ আহিবলৈ কেনেকৈ সাহস পালা, তাতে এই অদ্ভুত পাত্ৰটো মূৰত লৈ। ইয়াৰদ্বাৰা তুমি কি বুজাব বিচাৰিছা।”
“মই অতি দুঃখিত মহাৰাজ,” পাত্ৰটোৰ ভিতৰৰ পৰা মাত দি টেনালি ৰামাই কলে। “মই আপোনাৰ মাথোঁ আদেশ পালন কৰিছো। যোৱাকালি আপুনি মোৰ মুখ আৰু নাচাও বুলি কোৱা নাছিল নে? সেয়েহে মই এইদৰে মুখ ঢাকি আহিছো।” এই কথা শুনি ৰজাই হাঁহিত বাগৰি পৰিল আৰু টেনালিৰামাইও ডাঙৰ সংকটৰ পৰা ৰক্ষা পৰিলা।

উত্তৰ প্ৰদেশৰ সাধুকথা

ভাৰতৰ ডাঙৰ ৰাজ্যবোৰৰ ভিতৰত উত্তৰ প্ৰদেশো এখন। ইয়াৰ মাটি কালি ২৩৬,২৮৬ বৰ্গ কিলোমিটাৰ । এই ৰাজ্যখন ২৪ আৰু ৩১ ডিগ্ৰী অক্ষাংশৰ মাজত আৰু ৭৭ আৰু ৮৪ ডিগ্ৰী দ্ৰাঘিমাংশৰ মাজত অৱস্থিত । বিশালতাৰ ফালৰ পৰা এই ৰাজ্যখন ফ্ৰান্সৰ আধা আৰু ইংলণ্ডতকৈ সামান্য ডাঙৰ হব। ভাৰতৰ ই এখন ঘনবসতিপূৰ্ণ ৰাজ্য । ইয়াৰ জনসংখ্যা ১৩.২১ কোটি ।

ভাৰতত এটা প্ৰবাদ আছে যে, স্থলভাগেৰে ভ্ৰমণ কৰিলে প্ৰতি ৫ কি:মি: দূৰত্বত মানুহৰ উপভাষাৰ পৰিবৰ্ত্তন হোৱা দেখা যায় । হিন্দী হ'ল সকলোৱে জনা ভাষা । উত্তৰ প্ৰদেশত কোৱা কেইটামান উপভাষা হ'ল-কৌৰৱী, হাৰিয়ানয়ী, ব্ৰিজ, কৌনজী, বুন্দেলী, খাৰিভোলি, ব্ৰিজভাষা, বাস্কা, অৱধি, ভোজপুৰী, গাৰৱালী, কুমায়নী ।

সৰবজান

সাবিত্ৰী আইতাই তেওঁৰ একমাত্ৰ ছোৱালী চামেলিক এজন খুব ভাল ল'ৰাৰ সৈতে বিয়া দিয়াৰ পিছত আইতাই ঠিক কৰিলে তেওঁ এতিয়া গাঁৱত এক শান্তিৰ জীৱন যাপন কৰিব । চামেলিৰ গিৰিয়েক ফটিকো এজন স্ফূৰ্তিবাজ মানুহ আছিল, সেয়েহে চামেলিও খুব সুখী হৈছিল । আইতাও এজনী শান্ত প্ৰকৃতিৰ মহিলা আছিল ।

এদিনাখন চামেলিয়ে গিৰিয়েকৰ সৈতে মাকৰ ঘৰলৈ আহিছিল । ওচৰৰ ঘৰৰ ল'ৰা এজনে আইতাৰ ওচৰলৈ দৌৰি আহি কলে, “আইতা, তোমাৰ জী-জোৱাই তোমাৰ ঘৰলৈ আহি আছে । মই তেওঁলোকক গাঁৱত সোমোৱা দেখিছো !” জীয়েক জোৱায়েক অহাৰ কথা



শুনি আইতাও আনন্দিত হ'ল ।

"শুনচোন বীৰেন, ফুল খুৰীৰ ঘৰৰ পৰা এঘটি গাখীৰ লৈ আহচোন, কবি যে মোৰ ঘৰলৈ আলহী আহিছে ।" এইবুলি কৈ সাবিত্ৰী আইতাই বীৰেনক ঘটি এটা দি পঠাইছিল । ইয়াৰ পিছত দুপৰীয়াৰ আহাৰৰ বাবে দালি-ভাত আৰু তৰকাৰী ৰান্ধি উঠি বাহিৰতে বহি বিচনিৰে বিচি অলপ জিৰণি লৈ আছিল । মৰমৰ জীয়েক জোৱায়েক আহিছে যেতিয়া আৰু কিবা ৰান্ধিব লাগিব, আইতাই ভাবিছিল ।

চামেলি আহি পোনে পোনে ঘৰৰ ভিতৰলৈ সোমাই গৈছিল, ফটিকে কিছুসময় বাহিৰতে আছিল । তেওঁ ঘৰৰ চালখন কিমান এঢলিয়া সেইটো চাই আছিল লগতে চালখন ধৰি ৰখা কাঠৰ চটিবোৰ লগোৱাত ভাল হোৱা বুলি প্ৰশংসা কৰিছিল । তেওঁ ঘৰটোৰ চাৰিওফালে ঘূৰি বেয়া নজৰৰ পৰা ৰক্ষা কৰিবলৈ ঘৰৰ বেৰত আঙুলিৰে ৰঙা আৰু বগা আঁক দিছিল । তাৰ পিছত তেওঁ পিছ চোতাললৈ গৈছিল ।

ৰান্ধনি ঘৰত কাৰোবাৰ কথা শুনি তেওঁ অলপ ৰৈ ভালদৰে শুনিছিল আৰু তাৰপিছত নিজে নিজে হাঁহি ঘৰৰ ভিতৰত প্ৰৱেশ কৰিছিল ।

আইতাই দুপৰীয়াৰ আহাৰ ৰান্ধি সাজু কৰিছিল । তেওঁ কাঁহৰ কাহী বাতি পৰিষ্কাৰ কৰি ধুই তাত দালি, ভাত, তৰকাৰী আৰু বাতিত মাখন থকা দৈ দিছিল, লগতে থালত কিছুমান ৰুটিও দিছিল । একোখন প্লেটত আলুৰ ভুজিয়া দি তেওঁলোকক ভাত খাবলৈ মাতিছিল ।

ফটিকে মন কৰিলে তেওঁৰ থালত পাঁচখন

জানিব লগা কথা

উত্তৰপ্ৰদেশৰ সমতল অঞ্চলৰ প্ৰধান কৃষিজাত শস্য হ'ল গোমধান, মাহজাতীয় শস্য, মটৰ মাহ, কুঁহিয়াৰ আৰু সৰিয়হ । স্বাভাৱিকতে মানুহে যি আহাৰ খাই স্থানীয় ভাবে তাৰ হে খেতি কৰে । গৰমৰ দিনত সাধাৰণতে ঘিউৰে দালি ৰন্ধা হয়, লাও, ভেন্দি আৰু টিণ্ডা আদি তৰকাৰী ৰান্ধি ভাত আৰু ৰুটিৰ লগত খায় । গাখীৰ গৰম কৰি মাটিৰ পাত্ৰত থৈ তাত গুড় দি খোৱা খাদ্য বিধ তাত খুব জনপ্ৰিয় । তাত খুব ভাল দৈও পোৱা যায় ।

শীতকালত, আলু, ফুলকবি, মূলা, সৰিয়হ শাক, পালং শাক, চয়াবীনৰ পাত আদি বতৰৰ শাকপাচলি তাৰ মানুহে খায় । শৰীৰ গৰম কৰি ৰাখিবলৈ মাকৈৰ আটাৰ ৰুটি খায় । কুঁহিয়াৰৰ ৰসেৰে তৈয়াৰ কৰা এবিধ মিঠাই, খীৰ তাৰ মানুহে খায় ।

উৎসৱৰ সময়ত বেচনৰ লাৰু, খোৱাৰ বৰফি আদি তৈয়াৰ কৰে । ফাকুৱাৰ উৎসৱত ভাং আৰু স্থানীয় মদ দি এবিধ বুন্দিয়াৰ লাৰু তৈয়াৰ কৰে । ৰঙৰ উৎসৱৰ খোৱা খাদ্যবোৰো ৰং বিৰঙৰ হয় । পুৰি আৰু পোলাও ৰঙিণ কৰি তৈয়াৰ কৰা হয় ।



ৰুটি আৰু পত্নী চামেলিৰ থালত চাৰিখন ৰুটি দিছে । "মা, তোমাৰ বাবে কিয় ৰুটি ৰখা নাই ?" তেওঁ সুধিলে । তেওঁ যেতিয়া পাছচোতালত আছিল তেওঁ টাৱাত এখন এখনকৈ নখন ৰুটি সেকাৰ শব্দ শুনিছিল ! আইতাই হাঁহি মাৰি কৈছিল, "অ' নহয়, ইয়াত আৰু বহুত ৰুটি আছে ।" এইবুলি কৈ আইতাই ৰুটি থোৱা কাঠৰ বাতিটো ঢাকি থলে ।

"নহয় মা, মোক কোনো কথা নুলুকুৱাবা, মই সৰবজান" তেওঁ ৰগৰ কৰি কলে ।

চামেলিয়ে আচৰিত হৈ গিৰিয়েকৰ ফালে চাই সুধিছিল, "তেতিয়াহলে মাই কিমান ৰুটি বনাইছিল ।" ফটিকে চকুদুটা মুদি মুখৰ ভিতৰতে বিৰবিৰাই থাকি কলে, "নখন !" চামেলিয়ে ৰুটি থোৱা কাঠৰ বাতিটো চালে, তাত এখনো ৰুটি নাই । সাবিত্ৰী আইতাই

পৰম্পৰগত শিল্প কলা

চিঙ্কৰ শাৰীৰ বাবে উত্তৰ প্ৰদেশ বিখ্যাত । প্ৰায়বোৰ চিঙ্কৰ শাৰী বাৰানসী আৰু মোবাৰকপুৰৰ তাঁতশালত বোৱা হয় । মোবাৰকপুৰ হ'ল উত্তৰ প্ৰদেশৰ বয়ন শিল্পৰ ৰাজধানী । শাৰীত কৰা জৰীৰ কামৰ বাবে ই বিখ্যাত আৰু ইয়াত অন্যান্য পোচাকো তৈয়াৰ কৰে ।

উৎসৱৰ সময়ত মহিলা সকলে মজিয়া আৰু বেৰত ৰঙীন 'ৰঙ্গোলী' আঁকে । ৰঙ্গোলীবোৰ স্বস্তিকা, পদুম আৰু অন্যান্য বিভিন্ন আৰ্হিত আঁকে । ফাকুৱাৰ সময়ত গুলাল অথবা অন্যান্য ফাকু গুৰিৰে এই আৰ্হিবোৰ বনায় । দেৱালীৰ সময়ত গোমধানৰ আটাৰে আৰু অন্যান্য উৎসৱত চাউলৰ গুড়িৰে এই ৰঙ্গোলী আঁকে ।

অলপ লাজত পৰি কলে, “হব দিয়া, মই ভাতকে খাম। তোমালোকেনো কিয় ৰুটি গণিব লগা হৈছে ? তাৰাতাৰি খোৱা ঠান্ডা হব।”

কেইঘন্টা মানৰ ভিতৰতে গোটেই গাঁৱতে কথাটো জনাজাত হৈ গৈছিল যে সাবিত্ৰী আইতাৰ জোৱায়েক সৰবজান। কিন্তু চামেলি খুব চিন্তিত হৈছিল।

পিছদিনা দুপৰীয়া খাই লৈ উঠাৰ পিছত সাবিত্ৰী আইতা আৰু জীয়েকে গোমধানৰ খেৰেৰে বিচনি বনাই আছিল। ফটিক শুই আছিল। এনেতে কালু ধুবি হেপাই ফেঁপাই আহি অলপ বৈ দীঘলকৈ উশাহটো লৈ কৈছিল, “আইতা, মোৰ গাধটো হেৰাইছে! আপুনি আপোনাৰ জোৱায়েকক বাৰু সুধিবনে মোৰ গাধটো ক’ত আছে কৈ দিবলৈ?



উৎসৱ

চ’ত মাহত, ইংৰাজী এপ্ৰিল মাহত, উত্তৰ প্ৰদেশৰ মানুহে দেৱী দুৰ্গাৰ উৎসৱ নৱৰাত্ৰি পালন কৰে। দেৱীক মাজনিশা পূজা কৰা হয় আৰু দেৱীৰ উদ্দেশ্যে বিশেষ ধৰণৰ খাদ্য ৰান্ধি দেৱীক অৰ্পণ কৰা হয়। এই পূজাক বাচিউৰা বুলি কোৱা হয়। কিছুমান সম্প্ৰদায়ৰ মানুহে সাত ধৰণৰ খাদ্য তৈয়াৰ কৰি সাত ধৰণৰ দেৱীক অৰ্পণ কৰে। প্ৰতিঘৰ মানুহৰ দুৱাৰমুখতে ৰঙ্গোলি অঁকা হয়।

আইতাই টোপনিৰ পৰা ফটিকক জগাই দি ধুবিৰ কথাটো সুধিছিল। ফটিকৰ চিন্তা লাগিছিল। গাধটো ক’ত আছে তেওঁ বাৰু কেনেকৈ জানিব ? তথাপি চকুদুটা মুদি লৈ গভীৰ ভাবে চিন্তা কৰিছিল। এনে শুকান গৰমৰ দিনত গাধটোনো কলৈ যাব পাৰে ? তেওঁ চকু মেলি কৈছিল “তোমাৰ গাধটো প্ৰাসাদৰ চোতালত ঘাঁহ খাই আছে, তোমাৰ গাধ কি যে ৰাজসিক !”

কালু ধুবিয়ে ৰজাৰ বাগিছালৈ গৈ তাতে গাধটো এডাল গছৰ ছাঁত থিয় হৈ ঘাঁহ পাগুলি থকা দেখিছিল ! বন জুইৰ দৰে ফটিকৰ যশ চাৰিওফালে বিয়পি গৈছিল।

সন্ধিয়া সময়ত ফটিকে যেতিয়া এগিলাচ গুড় দিয়া গাখীৰ খাই আছিল, সেই সময়ত সেই ৰাজ্যৰ সেনাপতি তেওঁৰ তালৈ আহিছিল। সেনাপতি ছেৰসিংৰ ঘোঁৰাটো হেৰাইছে ? গতিকে সেই বিষয়ে ফটিকৰ বাহিৰে কোনেনো বেচি জানিব ?

বিচাৰিছিল । তেওঁ ঘৈণীয়েকক কৈছিল, “অহা কালিয়ে আমি ইয়াৰ পৰা যাব লাগিব !” কিন্তু চামেলি আৰু কিছুদিন মাকৰ ঘৰত থাকিব বিচাৰিছিল।

পিছদিনা তেওঁলোক যাবলৈ সাজু হৈছিল। এনেতে ৰজাৰ দূতে আহি মাতিবলৈ ধৰিলে, “ফটিক ! আমাৰ ৰাণী আই কনকলতাৰ হাৰ এডাল হেৰাইছে । তুমিহে সেইডাল উলিয়াই দিব পাৰিবা ।”

দূতৰ কথা শুনি ফটিকৰ বুকুৰ ধপধপনি বাঢ়ি গৈছিল । এইবাৰ একেবাৰে ৰজাঘৰৰ আদেশ ! এইবাৰ খেলা খতম, তেওঁ নিজকে নিজে কলে । তেওঁৰ চকুৰ আগত ভাঁহি উঠিছিল জেলখানা খন ।

“ৰাণীয়ে ক’ত হাৰ ডাল এৰিছিল ?” ফটিকে দূতক সুধিছিল ।

“বিচনাৰ ওপৰতে; তেওঁ হাৰডালৰ লগতে আৰু দুপদমান গহনা থৈছিল, মাত্ৰ হাৰডাল হে হেৰাইছে ।”

এতিয়াহে নকল সৰবজান সঁচাকৈয়ে চিন্তিত হৈছিল । “হে ভগবান, এতিয়াহে মই ধৰা পৰিম,” এইবুলি নিজকে নিজে কৈ চিন্তা কৰিবলৈ ধৰিলে । সেই ভাগৰুৱা ভোকাতুৰ ঘোঁৰাটোনো কলৈ যাব পাৰে ?

তথাপি তেওঁ বেচি আশা নকৰি কৈছিল, “এটা পলাই যোৱা ঘোঁৰা যদি বিচাৰে, তাক পাব খেৰৰ পুজিৰ ওচৰত ।”

আচৰিত কথা যে ঘোঁৰাটো এটা খেৰৰ পুজিত খেৰ খাই থকা অৱস্থাত পাইছিল । সেনাপতিয়ে খুব আনন্দিত হৈ ফটিকক কিছুমান ৰূপৰ মুদ্ৰা উপহাৰ দিছিল ।

কিন্তু ফটিকে নিজে নিজে খুব ভয় খাইছিল। তেওঁ এজন ভন্ড সৰবজান বুলি ধৰা পৰাৰ আগতে তেওঁ গাওঁ এৰি যাব

তেতিয়াহলে সেই সময়ত ৰাণী নিশ্চয় শুইছিল, সৰবজানে ভাবিলে । ইয়াৰ পিছত তেওঁ বিৰবিৰাই কৈছিল : “ৰাণীৰ হাৰ ! কোনে চুৰি কৰিব ? নিদ্ৰাৰাণীয়ে দোষী হব।”

তেওঁ কব বিচাৰিছিল, ৰাণীৰ নিদ্ৰাই (টোপনি) ইয়াৰ বাবে দোষী । কিন্তু ৰজাৰ ঘৰত যে এজনী নিদ্ৰা নামৰ চাকৰণী আছে তেওঁ এই বিষয়ে নাজানিছিল । ৰজাৰ দূতে কিন্তু নিদ্ৰাক ভালদৰে জানিছিল । “হাঃ, মই জানিছিলোৱে নিদ্ৰাই চুৰি কৰিব !” দূতে নিজকে নিজে কোৱাদি কৈছিল । আঃ, ফটিক সৰবজান কিমান ভাগ্যবান ! শেষত ধৰা পৰি নিদ্ৰাই হাৰডাল উলিয়াই দিছিল ।

ফটিকে এইবাৰলৈ ৰক্ষা পৰিলো বুলি

ভাবি নিজৰ ঘৰলৈ যাত্ৰা কৰিছিল, কিন্তু এইবাৰ ৰজাই নিজে তেওঁক মাতি পঠাইছিল । ৰজাৰ ওচৰলৈ গৈ থকাৰ পথত ফটিকৰ বুকুখনৰ কঁপনিটো বেচি হৈছিল । ৰজা দুৰ্গবিজয় সিংহই ফটিকৰ ফালে ঘোপাকৈ চাই কৈছিল, “মই তোমাৰ বিষয়ে বহুতো কথা শুনিছো । কিন্তু মই নিজে নেদেখাকৈ বিশ্বাস কৰিব পৰা নাই। যদি তুমি মোৰ হাতৰ মুঠিত কি আছে কব পাৰা মই তোমাক মাটি সম্পত্তি দি পুৰস্কৃত কৰিম, আৰু যদি তুমি কব নোৱাৰা তোমাৰ মূৰ খুৰাই, মুখত ছাই সানি এটা গাধৰ ওপৰত বহুৱাই লৈ গোটেই ৰাজ্য তোমাক ঘূৰাই লৈ ফুৰাম।” এইবুলি কৈ ৰজাই হাতৰ মুঠিটো ফটিকৰ আগত দাঙি ধৰিছিল ।

ফটিকে ভাবিছিল, “আজি কেনেকৈ ৰক্ষা পৰো আৰু নাজানো ।”

“এক ভয়াতুৰ জীৱে আপোনাৰ হাতৰ মুঠিত ধৰফৰাই আছে।” ফটিকে ভয়তে ৰজাৰ আগত অস্পষ্ট-ভাবে কৈছিল। তেওঁ বুজাব খুজিছিল যে, তেওঁৰ জীৱটো ৰজাৰ হাতৰ মুঠিত আছে ।

কিন্তু কি আশ্চৰ্য্যৰ কথা, ৰজাই যেতিয়া হাতৰ মুঠিটো খুলি দিছিল, তেওঁৰ হাতৰ মুঠিত এটা জোনাকী পৰুৱাই ধৰফৰাই আছিল ! “সৰবজান তুমি ঠিকেকৈছা !” ৰজাই সৰবজানৰ শলাগ ললে । “মই এটা পৰুৱা হাতৰ মুঠিত ধৰিছিলো। আজিৰ পৰা মই তোমাক এখন জমিদাৰী দিলো ।”

ফটিকে শাহুয়েকৰ ঘৰৰ পৰা বহু দূৰত এখন জমিদাৰী বিচাৰিছিল যাতে তেওঁক সৰবজান বুলি কোনেও বিচাৰি নাহে ।

- অলকা ৰায়

ভ্ৰমণৰ ঠাই

উত্তৰ প্ৰদেশখন ধৰ্মীয় আৰু ঐতিহাসিক গুৰুত্ব থকা এখন ঠাই।

গঙ্গা আৰু যমুনা এই পৱিত্ৰ নদী দুখন ইয়াৰ মাজেৰে বৈ গৈছে । অযোধ্যা, বৃন্দাবন আৰু মথুৰা চহৰ কেইখন পৌৰাণিক কাহিনীৰ নায়ক ৰাম আৰু কৃষ্ণৰ সৈতে ওতপ্ৰোত ভাবে জৰিত । গঙ্গাৰ পাৰত অৱস্থিত বাৰানসী চহৰখন শিক্ষা আৰু তীৰ্থযাত্ৰীৰ বাবে বিখ্যাত । গৌতম বুদ্ধই বুদ্ধত্ব লাভ কৰা স্থান বোধগয়াও উত্তৰ প্ৰদেশতে অৱস্থিত ।

ছাহজাহানে তেওঁৰ পত্নী মমতাজৰ স্মৃতিৰ বাবে তৈয়াৰ কৰা পৃথিবীৰ নটা আচৰিত বস্তুৰ ভিতৰত অন্যতম, তাজমহল ইয়াৰে আগ্ৰাত আছে।

তুমি কেতিয়াবা নদীত ভূৰত উঠি পাইছানে ? হৃষিকেশৰ ওচৰত গঙ্গানদীত ভূৰ চলোৱাৰ ব্যৱস্থা আছে । থিয় গৰাৰ পৰা জঁাপ মাৰি বা কায়াকিং (kayaking) তোমাৰ কেনে লাগে ? এইবোৰ খেলে শৰীৰত এক বেলেগ শিহৰণ আনে । যদি সেউজীয়া প্ৰাকৃতিক পৰিবেশৰ মাজত কিছুসময় কটাব খোজা তেতিয়াহলে ক’ৰবেট জাতীয় উদ্যানলৈ যাবা ।

সংবাদ প্ৰবাহ

উইচডেনত এজন ৰাছিয়ানৰ নাম

আন বহুতো দেশৰ দৰে ৰাছিয়াতো ক্ৰিকেট খেলা নহয়, সেয়েহে ক্ৰিকেট খেলুৱৈৰ ভিতৰত কোনো ৰাছিয়ান খেলুৱৈও নাই । ইয়াৰ ভিতৰত ব্যাতিক্ৰম হ'ল এলেক্সি ক'ৰবকিন। চেন্ট পিটাৰ্চবাৰ্গৰ এই ১৭ বছৰীয়া স্কুলৰ ছাত্ৰজনে বৰ্ত্তমান ইংলণ্ডৰ কেন্টৰ ডোভাৰ কলেজৰ ছাত্ৰ । তেওঁ ২০০০ চনৰ শিক্ষাবৰ্ষৰ কলেজ টিমৰ এজন মুখ্য বলাৰ (৫৯ অভাৰত ১৩ উইকেট) । অলপতে কলেজ টিমে কেন্টৰ ক্লাব ইলেভেনৰ বিৰুদ্ধে খেলিছিল আৰু ক'ৰবকিনে ২৪ ৰাণ দি ৬ উইকেট লাভ কৰিছিল । ক্ৰিকেটৰ বাইবেল নামে খ্যাত উইচডেন এলমেনাকত বছৰৰ শ্ৰেষ্ঠ স্কুলৰ খেলুৱৈ হিচাবে তেওঁৰ নামটো অন্তৰ্ভূক্ত কৰা হয় । উইচডেনত এজন ৰাছিয়ানৰ নাম অন্তৰ্ভূক্ত কৰা এয়ে প্ৰথম । এলেক্সিৰ ইচ্ছা তেওঁ যেতিয়া কলেজ এৰি ঘৰলৈ উভতিব ক্ৰিকেট খেলটোও ৰাছিয়ালৈ লৈ যাব ।

মেস্কটত থকা নাম তিনিটা

অহা বাৰটা মাহত তিনিটা নাম ফুটবল প্ৰেমী সকলৰ মুখে মুখে হব । সেই তিনিটা নাম হ'ল ২০০২ চনৰ বিশ্বকাপ ফুটবলৰ (৩১ মেৰ পৰা ৩০ জুন) মেস্কটত থকা নিক, কাজ আৰু অটো। এই নাম কেইটা বিশ্বৰ ফুটবলপ্ৰেমী সমলৰ পৰামৰ্শ মতে লোৱা হৈছে । ফিফাই (Fifa) আগতে এই মেস্কটৰ চানেকিটোত অনুমোদন জনাইছে । দীপ্তিমান, শিংথকা এই তিনিজনক কোনোবা মহাকাশৰ পৰা অহা যাত্ৰী যেন দেখি । সেই তিনিটাৰ ৰং হব, হালধীয়া. নীলা আৰু বেঙুনীয়া ।

আতাইতকৈ ধনী ক্রিকেট খেলুৱৈ

তেওঁ এজন ইংৰাজ খেলুৱৈ নে ? নহয় । তেওঁ বাৰু অষ্ট্ৰেলিয়াৰ নেকি ? নহয় । ওৱেষ্ট ইন্ডিজ ? দক্ষিণ আফ্ৰিকা ? নহয়, নহয় । তেওঁ আমাৰ শচীন টেন্ডুলকাৰৰ বাহিৰে আন কোনো নহয় । তেওঁক যিয়ে ধনী কৰিছে সেয়া ক্রিকেটে নহয় । তেওঁ অলপতে ওৱাৰ্ল্ডটেলৰ লগত ১৯৯৫ ৰ পৰা এতিয়ালৈকে, এই সময়চোৱাৰ বাবে ৮০ কোটি টকাত নতুনকৈ চুক্তিবদ্ধ হৈছে । এই টকাৰ পৰিমানটো শ্বেন ওৱাৰ্ণ বা ব্ৰিয়ান লাৰাই অৰ্জন কৰা টকাতকৈ বহুত বেচি । ইয়াৰ আগৰ চুক্তি আছিল মাত্ৰ ২৪ কোটি টকা । শচীনে ঠান্ডা পানীয়ৰ পৰা ওৱেবচাইট্‌চৰ বিজ্ঞাপনত বহুবাৰ ওলাইছে । ওৱাৰ্ল্ডটেল-এ ভাৰতীয় ক্রিকেট তাৰকাজনক এই আকৰ্ষণীয় উপহাৰটো দি ক্রিকেট বিশ্বত শচীনৰ সন্মান আৰু বঢ়াইছে ।

পৰিয়ালৰ ভিতৰতে প্ৰতিযোগিতা

তুমি হকি খেলৰ নাইক নেল্লামাক্কড়া কাপৰ কথা শুনিছানে ? নাই শুনা যদিও শুনিবা, কাৰণ গিনিজ বুক অব ওৱৰ্ল্ড ৰেকৰ্ডচত ইয়াৰ নামটো সোমাইছে । এই অতুলনীয় খেল কৰ্ণাটকৰ

অনুষ্ঠিত হয় আৰু পৰিয়ালৰ ভিতৰৰ সদস্যাই এটা দলত থাকে । এই বছৰ হোৱা এই প্ৰতিযেগিতাই প্ৰায় ২২৬ টা পৰিয়ালক আকৰ্ষণ কৰিছে । ১৩ মেত হোৱা ফাইনাল খেলাখনত ছেপ্পুডিৰাব বিৰুদ্ধে কূৰ্টান্ডাই ৩-১ গলত জয় লাভ কৰিছে । এই বছৰৰ প্ৰতিযোগিত হাজাৰ গল হৈছিল । প্ৰতি যোগিতাৰ আতাইকেইদিনতে গিনিজ বুকৰ প্ৰতিনিধি উপস্থিত আছিল । তেওঁলোকৰ মতে বিশ্বত এনে ধৰণৰ এইখনেই প্ৰথম প্ৰতিযোগিতা ।

বিভিন্ন দেশৰ সাধুকথা
(স্কান্দিনেভিয়া)

হলৌচোলা পিন্ধা ছোৱালীজনী

এসময়ত ইউৰোপৰ উত্তৰ অঞ্চলৰ দেশমূহৰ এখন ঠাইত এজন ধনী মানুহে বাস কৰিছিল । তেওঁৰ বহুতো মাটি সম্পত্তি আৰু অত্তালিকা আছিল । তেওঁৰ তিনিজনী জীয়েক আছিল ।

এদিনাখন তেওঁ ডাঙৰ জীয়েকজনীক সুধিছিল, "তুমি মোক কিমান ভালপোৱা, মাজনী?"

"কিয় ? মই মোৰ জীৱনটো যিমান ভাল পাও তোমাকো সিমানে ভাল পাও ।" তাই উত্তৰ দিছিল ।

মানুহজনে জীয়েকৰ কথাত সন্তুষ্ট হৈ কৈছিল, "তুমি মোৰ মৰমৰ ছোৱালী ।"

ইয়াৰ পিছত মাজুজনী জীয়েকৰ ফালে চাই সুধিছিল, "তোমাৰ মতামত কি, মাজনী ? তুমি তোমাৰ দেউতাৰাক কিমান ভাল পোৱা ?"

'পৃথিবীত যিমান বস্তু আছে তাতকৈও বেচি ভাল পাও ।" তাই উত্তৰ দিছিল ।

এই উত্তৰ শুনি দেউতাকৰ আনন্দৰ কোনো সীমা নাছিল । ইয়াৰ পিছত আতাইতকৈ মৰমৰ সৰুজনী জীয়েকৰ ফালে চাই সুধিছিল, "তুমি কোৱাচোন মাজনী, তুমি তোমাৰ দেউতাৰাক কিমান ভালপোৱা?"

তেওঁৰ সৰু জীয়েকৰ উত্তৰৰ ওপৰত বিশ্বাস আছিল, কাৰণ তেওঁ জানিছিল সৰু জীয়েকে তেওঁক খুব ভাল পায় ।

তাই এইবুলি উত্তৰ দিছিল, "সতেজ মাংসই লোন যিমান ভাল পায় মইও তোমাক সিমান ভাল পাও ।"

সৰুজীয়েকৰ উত্তৰত তেওঁ সন্তুষ্ট হোৱা নাছিল । তেওঁক কৰা মৰমৰ লগত লোনক তুলনা

কৰাতো তেওঁ ভাল পোৱা নাছিল ।

তেওঁ উত্তেজিত হৈ চিঞৰি কৈছিল, “অ’ ইমান দিনে মই এডাল সাপ হে পুহিছো । তুমি মোক সমূলি ভাল নোপোৱা । তুমি মোৰ ঘৰত আৰু থাকিব নালাগে, তুমি এতিয়াই ইয়াৰ পৰা গুচি যোৱা, মই তোমাৰ আৰু মুখ চাব নোখোজো ।”

সেই দুৰ্ভগীয়া ছোৱালীজনীয়ে দেউতাকৰ ঘৰ ত্যাগ কৰি জীৱন নিৰ্বাহৰ উপায় বিচাৰি ঠাণ্ডাতে ওলাই গৈছিল । তাই খোজকাঢ়ি গৈ গৈ কুঁহিলা গজা জলাহ ভূমি এখনত উপস্থিত হৈছিল । তাই কুঁহিলাৰে এটা হলৌ চোলা তৈয়াৰ কৰি সেইটোৰে পিন্ধিথকা ভাল কাপোৰবোৰ নেদেখাকৈ লৈ কোনো মানুহৰ ঘৰ নোপোৱা পৰ্য্যন্ত খোজকাঢ়ি গৈ থাকিল । তাই এঘৰ মানুহৰ পিছফালৰ দুৱাৰত টুকুৰিয়াই সুধিছিল, “আপোনালোকক চাকৰণী লাগিব নেকি ?”

ৰান্ধনি এজনে দুৱাৰখন খুলি কলে, “নালাগে ।”

“মোৰ যাবলৈ কোনো ঠাই নাই । মই যিকোনো কাম কৰিবলৈ প্ৰস্তুত, তাৰবাবে মোক কোনো দৰমহা দিব নালাগে । মাথোঁ খোৱা আৰু থকাৰ ব্যৱস্থা কৰি দিলেই হল ।” তাই অনুনয়ৰ সুৰত কৈছিল ।

ৰান্ধনিজনীৰ তাইৰ ওপৰত দয়া ওপজি কলে, “তুমি যদি বাচন ধোৱা কাম কৰা তেতিয়াহলে থাকিব পাৰিবা ।”

বেচেৰি ছোৱালীজনীয়ে বাচন ধোৱা হৈ সেই মানুহ ঘৰৰ তাতে অন্যান্য চাকৰ-বাকৰ বোৰৰ সৈতে থাকিবলৈ লৈছিল । যিহেতু তাই কোনো নাম কোৱা নাছিল আৰু তাই পিন্ধি থকা হলৌচোলাটো এবাৰো খোলা নাছিল সেয়েহে তেওঁলোকে তাইক কুঁহিলাৰ হলৌচোলা পিন্ধা ছোৱালী বুলি মাতিছিল ।

এদিনাখন তাৰ ওচৰৰে এখন ঠাইত এক ডাঙৰ নৃত্যানুষ্ঠানৰ আয়োজন কৰা হৈছিল । সেই অনুষ্ঠান চোৱাৰ বাবে চাকৰবোৰক সেইদিনা ছুটি দিয়া হৈছিল । নৃত্যানুষ্ঠান চোৱাৰ সুযোগ পাই সিহঁত খুব উৎসাহিত হৈছিল । হলৌ চোলা পিন্ধা ছোৱালীজনীয়ে সিহঁতক এই বুলি কৈছিল যে, আজি তাই বহুতো ডাঙৰ ডাঙৰ বাচন ধুব লগা হৈছে, সেয়েহে তাইৰ খুব ভাগৰ লাগিছে, গতিকে তাই অনুষ্ঠান চাবলৈ নাযায় । কিন্তু যেতিয়া আতাইবোৰ চাকৰ চাকৰণী নৃত্য চাবলৈ ওলাই গৈছিল তাইও হলৌচোলাটো খুলি ভালদৰে পৰিষ্কাৰ হৈ তাইৰ ধুনীয়া কাপোৰযোৰ পিন্ধি নৃত্যৰ অনুষ্ঠানলৈ গৈছিল । সেই অনুষ্ঠানলৈ তাইৰ দৰে কোনেও ইমান ভালদৰে কাপোৰ পিন্ধি যোৱা নাছিল । তাইৰ নিচিনা কোনেও ইমান শুৱনি নাছিল ।

তাইৰ সৌন্দৰ্য্য দেখি তাইৰ গৰাকীৰ পুতেক তাই প্ৰেমত পৰিছিল আৰু তাইৰ লগত নৃত্য কৰিছিল । নৃত্য শেষ হোৱাৰ আগতে তাই তাৰ পৰা মনে মনে ওলাই আহি ঘৰলৈ গৈছিল । যেতিয়া অন্যান্য চাকৰবোৰ ঘৰলৈ আহিছিল তাই শুই থকাৰ ভাও ধৰিছিল । ৰাতিপুৱা তাই নৃত্যানুষ্ঠান কেনে হৈছিল বুলি সিহঁতক সুধিছিল ।

“অঃ ! তুমি এটা সুন্দৰ অনুষ্ঠান চোৱাৰ সুযোগ হেৰুৱালা ।” সিহঁতে কৈছিল । সেই অনুষ্ঠানলৈ এজনী খুব ধুনীয়া ছোৱালী আহিছিল । তেওঁৰ ধুনীয়া পোচাকবোৰেৰে তেওঁক ইমান

শুৱনি আৰু মৰমলগা হৈছিল যে আমাৰ মালিকৰ পুতেকে তেওঁৰ বাহিৰে আৰু কালৈকো চোৱা নাছিল ।

"মই তেওঁক চাব পৰাহেতেন ।" হলৌচোলা পিন্ধা ছোৱালীজনীয়ে কৈছিল ।

"আজি সন্ধিয়া আকৌ এটা নৃত্য অনুষ্ঠান হব । তেওঁ তালৈ আহিবওপাৰে । তেওঁ কোন আৰু কলৈ গ'ল এই বিষয়ে কোণেও নাজানিলে।" সিহঁতে কৈছিল ।

সেইদিনা সন্ধিয়াও হলৌচোলা পিন্ধা ছোৱালীজনীয়ে সিহঁতক মিছাকৈয়ে ভাগৰ লগা বুলি কৈছিল । কিন্তু সিহঁত যেতিয়া গুচি গৈছিল, তেতিয়া তাই হলৌচোলাটো খুলি থৈ ভালদৰে পৰিষ্কাৰ হৈ ধুনীয়া পোচাক পিন্ধি নৃত্যৰ অনুষ্ঠানলৈ গৈছিল । তাইৰ মালিকৰ পুতেকে তাইকে অপেক্ষা কৰি আছিল । তাই গৈ পোৱাৰ লগে লগে তাইৰ হাতত ধৰি নাচিবলৈ লৈছিল ।

নৃত্য শেষ হোৱাৰ ঠিক আগে আগে তাই আগ নিশাৰ দৰে মালিকৰ পুতেকৰ হাতৰ পৰা লাহেকৈ এৰা দি ঘৰলৈ গুচি আহিছিল আৰু হলৌচোলাটো পিন্ধি শুই আছিল ।

পিছদিনা ৰাতিপুৱা চাকৰবোৰে তাইক কৈছিল, "তুমি যোৱা ৰাতিৰ নৃত্যৰ অনুষ্ঠানত থাকিব লাগিছিল । সেই ধুনীয়া ছোৱালীজনী আকৌ আহিছিল । আমাৰ মালিকৰ পুতেকে তেওঁৰ হাতত ধৰি নাচিছিল ।"

তৃতীয় নিশাও সেই একেই ঘটনাকে ঘটিছিল । এইবাৰ এইটো আছিল শেষ নৃত্য । মালিকৰ পুতেকে তাইৰ নামটো আৰু তাই ক'ত থাকে জানিব বিচাৰিছিল । তাই তেওঁক একো নকৈ তেওঁৰ ফালে চাই মাথোঁ এটা মিঠা হাঁহি মাৰিছিল । তেতিয়া তেওঁ তাইক এটা আঙঠি দি কৈছিল, যদি তাইক আৰু দেখা নাপায় তেতিয়া তেওঁ মৰি যাব ।

ইয়াৰ পিছৰ গোটেই সপ্তাহটোৱে মালিকৰ পুতেকে তাইক বিচাৰিছিল, কিন্তু কতো নাপালে। কেনেও তাই অহা যোৱা কৰা দেখা নাছিল আৰু তাইৰ নামো নাজানিছিল । তাইক দেখা নাপাই মালিকৰ পুতেকৰ মনত খুব দুখ লাগিছিল আৰু বিচনাত পৰি আছিল গৈ ।

"আমাৰ ডেকা মালিকৰ বাবে অলপ সুস্বাদুকৈ পৰমান্ন তৈয়াৰ কৰা । তেওঁৰ অৱস্থা খুব দুখ লগা হৈছে ।" তেওঁলোকে ৰান্ধনিটোক কৈছিল ।

ৰান্ধনিজনী পৰমান্ন বনাবলৈ যাব খোজোতে হলৌচোলা পিন্ধা ছোৱালীজনী আহি কৈছিল, মই মোৰ আইতাৰ পৰা খুব ভাল পৰমান্ন বনোৱাৰ পদ্ধতি এটা শিকিছো । সেই খালে বেমাৰী মানুহো ভাল হয় ।"

প্ৰথমতে ৰান্ধনিজনীয়ে তাইক বনাব দিব খোজা নাছিল যদিও পিছত বনাব দিলে। তাই খুব সুন্দৰকৈ পৰমান্ন বনাই এটা পৰিস্কাৰ বাতিত ঢালি তাইৰ আঙঠিটো খুলি সেই বাতিত পেলাই দিছিল ।

ডেকা মালিকে পৰমান্ন খাই থাকোতে বাতিৰ তলিত নাচনি ছোৱালীজৱীক উপহাৰ দিয়া আঙঠিটো দেখা পাইছিল । তেওঁ তৎক্ষণাত ৰান্ধনিজনীক মাতিছিল।

"কোনে এই পৰমান্ন বনাইছিল?" তেওঁ সুধিছিল । ৰান্ধনিজনীয়ে কি হৈছে একো ধৰিব নোৱাৰি ভয় ভয় কৈছিল, "কিয় সৰু বাবু ? ময়ে বনাইছিলো ।"

"নাই, তুমি বনোৱা নাই ।" তেওঁ জোৰকৈ কৈছিল ।

"আচল কথাটো কোৱা । তোমাক একো নকৰো ।"

"আচলতে হলৌচোলা পিন্ধা ছোৱালীজনীয়ে এই পৰমান্ন বনাইছিল । মোক বেয়া নাপাব ।" ৰান্ধনিজনীয়ে কৈছিল ।

"তাইক ইয়ালৈ পঠাই দিয়া ।" ডেকা মালিকে কৈছিল । যেতিয়া তাই ডেকা মালিকৰ কোঠালৈ আহিছিল তেওঁ সুধিছিল, "তুমি এই আঙঠিটো ক'ত পালা ?"

তেওঁৰ পৰাই এইটো পাইছে বুলি তাই উত্তৰ দিছিল ।

"তুমি তেতিয়াহলে কোন ?" তেওঁ সুধিছিল।

"মই আপোনাক কম," এইবুলি তাই তাৰপৰা ওলাই গৈছিল । কিছু সময় পিছত তাই ধুনীয়া পোচাকযোৰ পিন্ধি তেওঁৰ আগত আহি ওলাইছিল । তেতিয়া ডেকা মালিকে তাই কোন বুজিব পাৰিছিল আৰু বিচনাৰ পৰা উঠি বহি কৈছিল যে তেওঁ তাইৰ বাহিৰে আন কাকো বিয়া নকৰায় ।

বিয়াৰ দিন ঠিক কৰি সেই বিয়ালৈ হলৌচোলা পিন্ধা ছোৱালীজনীৰ পিতাককো নিমন্ত্রন জনোৱা হৈছিল । এতিয়ালৈকে তাইনো কোন আৰু ঘৰ ক'ত এই বিষয়ে কাকো কোৱা নাছিল ।

বিয়াৰ আগে আগে তাই ৰান্ধনিঘৰলৈ গৈ ৰান্ধনিজনীক কৈছিল, "তুমি আজি লোন নিদিয়াকৈ মাংসৰ আঞ্জাখন ৰান্ধিবা ।"

"তেতিয়াহলে দেখো আঞ্জাখনৰ একো সোৱাদ নহব ।" ৰান্ধনিজনীয়ে কৈছিল ।

"সেই বিষয়ে একো নাভাবিবা, মই যি কৈছো তাকে কৰা ।" হলৌচোলা পিন্ধা ছোৱালীজনীয়ে কৈছিল ।

ঠিক সময়তে বিবাহ কাৰ্য্য সম্পন্ন হৈছিল । নিমন্ত্রিত আতিথিসকলে ভোজ খাবলৈ বহিছিল, কিন্তু ৰন্ধাবস্তুবোৰ সোৱাদ নলগা বাবে কোনেও খাব পৰা নাছিল । হলৌচোলা পিন্ধা ছোৱালীজনীয়ে ওৰণিৰ তলৰ পৰা পিতাকৰ ফালে চাই আছিল । তেওঁ এখনৰ পিছত আনখন আঞ্জা খাই চাইছিল, কিন্তু কোনো সোৱাদ নলগাত তেওঁৰ চকুপানী ওলাই আহিছিল ।

তেতিয়া মালিকৰ পুতেকে আহি সুধিছিল, "কি হৈছে ? আপোনাৰ মাংসৰ আঞ্জাখন বেয়া লাগিছে নেকি ?"

"আঃ ! কি কবা । মোৰ এজনী ছোৱালী আছিল । তাই মোক কিমান ভাল পায় এদিন মই তাইক সুধিছিলো । তেতিয়া তাই কৈছিল, তাত্কা মাংসই লোন যিমান ভাল পায় তাইও মোক সিমানে ভাল পায় । সেই সময়ত মই এই কথাটোৰ গুঢ়াৰ্থ বুজা নাছিলো আৰু মই তাইক ঘৰৰ পৰা বাহিৰ কৰি দিছিলো । দৰাচলতে তাই মোক খুব ভাল পাইছিল । এতিয়ামানে তাই কৰবাত মৰিছে চাগৈ ।" এইবুলি কৈ তাইৰ পিতাকে উচুপিবলৈ ধৰিলে ।

এনেতে হলৌচোলা পিন্ধা ছোৱালীজনীয়ে তাইৰ ওৰণিখন দলিয়াই দি পিতাকৰ সম্মুখত থিয় হৈ কৈছিল, "মই মৰা নাই পিতা, মই ইয়াতে আছো ।" এইবুলি কৈ তাই পিতাকক সাবতি ধৰিছিল ।

পিতাকে তাইক পাই সুখী হৈছিল আৰু তেওঁলোক আতায়ে সুখে সন্তোষে বাস কৰিছিল।

- উমা ৰমন

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

আজিৰ পৰা ৫৪ বছৰ আগতে ১৫ আগষ্টৰ দিনাখন ভাৰতে স্বাধীনতা লাভ কৰিছিল । প্ৰতি বছৰে সেই দিনটোৱে এশ বছৰ ধৰি চলা দেশৰ স্বাধীনতা যুঁজৰ কথা সোঁৱৰাই দিয়ে । এই মাহৰ প্ৰশ্নাৱলীত সেই সময়ৰ কিছুমান মূখ্য ঘটনাৰ কথা সোধা হব ।

১. ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ ভাৰতৰ কোনটো ৰেজিমেন্টৰ সৈন্যাই প্ৰথমতে বিদ্ৰোহ আৰম্ভ কৰিছিল ?

২. কোনে ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা কৰিছিল ?

৩. কংগ্ৰেছৰ প্ৰথম অধিবেশনত কোনে সভাপতিত্ব কৰিছিল ? ক'ত আৰু কেতিয়া ?

৪. আমেৰিকা যুক্তৰাষ্ট্ৰত কোনে গদ্দাৰ পাৰ্টি গঠণ কৰিছিল ?

৫. ছৌৰি ছৌৰাত কংগ্ৰেছে উলিওৱা প্ৰায় ৩,০০০ জন কৃষকৰ, সমদল এটাৰ ওপৰত পুলিচে গুলি চলোৱাৰ বাবে সমদলকাৰী সকলে তাৰ থানাখন পুৰি পেলাইছিল । এই ঘটনাটো কেতিয়া ঘটিছিল ? ছৌৰি ছৌৰা ক'ত ?

৬. কোন তাৰিখে জলিৱনৱালাবাগৰ হত্যাকান্ড ঘটিছিল ?

৭. যুৱকসকলৰ মাজত জাতীয়তাবাদ জগাই তুলিবলৈ ১৮৯৫ চনত কোনে শিৱাজী উৎসৱ আৰম্ভ কৰিছিল ।

৮. "মোৰ দেশ আৰু মোৰ জনগণক সেৱা কৰিবলৈ" গান্ধীজীয়ে কোন চনত দক্ষিণ আফ্ৰিকাৰ পৰা ঘূৰি আহিছিল ?

৯. কোন আন্দোলনকাৰীয়ে ১৯১৫ চনত বালাচৰত পুলিচৰ সৈতে যুদ্ধ কৰি নিজৰ জীৱন উচৰ্গা কৰিছিল ?

১০. বৃটিচ শাসনকৰ্তা আৰু ভাৰতীয় নেতাসকলৰ মাজত লণ্ডনত তিনিবাৰ ঘূৰণীয়া মেজ মেল বহিছিল । দুজন ভাৰতীয় নেতাই সেই তিনিওখন মেজমেলতে অংশ গ্ৰহণ কৰিছিল । সেই নেতা দুজন কোন ?

১১. "ইন্‌কিলাব জিন্দাবাদ" শ্লোগানটো কোনে দিছিল ।

১২. ক'ত আৰু কেতিয়া ইণ্ডিয়ান নেচনেল আৰ্মি গঠন হৈছিল ?

(উত্তৰ অহা সংখ্যাত)

জুলাই সংখ্যাৰ প্ৰশ্নৱলীৰ উত্তৰ

১. গঙ্গা	৯. ১৭৭৮, বাণীগঞ্জ
২. ঝিলাম	১০. চতুৰ্থ
৩. কে ২	১১. মাইকা
৪. কাঞ্চনজঙ্ঘা	১২. দিল্লী
৫. শতকৰা ৩৩	১৩. ৰাজস্থান
৬. হাৰিয়ানা	১৪. মহানদী
৭. ১৮৭৩	১৫. ১৮৭১ চনত
৮. গুজৰাটত; এখন চৰাইৰ অভয়াৰণ্য	

৬৫. যদু বংশ ধ্বংস

মহাভাৰত

তাৰ পিছদিনাই সাম্বৰ গৰ্ভত এটা মুদ্গাৰ জন্ম হ'ল । এই কথা শুনি কৃষ্ণই যাদৱসকলক উপদেশ দিলে যে মুদ্গাৰটো ঘঁহি ঘঁহি ক্ষয় কৰি সমুদ্ৰত পেলাই দিব লাগে । নহলে ইয়াৰ পৰা যদুবংশৰ ক্ষতি হবও পাৰে । তেওঁ এইবুলিও সকীয়াই দিলে যে, এই কাম কৰোতে তেওঁলোক যেন খুব সাৱধান হয় ।

বৃষ্ণি আৰু অন্ধক বংশীয় লোকসকল অত্যন্ত সজাগ হৈ থাকিল । তথাপিতো বাৰে বাৰে নানা ধৰণৰ অমঙ্গলে দেখা দিবলৈ ধৰিলে । চাৰিওফালে অৰাজকতাই দেখা দিলে । যাদৱসকলৰ কোনেও কাকো নমনা হ'ল । ডাঙৰৰ প্ৰতি সন্মানৰ ভাব নোহোৱা হ'ল । পতি-পত্নী পৰসপেৰে পৰস্পৰে নিন্দা কৰিবলৈ ধৰিলে । খোৱা বস্তুত পোক দেখা দিবলৈ ধৰিলে। এনে ধৰণৰ অমঙ্গল কুৰুক্ষেত্ৰ যুদ্ধৰ আগতেওঁ দেখা গৈছিল আৰু অমঙ্গলৰ চিহ্নবোৰে ধ্বংসৰ সূচনাই দিছিল । এই কথা স্মৰণ কৰি কৃষ্ণই সকলোবোৰ যাদৱকে সাগৰৰ পাৰৰ ফালে তীৰ্থযাত্ৰালৈ লৈ যোৱাৰ সঙ্কল্প কৰিলে ।

তীৰ্থ যাত্ৰাৰ বাবে সকলো ব্যৱস্থা কৰা হ'ল। হাতী, ঘোঁৰা আৰু ৰথত উঠি যাদৱসকল সাগৰৰ পাৰত গৈ উপস্থিত হ'ল । তাত গৈ



সকলোৱে নিজৰ নিজৰ থকাৰ ব্যৱস্থাও কৰি ললে । তাৰ অলপ দূৰতে প্ৰভাস তীৰ্থ আছিল ।

শ্ৰীকৃষ্ণ প্ৰিয় সখা বৃষ্ণি বংশীয় উদ্ধৱে যাদৱ বীৰসকলক সাগৰৰ পাৰলৈ লৈ গ'ল । তাত গৈ চেওঁলোকে চিঞৰ-বাখৰ, কোলাহল কৰি মনৰ আনন্দতে মদিৰা পান কৰিবলৈ ধৰিলে । সেই হাঁহি আনন্দত কৃষ্ণ আৰু বলোৰামেও যোগ দিলে । সকলোৱে মতলীয়া হৈ গ'ল ।

মদিৰাৰ নিচা হোৱা যুযুধানে কৃতবৰ্মাক কলে-"তুমি শুই থকা পান্ডৱ পুত্ৰসকলক অন্যায় কৰি বধ কৰিছা, কিন্তু কোনো যাদৱ বংশীয় লোকে এনে অধৰ্ম কাম কেতিয়াও নকৰে ।" এই লৈ দুয়োৰে মাজত তৰ্কাতৰ্কি বাঢ়ি গ'ল । অন্য যাদৱ সকলেও তাত যোগ দিলে তেওঁলোকে পৰস্পৰে পৰস্পৰৰ গাত পান পাত্ৰ দলিয়াবলৈ ধৰিলে । এইদৰে একে বংশৰ লোকৰ ভিতৰতে অকাৰণতে বিবাদ আৰম্ভ হ'ল । চাওতে চাওতে প্ৰদ্যুম্নই ভোজ বংশৰ লোকৰ ওপৰত জপিয়াই পৰিল । ভোজ বংশৰ লোকে সাত্যকী আৰু প্ৰদ্যুম্নক আক্ৰমণ কৰি বধ কৰিলে । এই কথাত কৃষ্ণৰ খুব খং উঠিল । তেওঁ সমুদ্ৰৰ পাৰত গজি থকা মাদুৰ ঘাঁহ উভালি লৈ বহুতকে বধ কৰিলে । আশ্চৰ্য্যৰ কথা, এই ঘাঁহবোৰ মুগ্দৰ ঘঁহি ক্ষয় কৰোতে তাৰ গুড়িবোৰৰ পৰাই জন্ম হৈছিল ।

সকলোৱে সেই মাদুৰ বনবোৰ উভালি ইজনে সিজনক কোবাবলৈ ধৰিলে । মদিৰাৰ নিচা আৰু খঙতে পাগলৰ দৰে হৈ উধাই-মুধাই ইজনে সিজনক মাৰিবলৈ ধৰিলে । এইদৰে পিতাকে পুতেকক আৰু পুতেকে পিতাকক বধ কৰিলে ।

নিজৰ পুত্ৰ তথা নাতিসকলক এইদৰে বধ কৰা দেখি কৃষ্ণই অতি ক্ৰোধিত হৈ জীয়াই থকা বাকী লোক সকলকো মাৰি পেলালে । তেতিয়া কৃষ্ণৰ সাৰথী দাৰুক আৰু বভ্ৰু নামৰ লোক এজনে কৃষ্ণৰ আগত কলে, "ভগবান, এই যুদ্ধত সকলো লোকৰে মৃত্যু হ'ল । আমি বলৰামৰ

কোনো খবৰ পোৱা নাই । সেয়েহে আমি বলৰামক বিচাৰি যাওঁ বলক !”

তেওঁলোক তিনিওজনে বলৰামক বিচাৰি গ'ল, শেষত তেওঁলোকে বলৰামক এডাল গছৰ তলত দেখা পালে । তেতিয়া কৃষ্ণই দাৰুকক কলে-“তুমি অতি সোনকালে হস্তিনাপুৰলৈ যোৱা আৰু পান্ডৱসকলক কৱা যে মুনিৰ শাপৰ কাৰণে যাদৱসকলৰ মৃত্যু হৈছে । এই খবৰ পোৱা মাত্ৰকে অৰ্জুন নিশ্চয় দৌৰা-দৌৰি কৰি আহিব ।”

কৃষ্ণৰ আদেশ মতে দাৰুকে ৰথত উঠি হস্তিনাপুৰলৈ গ'ল । কৃষ্ণই তেতিয়া বভ্ৰুক কলে-“তুমি নাৰীসকলক ৰক্ষা কৰা । গহনা, অলঙ্কাৰ আদিৰ লোভত পৰি চোৰে তেওঁলোকক অপহৰণ কৰিব পাৰে ।”

কিন্তু এইদৰে কথা কৈ থাকোতে কৃষ্ণৰ চকুৰ আগতে কৰবাৰ পৰা এপাত বাণ আহি বভ্ৰুৰ গাত লগাত তাতেই তেওঁৰ মৃত্যু হ'ল । তেতিয়া কৃষ্ণই বলৰামক কলে, “ময়েই সকলোবোৰ নাৰীক লৈ গৈ দ্বাৰকাত থৈ আহে, মই ঘূৰি নহালৈকে তুমি কলৈকো নাযাবা ইয়াতে থাকিবা।”

এইবুলি কৈ নাৰীসকলক লগত গৈ কৃষ্ণ দ্বাৰকালৈ গ'ল । সকলো নাৰীকে পিতাকৰ হাতত গতাই দি কলে, “পিতাদেই ! মই এতিয়া আৰু এই নগৰত নাথাকো । বলৰাম আৰু মই গৈ তপস্যা কৰিম ।” এইদৰে পিতাকক বুজাই-বঢ়াই কৃষ্ণই প্ৰণাম কৰি বলৰামৰ ওচৰলৈ উলতি আহিল ।

বলৰামে এখন নিৰ্জন ঠাইত যোগ সমাধিস্থ হৈ আছিল । কৃষ্ণক দেখা পাইয়ে সহস্ৰ ফনা থকা এডাল বগা সাপ বলৰামৰ মুখৰ পৰা ওলাই সাগৰত গৈ প্ৰৱেশ কৰিলে । সেই সাপডালক স্বাগতম জনাবলৈ বৰুণ তথা অন্যান্য সাপ আগবাঢ়ি আহিল ।

ইয়াৰ পিছত কৃষ্ণই কিছুসময় স্তম্ভিত হৈ থাকি অন্য এখন ঠাইলৈ গ'ল । এনেতে জৰ নামৰ এজন ব্যাধে চিকাৰ বিচাৰি বিচাৰি আহি সেই



"অৰ্জুন, ভয়ঙ্কৰ ৰাক্ষস সকলক বধ কৰা মোৰ পুত্ৰ আৰু ইহসংসাৰত নাই। কিন্তু মই এতিয়াও জীয়াই আছো । তোমাৰ শিষ্য সাত্যকী আৰু প্ৰদ্যুম্নৰ কাৰণেই যাদৱ বংশ ধ্বংস হ'ল । আনহাতে কবলৈ গলে ইয়াত কাৰো দোষ নাই। এই সললোবোৰ মুনিৰ অভিশাপৰ ফল মাত্ৰ। কৃষ্ণইও এই শাপক উপেক্ষা কৰিছিল । কৃষ্ণই মোক এইবুলি কৈ গৈছে, তুমি যেতিয়া ইয়ালৈ আহিবা তোমাৰ উপদেশ মতেই যেন মই কাম কৰো ।"

ইয়াৰ পিছত অৰ্জুনে দাৰুকৰ লগত যাদৱ সকলৰ ৰাজ সভালৈ গৈ মন্ত্ৰীসকলক কলে-"এই দ্বাৰকা নগৰ অতিশীঘ্ৰে সমুদ্ৰত ডুব যাব । মই আপোনালোক সকলোকে ইন্দ্ৰপ্ৰস্থলৈ লৈ যাবলৈ আহিছো । আপোনালোকৰ যাৰ হাতত যি ধন আছে সেইবোৰ লগত লওক । আপোনালোকৰ ৰজা হোৱাৰ উপযুক্ত বজ্ৰ ইন্দ্ৰপ্ৰস্থতে থাকিব । পলম নকৰি আপোনালোকে অতি সোনকালে যাত্ৰাৰ ব্যৱস্থা কৰক ।"

ইয়াৰ পিছদিনাই বসুদেৱে যোগসমাধিত বহি প্ৰাণ ত্যাগ কৰিলে । বসুদেৱৰ পত্নীসকল - দৈৱকী, ৰোহিণী, ভদ্ৰা তথা মন্দিৰাই বসুদেৱৰ লগতে প্ৰাণ ত্যাগ কৰিলে । তেওঁলোকৰ দাহন-সংস্কাৰ আদি কাৰ্য্য কৰা হ'ল । ইয়াৰ পিছত বজ্ৰ ইত্যাদি বৃষ্ণি আৰু অন্ধক কুমাৰসকলে সেই স্থানতে জল তৰ্পণ কৰিলে ।

অৰ্জুনে যাদৱসকলৰ মৃত্যু স্থানলৈ গৈ তাতে মৃতকৰ ক্ৰিয়া-কান্ড সমাপ্ত কৰিলে । সপ্তম দিনাখন অৰ্জুনে দ্বাৰকাৰ পৰা গমন কৰিলে । ৰথ, হাতী, তথা পদব্ৰজে তেওঁলোক আগবাঢ়ি যোৱা দেখি তেওঁলোকৰ পিছে পিছে সমুদ্ৰই ধীৰে ধীৰে দ্বাৰকাক ডুবাই দিবলৈ আগবাঢ়ি আহিল ।

ঠাই পালে । দূৰৰ পৰা সেই বনৰ মাজত কৃষ্ণকে হৰিণা পহু বুলি ভাবি তাৰ উদ্দেশ্যে বাণ নিক্ষেপ কৰিলে । বাণ গৈ কৃষ্ণৰ ভৰিৰ তলিত লাগিল । তেতিয়া কৃষ্ণই দেহত্যাগ কৰি নিজৰ জ্যোতি পৃথিবী আৰু আকাশত ব্যাপ্ত কৰি স্বৰ্গলৈ গ'ল । ইন্দ্ৰ তথা অন্যান্য দেৱতাসকলে আদৰ সম্ভাষণ জনাই তেওঁক স্বৰ্গলৈ আগবঢ়াই লৈ গ'ল ।

ইফালে দাৰুক গৈ হস্তিনাপুৰ ৰাজ্য পালে গৈ । তেওঁ পাণ্ডৱসকলক লগ ধৰি কৃষ্ণই কৈ পঠোৱাৰ নিচিনাকৈ যদুবংশ ধ্বংসৰ কথাটো কলে । এই বাতৰিটো শুনি পাণ্ডৱসকল মৰ্মাহত হ'ল । অৰ্জুনে দাৰুকৰ সৈতে দ্বাৰকালৈ গ'ল আৰু অনাহা যাদৱ নাৰী সকলক দেখা কৰিলে । তেওঁলোকেও অৰ্জুনক দেখি কান্দিবলৈ ধৰিলে। নাৰীসকলৰ এই অৱস্থা অৰ্জুনৰ খুব অসহনীয় লাগিল । তেতিয়া অৰ্জুনে তেওঁলোকক সান্ত্বনা দি বসুদেৱক দেখা কৰিবলৈ গ'ল ।

বসুদেৱে অৰ্জুনক সাবতি ধৰি কলে-

অৰ্জুনে বিভিন্ন ঠাইত জিৰণি লৈ অৱশেষত পঞ্চনদ পালে। অসংখ্যা অসহায়া নাৰীৰ সৈতে অকলে যোদ্ধা অৰ্জুনক দেখি চোৰে লাঠি লৈ, শিলগুটি মাৰি তিৰোতাসকলৰ ওপৰত জাপিয়াই পৰিল। অৰ্জুনে সিহঁতক মাৰিবলৈ ভয় দেখুৱালে, কিন্তু সিহঁতে অৰ্জুনৰ কথা কৰ্ণপাতে নকৰিলে। তেতিয়া অৰ্জুনে ক্ৰোধিত হৈ গাণ্ডিৱ ধনু হাতত তুলি ললে, কিন্তু তেওঁ গাণ্ডিৱ চলাবলৈ অসুবিধা বোধ কৰিলে। আনকি অস্ত্ৰ চলোৱাৰ কৌশলো পাহৰি গ'ল। তেওঁ চোৰৰ কাৰ্য্যক বাধা দিব নোৱাৰি নিজৰ অক্ষমতাৰ বাবে লজ্জিত হ'ল। তেওঁৰ আগতে চোৰবোৰে যাদৱ নাৰীসকলক চাৰিওফালে জোৰ কৰি লৈ গ'ল। পিছত যি অৱশিষ্ট নাৰী থাকি গ'ল তেওঁলোকক লগত লৈ অৰ্জুনে কুৰক্ষেত্ৰ পালে গৈ।

যুধিষ্ঠিৰৰ সিদ্ধান্ত মতে কৃতবৰ্মাৰ পত্নী আৰু পুত্ৰক মূৰ্ত্তিকাবতত, শিশু, নাৰী আৰু বৃদ্ধসকলক ইন্দ্ৰপ্ৰস্থত, সাত্যকীৰ পুত্ৰক সৰস্বতীত ৰাখি বজ্ৰক ইন্দ্ৰপ্ৰস্থৰ ৰজা কৰা হ'ল। অক্ৰুৰৰ পত্নীক বজ্ৰৰ আশ্ৰমত ৰখা হ'ল। কৃষ্ণৰ পত্নীসকলৰ ভিতৰত ৰুক্মিণীকে আদি কৰি কেইগৰাকীমানে অগ্নিত প্ৰৱেশ কৰিলে। সত্যভমা আদি কৰি কেইগৰাকীমানে বনলৈ গৈ তপস্যা কৰিবলৈ ধৰিলে।

ইয়াৰ ছিত অৰ্জুনে মহৰ্ষি ব্যাসৰ আশ্ৰমলৈ গ'ল। অৰ্জুনক দেখিয়েই ব্যাসে সুধিলে-"অৰ্জুন, তোমাক অত্যন্ত চিন্তিত যেন দেখা গৈছে, তোমাৰ কি হৈছে?"

তেতিয়া অৰ্জুনে কলে-"হে মহৰ্ষি, কৃষ্ণ আৰু বলৰামৰ মৃত্যু হৈছে, সেয়েহে মই অতিকৈ দুঃখিত। মুনিৰ শাপৰ কাৰণে সকলোবোৰ যাদৱৰে মৃত্যু হৈছে। যি বীৰসকলে অসাধাৰণ অস্ত্ৰৰ আঘাত সহ্য কৰিব পাৰিছিল সেই বীৰসকল মাদুৰি বনেৰে কোবাকুবি কৰি মৰি গ'ল। এই ঘটনাৰ বাবে মই অন্তৰত খুব আঘাত পাইছো। মই বুজিব পৰা নাই কৃষ্ণ অবিহনে

মই কেনেকৈ জীয়াই থাকিম ? ইয়াতকৈও এটা ডাঙৰ ঘটনা হ'ল আচৰিত ভাবে হঠাতে মোৰ সকলো পৰাক্ৰম লোপ পালে । চোৰবোৰে মোৰ চকুৰ আগতে যাদৱ নাৰীসকলক লৈ গৈছিল, সেইবোৰ দেখিও মই তেওঁলোকক ৰক্ষা কৰিব নোৱাৰিলো । মোৰ মন এতিয়া অতি ব্যাকুল আৰু অশান্ত । মই পাগলৰ দৰে ঘূৰি ফুৰিছো । এতিয়া মই কি কৰো ?"

"হে অৰ্জুন, বৃষ্ণি তথা অন্ধকৰ মুনিৰ শাপৰ প্ৰভাৱত মৃত্যু হৈছে । তেওঁলোকৰ নিমিত্তে চিন্তা নকৰিবা । কৃষ্ণই তেওঁলোকক ৰক্ষা কৰিব পাৰিলে হয়, কিন্তু সকলো দেখিও তেওঁ মৌন হৈ আছিল । শাপ মোচন কৰাতো তেওঁৰ বাবে সম্ভৱ নাছিল জানো ? জানিও তেওঁ একো নকৰিলে । কাৰণ কৃষ্ণ অৱতাৰৰ ইয়াতে শেষ । তেওঁ এতিয়া নিজৰ ঠাইলৈ গুচি গৈছে ।

তুমিও ভীম, নকুল আৰু সহদেৱৰ সৈতে লগলাগি বহুতো মহান কাৰ্য্য কৰিছা । মোৰ বিশ্বাস তোমালোকেও কামত কৃতকাৰ্য্য হৈছা । তোমালোকেও অতিশীঘ্ৰে উত্তম লোকলৈ গতি কৰিব পাৰিবা । কাল নিজেই পৰিবৰ্তিত হৈ আনকো পৰিবৰ্তন কৰায় । এই গোটেই জগতখনেই কালৰ অধিনত । এটা সময়ত কালে আমাক শাসন কৰে । কালৰ গতিৰ লগতে আমাৰ জীৱন চলে । তোমাৰ অস্ত্ৰৰ কাৰ্য্য সমাপ্ত হৈ গৈছে । সেয়েহে তুমি তাক চলাব পৰা নাই। এই সকলোবোৰ কালৰে প্ৰভাৱ । ইয়াৰ বাবে তুমি চিন্তা নকৰিবা ।" মহৰ্ষি ব্যাসে এইবুলি অৰ্জুনক বুজালে ।

অৰ্জুন হস্তিনাপুৰলৈ উভতি আহি যুধিষ্ঠিৰৰ আগত এই সকলোবোৰ কথা বিৱৰি কলে ।

এই সকলোবোৰ কথা শুনাৰ পিছত যুধিষ্ঠিৰৰ মনত মহা প্ৰস্থান কৰাৰ চিন্তা উদয় হ'ল । তেওঁ অৰ্জুনৰ আগত এইবুলি কলে -"ভাই অৰ্জুন, সময়ে সকলোবোৰ প্ৰাণীকে বান্ধি ৰাখে।"

ইয়াৰ পিছত সকলো পাণ্ডৱৰ মনতে ৰাজ্য ত্যাগ কৰি মহা প্ৰস্থানলৈ গতি কৰাৰ ইচ্ছা জাগৰিত হ'ল । যুধিষ্ঠিৰে যুযুৎসসুক মাতি আনি তেওঁৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰিলে ।

নিজ ৰাজ্যৰ উত্তৰাধিকাৰী হিচাবে পৰীক্ষিত আৰু ইন্দ্ৰপ্ৰস্থৰ বাবে বজ্ৰক ৰজা কৰিববলৈ সিদ্ধান্ত ললে । দুয়োৰে কাৰ্য্য পৰ্যবেক্ষণ কৰাৰ ভাৰ সুভদ্ৰাৰ হাতত অৰ্পণ কৰিলে । ইয়াৰ পিছত যুধিষ্ঠিৰে দ্বাৰকাত মৃত্যু হোৱা সকলো লোকৰে শাস্ত্ৰমতে শ্ৰাদ্ধাদি কাৰ্য্য কৰালে ।

(ক্ৰমশঃ)

অজেয় গৰুড়

চান্দমামাৰ নিবেদন
5
অজেয় গৰুড়
চিত্ৰ : পাণি
চন্দ্ৰপুৰীৰ ৰজাই মুখ্যমন্ত্ৰীৰ পুত্ৰ আদিত্যক মাতি আনিলে। আদিত্যই মানুহক অত্যাচাৰ কৰি থকা ডকাইতবোৰক বন্দী কৰিলে। তেওঁ পিতাকে সংৰক্ষণ কৰি ৰখা এখন কিতাপ পালে। তাত এনেদৰে নিজ মাতৃভূমি ৰক্ষা কৰাৰ বাবে লিখা আছিল, যেনেকৈ গৰুড়ে নিজৰ মাকক বন্ধন মুক্ত কৰিছিল। সেনাপতিৰ পুত্ৰ ৰবীন্দ্ৰদেৱক ৰেহাই কৰি লৈ ... বাবে সকলোবোৰ বন্দীকে এৰি দিয়া হ'ল। এজন বন্দী ৰামসিংহই আদিত্য... কলে কেনেদৰে তেওঁৰ পিতাকৰ মৃত্যু হৈছিল। নৰেন্দ্ৰদেৱৰ ওপৰতে সন্দেহ কৰা হৈছিল।
নিজৰ নাম শুনি ৰামসিংহই পিছলৈ ঘূৰি চালে আৰু হাঁহি থকা মুখ এখন দেখিবলৈ পালে।
তুমি মোক চিনি পাইছা নে? মই আদিত্য।
আদিত্য তুমি আমাৰ...ৰক্ষাকৰ্তা নেকি? তুমি তোমাৰ মুখ ঢাকি ৰাখিছিলা।......
ৰাম সিংহ মই সদায় তোমাৰ লগত আছো। এই সময়ত তুমি মোক বেলেগ বুজি নাভাবিবা।


ৰামসিংহই যেতিয়া নিজৰ লগৰীয়াসকলক মাতিবলৈ গল আদিত্যই নিজৰ মুখ ঢাকি ললে।
আদিত্যই ৰামসিংহ আৰু তেওঁৰ লগৰীয়াসকলক অপেক্ষা কৰিলে ।
আমাৰ লক্ষ্য হ'ল সেনাপতি । কোনো সিদ্ধান্ত নলবা। মোৰ সংকেতলৈ অপেক্ষা কৰিবা ।
নৰেন্দ্ৰদেৱে একেৰাহে খেল খেলি আছিল ।
ৰবীন্দ্ৰই যদি এই ছদ্মবেশী ব্যক্তিৰ লগত লগ নকৰিলে হয় !
নহলেতো তেওঁ তাক শেষ কৰি দিলে হয় । মহাৰাজ ৰবীন্দ্ৰক ভুল নুবুজিবা ।
যদি মই তেওঁক ধৰো তেতিয়াহ'লে তেওঁক পতাকা তোলা খুটাত আঁৰি থম ।
আদালতত....
এইটো হে উৎসাহজনক কথা ! তুমি তোমাৰ কাম আৰম্ভ কৰা আৰু তেওঁক ধৰা !
ৰবীন্দ্ৰদেৱে কিছুমান চিপাহী লগত লৈ আগবাঢ়ি গ'ল ।

পিছদিনা মহলৰ মূখ্য ৰক্ষক ৰজাৰ ওচৰলৈ গ'ল ।
মহাৰাজ ৰবীন্দ্রদেৱ এজন সেনা লগত লৈ এইফালে আহি আছে। তেওঁ এইমাত্র প্রাসাদত প্রৱেশ কৰিলে ।
ব'লা চাওঁগে ।
ৰজাই বেল্‌কনিলৈ গৈ সেই গাড়ীবোৰত অহা বহুতো সৈন্য দেখিবলৈ পালে । সেই গাড়ীবোৰ গাধই টানিছিল ।
আঃ..... ৰবীন্দ্র কিমান বুধিয়ক ।
হয় মহাৰাজ । নহব যে পুতেকনো কাৰ ।
আদিত্যই তেওঁৰ সৈতে বেল্‌কনিলৈ আহিছে ।
কিন্তু মহাৰাজ, এইজন সেই সৈনিকজন যিয়ে ৰবীন্দ্রদেৱৰ লগত গৈছিল ।
ৰবীন্দ্র ক'ত আছে ?
পিছদিনা ৰাতিপুৱা ৰজা আৰু নৰেন্দ্রদেৱক জনোৱা হ'ল যে পতাকা তোলা স্তম্ভত কাৰোবাক বান্ধি থোৱা আছে । তেওঁলোক বাহিৰলৈ আহি দেখিলে বাহিৰত বহুতো মানুহ জমা হৈ আছে । তেওঁলোকে দেখিলে ৰবীন্দ্রক তললৈ নমাই অনা হৈছে । তেওঁৰ মুখখন কাপোৰেৰে বন্ধা আছে আৰু তাৰ ওপৰত কিবা সাৱধান বাণী লিখা আছে আৰু গৰুড়ৰ হস্তাক্ষৰ আছে ।

আহা ! এই সাৱধানবাণীতো তেওঁলোকৰ বাবে হোৱা উচিত আছিল, যিয়ে দাংকোব মৰাত লিপ্ত আছিল ।
এইটো সহ্য কৰা নহব মহাৰাজ । আমি বিচাৰি উলিয়া উচিত, এই দুষ্টামি কৰা ব্যক্তিবোৰ নো কোন ।
ৰজাৰ খুব খং উঠিল ।
নৰেন্দ্ৰ গৰুড়ক সন্ত্ৰাসবাদী ঘোষিত কৰি দিয়া !
যিয়ে তাক জীয়াই জীয়াই অথবা মৃত অৱস্থাত ধৰিব পাৰিব তেওঁকে পুৰস্কাৰ দিয়া হব ।
সেনাপতিয়ে তেওঁৰ মূখ্য অধিকাৰিক আদেশ দিলে । তেওঁলোকে গৰুড়ক ধৰাৰ বাবে আঁচনি তৈয়াৰ কৰিলে ।
বেচি সময় নকৰিবা ! তাবাতাৰি কৰা !
তেওঁ সকলোকে এখন নক্সা প্ৰস্তুত কৰিদেখুৱালে আৰু সকলো লোককে এক এক ঠাইত গৰুড়ক বিচৰাৰ ভাৰ দিলে ।
তোমালোকে গৰুড়ক কেনেকৈ ধৰিবা মই সেই বিষয়ে নাজানো । নিজৰ নিজৰ দলবোৰক সকলো দিশলৈ পঠাই দিয়া । এই বৃদ্ধ অৱস্থাতো তোমালোকৰ ক্ষমতা চাও বাৰু ।
(ক্ৰমশঃ)

স্বৰগ ? নৰক ?

ৰামৰ মন্দিৰত এজন পণ্ডিতে ধৰ্মৰ বিষয়ে আলোচনা কৰি আছিল । তেওঁ পাপ-পুণ্য আৰু স্বৰ্গ-নৰক সম্পৰ্কে ব্যাখ্যা কৰি কৈ আছিল ।

"মোক্ষ লাভ কৰাতোৱে সকলোৰে লক্ষ্য । ইহলোকত পুণ্য কাম কৰি পাৰিবাৰিক জীৱনত কোনো আউল নলগোৱাকৈ যিয়ে জীৱন কটায়, তেওঁৱেই স্বৰ্গ লাভ কৰে । কিন্তু এইটো খুব সহজ কাম নহয় । ইয়াৰ বাবে প্ৰথমতে নিজৰ মনৰ ইচ্ছা শেষ কৰিব লাগিব । নিজৰ দৃষ্টি ভগবানৰ ওপৰত নিবদ্ধ কৰিব লাগিব । এইদৰে পুণ্য কান কৰি যিয়ে ভগবানৰ সান্নিধ্য পাবলৈ ইচ্ছা কৰে তেওঁলোকে সকলোৱে আগত হাত তোলক ।" পণ্ডিতে উপস্থিত ভক্তবৃন্দক কলে ।

তেওঁৰ সম্মুখত যিবোৰ ভক্ত বহি আছিল, এজনৰ বাহিৰে সকলোৱে হাত তুলিলে । সেইজন এজন বুঢ়া কৃষক আছিল । পণ্ডিতে তেওঁৰ ফালে মনোযোগেৰে লক্ষ্য কৰিলে । কিন্তু বুঢ়া কৃষকজনে নিশ্চিন্ত মনে বহি থাকিল ।

তেতিয়া পণ্ডিতে খঙেৰে কলে, "ইচ্ছাক দাস কৰাতো অতি সহজ কাম । যিয়ে পাৰ্থিৱ সুখত ৰত হৈ ভগবানক আৰাধনা নকৰে, তেওঁ নৰকলৈ যোৱাতো নিশ্চিত । এই সকলোবোৰ হ'ল তেওঁৰ কৰ্মৰ ফল । যমদূতে তেওঁলোকক নৰকলৈ লৈ গৈ নানা ধৰণৰ শাস্তি দিয়ে । এনে ঘোৰ নৰকলৈ যাবলৈ কোনোবাই যাব বিচাৰে নেকি ? নকৰে, কেতিয়াও নকৰে, কোনেও নকৰে ! তথাপিও যদি কোনোবাই যাবলৈ ইচ্ছা কৰে তেতিয়াহলে হাত তোলক।" পণ্ডিতে এইদৰে কৈ বুঢ়াৰ ফালে চাই আছিল ।

তাত উপস্থিত থকা কোনোৱে হাত নুতুলিলে । বুঢ়া কৃষকে আগৰ দৰে বহি থাকিল । পণ্ডিতে খঙতে চকু ৰঙা কৰি বুঢ়া কৃষকক কলে, "মহাশয়, আপুনি কলৈ যাব বিচাৰে ? মই যেতিয়া সুধিলো আপুনি স্বৰ্গলৈ যাব খোজে নেকি, তেতিয়াও আপুনি হাত নুতুলিলে । যেতিয়া সুধিলো নৰককৈ যোৱাৰ ইচ্ছা আছেনেকি, তেতিয়াও হাত নুতুলিলে ।

বুঢ়া কৃষকে এটা কাহ মাৰি কলে, "পণ্ডিত মহাশয়, এতিয়া কলৈকো যোৱাৰ মোৰ ইচ্ছা নাই । মোৰ নাতিনী ছোৱালীজনীৰ এতিয়াহে আধাফুটা মাত ওলাইছে । যেন অকণমাণি ভাটো চৰাই হে মাতিছে, এনে লাগে । এই কথা শুনিবলৈ যে ইমান মধুৰ লাগে । আমাৰ বগী গাইজনী এতিয়াহে গাভিনী হৈছে । পশুচিকিৎসকৰ মতে তাই এইবাৰ দমৰা পোৱালি হে জন্ম দিব । মইতো এতিয়া তাইকে অপেক্ষা কৰিব লাগিব ।

-মহেশ -



তিনিটা শব্দৰ মন্ত্ৰ

সীতাপুৰ গাঁৱৰ অলপ দূৰতে শশীকুমাৰৰ আমৰ বাগান আছিল । তাৰে এডাল গছত এটা বাওনা পিশাচে বাস কৰিছিল । শ্মশানৰ অন্য পিশাচবোৰে তাৰ ওপৰত খং কৰি তাক বাহিৰ কৰি দিছিল । সিহঁতে তাক এইবুলি কৈছিল "ছিঃ ছিঃ তুমি বাওনা । তোমাৰ চেহেৰা দেখাতোও পাপ । আমাৰ দৰে পিশাচৰ লগত থকা তোমাৰ যোগ্যতা নাই ।" সিহঁতে তাক তাৰ পৰা খেদি দিলে ।

এদিন অন্ধকাৰ ৰাতি তাতকৈও চুটি এটা বাওনা তালৈ আহি বাওনা পিশাচটোক দেখি খুব আনন্দিত হৈ কলে, "আজি অমাৱস্যা, তাৰোপৰি আজি ৰবিবাৰ আৰু এই মাজনিশা ।" এই বুলি কৈ তাৰ কাষতে বহিল । ইয়াৰ পিছত আকৌ কবলৈ ধৰিলে "আমি দুয়ো মিলি-জুলি থাকিম । মোৰ নাম বিল্লী পিশাচ । তোমাৰ নাম কি মোক কবা নে ?"

এজন লগৰীয়া পোৱাৰ আনন্দতে বাওনা পিশাচটোৱে কলে, "মোৰ নাম মঙ্গু পিশাচ । আমি দুয়ো যদি লগ হৈ থাকো সোণত সুৱগা চৰোৱাৰ নিচিনা হব । তুমিও এই গছডালতে আশ্ৰয় লৈ থাকা । কোনো কথাতে আওকান নকৰিবা ।" সেইদিনাৰ পৰা বিল্লী পিশাচ আৰু মঙ্গু পিশাচ একেলগে থাকিবলৈ ললে । সিহঁত দুয়ো লগহৈ ৰাস্তাৰে গৈ থকা পথিক সকলক ইতিকিং কৰিবলৈ ধৰিলে আৰু নানা ধৰণে তেওঁলোকৰ খং তুলিবলৈ ধৰিলে ।

এদিন এন্ধাৰ হোৱাৰ আগতে সেই বাটেৰে ছয়খন গৰুৰ গাড়ী গৈ আছিল । সেই গাড়ীবোৰ ধুনিয়াকৈ সজোৱা আছিল আৰু গাৰোৱানবোৰে হাঁহি হাঁহি জোৰে জোৰে চিঞৰি কথা কৈ গৈ আছিল । গাড়ীবোৰৰ ভিতৰত ধুনীয়া গহনা পিন্ধা বহুতো তিৰোতা আছিল । তেওঁলোকে সুন্দৰ ৰেশমৰ শাৰী পিন্ধিছিল । ল'ৰা ছোৱালীবোৰেও ডাঙৰ ডাঙৰকৈ চিঞৰি গান গাই গৈ আছিল । বিল্লী আৰু মঙ্গুৱে জানিব পাৰিলে তেওঁলোকে কাৰোবাৰ বিয়ালৈ গৈছে ।

"আমিও এওঁলোকৰ লগে লগে বিয়ালৈ যাম । তালৈ গৈ ৰসগোল্লা খাম আৰু কম বেচি গোলমালো লগাম ।" বিল্লী পিশাচে তেওঁলোকৰ লগত গৈ থাকি কলে ।

"ঠিক আছে, তুমিতো মোৰ পেটৰ কথাটোকে কৈছা ।" মঙ্গু পিশাচে বিল্লীৰ কথা সমৰ্থন কৰি কলে ।

ইয়াৰ পিছত সিহঁতদুয়ো গৰুৰ গাড়ীৰ পিছে পিছে গৈ বিয়া ঘৰ পালে । তাত গৈ সিহঁতে

কামেশ্বৰ ৰাও

শিকাৰ বাবে দৃঢ় সংকল্প ললো । তেতিয়া বুঢ়া পিশাচে চকু ৰঙা কৰি মোৰ ফালে চাই কলে, “মই তোক মন্ত্র শিকাম, কিন্তু কোনো অৱস্থাতে তই আৰু ইয়াত থকাতো মই নিবিচাৰো ।” এইবুলি কৈ বুঢ়া পিশাচে মোক তিনিচা শব্দৰ এটা মন্ত্র শিকালে ।”

“কি তুমি এই মানুহবোৰৰ ওপৰত সেই মন্ত্রটো ব্যৱহাৰ কৰিবা নেকি ?” মঙ্গুৱে অতি উৎসুক হৈ সুধিলে । নিশ্চয় ! মই যেতিয়া মন্ত্র পঢ়িম তুমি তথাস্তু বুলি কবা । ইয়াৰ পিছত দেখিবা কি হয় ? বিল্লী পিশাচে কলে ।

এনেতে আহাৰ খাই উঠি কইনা আৰু তেওঁৰ মাক বাপেক সেই কোঠাটোলৈ আহিল । কইনাজনীয়ে তাত থকা এটা বাকচৰ পৰা এখন ৰেশমী শাৰী উলিয়াই পিতাকক কলে, “পিতাদেউ, অলপ সময়ৰ বাবে মাই এই শাৰীখন পিন্ধিব, ভাল লাগিব নহয় নে ?”

“শাৰীতো ভালেই লাগিছে, পিচে ইয়াৰ দাম কিমান ?” পিতাকে শুধিলে ।

“এহেজাৰ টকা ।” কইনাজনীয়ে কলে ।

খং মুৱা হৈ নিজৰ পত্নীৰ ফালে চাই তেওঁ কলে, “ইমান দামী শাৰী ! এই বয়সতো তুমি ইমান দামী শাৰী পিন্ধাৰ চখ ? ছিঃ ছিঃ কেনে তিৰোতাহে তুমি । তোমাৰ পেটত জুই লাগিব।”

ৰেকৰ ওপৰতে বহি বিল্লীয়ে তৎক্ষণাত তিনিটা শব্দৰ মন্ত্রটো পঢ়িলে । মঙ্গু পিশাচে তথাস্তু বুলি কলে ।

তাৰ পিছতে কইনাৰ মাকে পেটত খামুচি ধৰি চিঞৰিবলৈ ধৰিলে । তেওঁ কবলৈ ধৰিলে, “নাজানো তোমাৰ মুখত কোন শনি বহিছে । মোৰ পেটটো পুৰিব ধৰিছে । তোমাৰ মুখো মোৰদৰে পোৰক ।”

লগে লগে বিল্লী পিশাচে আকৌ মন্ত্রটো মাতিলে আৰু মঙ্গুৱে তথাস্তু বুলি কলে । গামোচাৰে মুখ মচি মচি কইনাৰ পিতাকে কলে, “অনুমান হৈছে তোমাৰ মাই পিশাচৰ মন্ত্র

এটা কোঠাৰ ৰেকৰ মাজত লুকাই আছিল, য’ত বাচন-বৰ্ত্তন আদি অন্যান্য সামগ্রী ৰখা আছিল।

“আমি ইয়াতে লুকাই থাকি কাজিয়া লগাই দিম । আমাক দেখা নোপোৱাৰ বাবে মানুহবোৰ আচৰিত হব আৰু ভাবিব এইবোৰ কোনেকৈ হৈছে আৰু কোনেইবা কৰিছে ।” মঙ্গু পিশাচে কলে ।

“তুমি একদম ঠিক কৈছা । এইটো এটা নতুন ধৰণৰ খেলা হব । আমাৰ আৰম্ভণিও নতুন ধৰণে হব ।” বিল্লী পিশাচে মঙ্গুৰ কথা সমৰ্থন কৰি কলে । ইয়াৰ পিছত আকৌ কলে, কথা প্রসঙ্গঁত মনত পৰিছে, প্রথমতে মই যেতিয়া ধৰ্মপুৰৰ ওচৰৰ এজোপা আঁহত গছত বাহ লৈছিলো তেতিয়া অন্ধকাৰ ৰাতি এটা বুঢ়া পিশাচ মোৰ ওচৰলৈ অহা কৰিছিল । তেওঁ চকু মুদি বহি লৈ মুখৰ ভিতৰতে বিৰবিৰাই কিবা কৈ আছিল । মাজে মাজে নলাৰ পানী দুটোপ খাইছিল।

এদিন ৰাতি মই তেওঁৰ সম্মুখত বহি লৈ মন্ত্র

শিকিছে । মোৰ মুখখন এনেদৰে জ্বলিবলৈ ধৰিছে যেন কোনোবাই জলকীয়া ভাঙিহে দিছে।" এইবুলি কৈ কইনাৰ পিতাক মুখ মচি মচি তাৰপৰা ওলাই গল ।

সেই সময়তে দৰাজনে কইনাজনী চাবলৈ বন্ধু সকলৰ লগত সেই কোঠাটোলৈ আহিল । কইনাৰ সৌন্দর্য্য দেখি তেওঁ মগ্ন হৈ চাই ৰল । কাষতে থিয় হৈ থকা বন্ধুজনে তেওঁৰ কান্ধখন লৰাই দি কলে, "এয়া কি হ'ল । থিয়হৈয়ে থাকিলা যে ? বলা ! অনুমান হৈছে, তোমাৰ ভৰিদুখন মাটিত আঠা মাৰি ধৰিছে ।"

লগে লগে বিল্লী পিশাচে তিনিটা মন্ত্ৰটো মাতিলে আৰু মঙ্গুৰে তথাস্তু বুলি কলে । সঁচাসচিকৈয়ে দৰাৰ ভৰিদুখন মাটি আঠা মাৰি ধৰিলে আৰু বহু চেষ্টা কৰিও তেওঁ ভৰিদুখন লৰাব চৰাব নোৱাৰা হ'ল ।

মানুহবোৰে কইনা থকা কোঠাটোত ঘটা এই আচৰিত ঘটনাৰ কথা শুনিবলৈ পালে । তেওঁলোকে দলে দলে আহি বৰ কৌতুহলেৰে সেই দৃশ্য চাবলৈ ধৰিলে । কইনাৰ আইতাকো তালৈ আহিল । তেওঁৰ হাতত এডাল লাঠি আছিল। তেওঁ লাঠিডালেৰে মাটিৰ ওপৰত জোৰেৰে কোবাই কলে, "মোৰ এই মাণিকহেন নাতিটোৰ ওপৰত কোনোবাই মন্ত্ৰ-তন্ত্ৰ কৰিছে। অলপ লোন আৰু কেইটামান শুকান জলকীয়া লৈ আহাচোন ।" তেওঁ চিঞৰি কলে ।

তাতে থিয় হৈ থকা এজন আত্মীয়ই গৈ লোন আৰু জলকীয়া আনিলে । আইতাকে সেইবোৰ লৈ কোঠাটোৰ চাৰিওফালে ঘূৰি ঘূৰি কবলৈ ধৰিলে, "এই দুষ্কৰ্ম কৰি যিয়ে কোঠাৰ ভিতৰত লুকাই আছে, সেই ভূত-পিশাচ ইয়াৰ পৰা গাধ হৈ আতৰি যা ।"

দুয়ো পিশাচৰে আনন্দৰ সীমা নেহোৱা হ'ল। সিহঁতে মানুহবোৰৰ খং তুলি খুব ৰং পাই আছিল । বিল্লী পিশাচে আনন্দত মগ্ন হৈ তিনিটা শব্দৰ মন্ত্ৰটো মাতিলে আৰু মঙ্গুৰে তথাস্তু বুলি তলে । দুয়ো পিশাচ লগে লগে গাধ হৈ কোঠাটোৰ পৰা ওলাই আহি আম গছৰ ফালে দৌৰি পলাবলৈ ধৰিলে ।

সিহঁত যোৱাৰ লগে লগে তাৰ পৰিস্থিত আকৌ আগৰ দৰে হ'ল । দৰাইও খোজ কাঢ়িব পৰা হ'ল । যথাসময়তে বিবাহ কাৰ্য্য সম্পন্ন হ'ল ।



বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা



কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

অভিনন্দন

জুন সমখ্যাৰ পুৰস্কাৰ বিজয়ী

জ্যোতি কলিতা

মাৰফৎ - মাধৱ কলিতা

পিয়লি ফুকন নগৰ, গুৱাহাটী - ২১

বিজয়ী বাক্য



গাড়ীৰ ওচৰতে আছে লঠঙা গছডাল
জখলাত উঠি কৰিছে ঘৰ ভাল

চান্দমামাৰ বছৰেকীয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam


Are you a fan of Garuda, the masked hero with magical powers?
Enjoy the exciting exploits of Garuda!
Garuda
The Invincible
Don't miss the Garuda comics in Chandamama anymore!
Subscribe to Chandamama today!
Chandamama Annual Subscription within India Rs. 120/-
Send your remittances by DD or MO favouring CHANDAMAMA INDIA LIMITED, to
No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097.
E-mail : subscription@chandamama.org

CHANDAMAMA (Assamese) AUGUST 2001 Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001



Mudra:NC:4220:01